# মথিয়ে লিখা শুভবাৰ্ত্তা

### যীচু খ্ৰীষ্টৰ বংশ-পৰিচয়

*(লূক ৩:২৩–৩৮)*

১ [1]আব্ৰাহামৰ সন্তান, দায়ূদ, তেওঁৰ সন্তান যীচু খ্ৰীষ্টৰ
বংশাৱলী পত্ৰ এই ধৰণৰ:

2 আব্ৰাহাম ইচাহাকৰ পিতৃ,
ইচাহাক যাকোবৰ পিতৃ,
যাকোব যিহুদা আৰু তেওঁৰ ভায়েকসকলৰ পিতৃ।
3 যিহূদা, পেৰচ আৰু চেৰহৰ পিতৃ, (তেওঁলোকৰ মাকৰ
নাম তামাৰ।)
পেৰচ হিব্ৰোনৰ পিতৃ,
হিব্ৰোন আৰামৰ পিতৃ,
4 আৰাম অম্মীনাদবৰ পিতৃ,
অম্মীনাদব নহচোনৰ পিতৃ,
নহচোন চল্মোনৰ পিতৃ,
5 চল্মোন বোৱাজৰ পিতৃ (তেওঁৰ মাকৰ নাম ৰাহাব আছিল।)
বোৱাজ ওবেদৰ পিতৃ (তেওঁৰ মাকৰ নাম আছিল ৰূথ।)
ওবেদ যিচয়ৰ পিতৃ,
6 যিচয় ৰজা দায়ুদৰ পিতৃ,
দায়ুদ চলোমনৰ পিতৃ (তেওঁৰ মাক উৰিয়াৰ ভাৰ্য্যা
আছিল।)

7 চলোমন ৰহবিয়ামৰ পিতৃ,
ৰহবিয়াম অবিয়ৰ পিতৃ,
অবিয় আচাফৰ পিতৃ,
8 আচাফ যিহোচাফটৰ পিতৃ,
যিহোচাফট যেহৰামৰ পিতৃ,
যেহৰাম উজ্জিয়াৰ পিতৃ,
9 উজ্জিয়া যোৰামৰ পিতৃ,
যোৰাম আহাজৰ পিতৃ,
আহাজ হিষ্কিয়াৰ পিতৃ,
10 হিষ্কিয়া মনচিৰ পিতৃ,
মনচি আমোনৰ পিতৃ
আমোন যোচিয়াৰ পিতৃ
11 যোচিয়া যেখনীয়া আৰু তেওঁৰ ভায়েকবিলাকৰ
পিতৃ আছিল। যেতিয়া যিহুদাৰ লোকসকলক
বেবিলনলৈ বন্দী কৰি লৈ যোৱা হৈছিল
তেওঁলোক তাতে বাস কৰিছিল।

12 বাবিললৈ নিয়াৰ পাছত:
যেখনীয়াৰ পুত্ৰ চল্টীয়েলৰ জন্ম হল,
চল্টীয়েল জৰুব্বাবিলৰ পিতৃ,
13 জৰুব্বাবিল অবীহূদৰ পিতৃ,
অবীহূদ ইলিয়াকিমৰ পিতৃ,
ইলিয়াকিম আচোৰৰ পিতৃ,
14 আচোৰ চাদোকৰ পিতৃ,
চাদোক আখীমৰ পিতৃ,
আখীম ইলীহূদৰ পিতৃ,
15 ইলীহূদ ইলিয়াজৰ পিতৃ,
ইলিয়াজ মত্তনৰ পিতৃ,
মত্তন যাকোবৰ পিতৃ,
16 যাকোব যোচেফৰ পিতৃ,
এই যোচেফ মৰিয়মৰ স্বামী আৰু মৰিয়ম যীচুৰ মাতৃ
যি জনাক খ্ৰীষ্ট বোলে।

17 এইদৰে আব্ৰাহামৰ পৰা দায়ূদলৈকে মুঠতে চৌদ্ধ
পুৰুষ, লোকসমূহক দায়ূদৰ পৰা বাবিললৈ নিয়া সময়লৈকে
চৌদ্ধ পুৰুষ আৰু বাবিললৈ নিয়াৰ পৰা যীচুৰ জন্মৰ
সময়লৈকে চৌদ্ধ পুৰুষ।

### যীচু খ্ৰীষ্টৰ জন্ম

*(লূক ২:১–৭)*

18 যীচু খ্ৰীষ্টৰ জন্ম এইদৰে হৈছিল, তেওঁৰ মাতৃ মৰিয়মক
যোচেফলৈ বাগদান কৰা হৈছিল; তেওঁলোকৰ বিবাহৰ
আগতেই তাইক গৰ্ভৱতী হোৱা গম পালে। (তাই পবিত্ৰ
আত্মাৰ দ্বাৰা গৰ্ভৱতী হৈছিল।) (কিন্তু তেওঁলোক দুয়ো
বিবাহপাশত আবদ্ধহোৱাৰ আগতেই তেওঁ তাইক গৰ্ভৱতী
হোৱা বুলি গম পালে।) 19 কিন্তু তেওঁৰ ভাবী স্বামী যোচেফ
এজন ধাৰ্মিক লোক হোৱা বাবে, তেওঁ মৰিয়মক সমাজৰ
আগত লাজত পেলাবলৈ ইচ্ছা নকৰিলে। সেয়ে তেওঁ মনে
মনে তেওঁলোকৰ বিয়াৰ বন্দবস্থ ভাঙিবলৈ মনস্থ কৰিলে।
20 তেওঁ এই কথা চিন্তা কৰি থাকোতেই ঈশ্বৰৰ দূত
এজনে সপোনত যোচেফক দৰ্শন দি কলে, “হে দায়ূদৰ
সন্তান যোচেফ, তুমি মৰিয়মক ভাৰ্য্যাৰূপে গ্ৰহণ কৰিবলৈ
ভয় নকৰিবা। কাৰণ যি শিশু তাইৰ গৰ্ভত আছে, সেয়া
পবিত্ৰ আত্মাৰ পৰা হয়। 21 তেওঁ এটি পুত্ৰ সন্তান প্ৰসৱ
কৰিব। তুমি তেওঁৰ নাম যীচু[a] থবা; কিয়নো তেৱেঁই নিজৰ
লোকসমূহক তেওঁলোকৰ পাপৰ পৰা উদ্ধাৰ কৰিব।”
22 প্ৰভুৱে তেওঁৰ ভাববাদীৰ দ্বাৰা যি কথা কোৱাইছিল
সেই সকলোবোৰ সিদ্ধ হবলৈ এইবোৰ ঘটিছিল: 23 “শুনা,

[a] **১:২১ যীচু** যীচু নামৰ অৰ্থ “প্ৰভু (যিহোৱা) উদ্ধাৰকৰ্তা।

এগৰাকী কুমাৰী গৰ্ভৱতী হব, তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিব, আৰু লোকে তেওঁৰ নাম ইম্মানুয়েল[a] থব।” (যাৰ অৰ্থ “আমাৰ লগত থকা ঈশ্বৰ।”)

২৪পাচে যোচেফে টোপনিৰ পৰা সাৰ পাই উঠি, প্ৰভুৰ দূতে কোৱাৰ দৰেই কৰিলে। তেওঁ মৰিয়মক বিয়া কৰিলে আৰু তাইক ঘৰলৈ আনিলে। (প্ৰভুৰ দূতে কোৱাৰ দৰেই তেওঁ মৰিয়মক বিয়া কৰিলে) ২৫কিন্তু যোচেফ সন্তান জন্ম নোহোৱালৈকে মৰিয়মৰ লগত সহবাস নকৰিল, আৰু তেওঁ সন্তানটিৰ নাম যীচু থলে।

### জ্যোতিষী পণ্ডিতসকলে যীচুক দৰ্শন কৰা দেখা কৰিবলৈ অহা

**২** ১ৰজা হেৰোদৰ ৰাজত্বৰ কালত যিহূদা দেশৰ বৈৎলেহেম নগৰত যীচুৰ জন্ম হোৱাৰ পাছত, পূব ফালৰ পৰা কেইজনমান জ্যোতিষী পণ্ডিত[b] জেৰুচালেমলৈ আহিলে। ২তেওঁলোকে লোকসমূহক সুধিলে, “যিহূদীবিলাকৰ, নৱজাত ৰজাৰ জন্ম ক'ত হল? কিয়নো পূব ফালে তেওঁৰ তৰা দেখা পাই তেওঁৰ অনুসন্ধান কৰি, তেওঁক সেৱা কৰিবলৈ আমি আহিছোঁ।”

৩এই কথা শুনা পাই হেৰোদ ৰজাৰ মন অস্থিৰ হল আৰু জেৰুচালেম নিবাসী সকল চিন্তাত পৰিল। ৪এনেতে হেৰোদ ৰজাই যিহুদীসকলৰ প্ৰধান পুৰোহিত আৰু সকলো বিধান পণ্ডিত সকলক মাতি সুধিলে, “খ্ৰীষ্ট কত জন্ম হব?” ৫তেওঁলোকে কলে, “যিহূদাৰ বৈৎলেহেম নগৰত, কাৰণ ভাৱবাদীৰ দ্বাৰা এইদৰে লিখা হৈছে:

৬ ‘হে যিহূদাৰ দেশৰ বৈৎলেহেম,
তুমি যিহূদা দেশৰ অধিকাৰী বিলাকৰ ভিতৰত
কোনো গুণেই সৰু নোহোৱা:
কিয়নো তোমাৰ পৰা এজন অধিপতি উৎপন্ন হব,
যিজনে মোৰ ইস্ৰায়েল লোকসমূহক প্ৰতিপালন
কৰিব।’” *মীখা ৫:২*

৭তেতিয়া হেৰোদে সেই পূবৰ জ্যোতিষী পণ্ডিত কেইজনক মাতি, সেই তৰা ওলোৱাটো কিমান দিন হৈছে তাৰ সঠিক বাতৰিটো ললে। ৮পাচে তেওঁ তেওঁবিলাকক পঠাই কলে, “তোমালোকে যোৱা আৰু লৰাটিক ভালদৰে বিচাৰিবা। আৰু বিচাৰি পালে মোকো জনাবাহি, যাতে মইয়ো গৈ তেওঁক সেৱা কৰিব পাৰোঁ।”

৯ৰজাৰ কথা শুনি তেওঁলোকে পুনৰ যাত্ৰা কৰিলে, আৰু যি তৰাক তেওঁলোকে পূব আকাশত দেখা পাইছিল সেই তৰাটি তেওঁলোকৰ আগে আগে গৈ যি ঠাইত শিশুটি আছিল তাৰ ওপৰত ৰৈ থাকিল। ১০তেওঁলোকে ইয়াক দেখা পাই নথৈ আনন্দিত হ'ল।

১১আৰু তেওঁলোকে ঘৰৰ ভিতৰলৈ সোমাই শিশুটি মাক মৰিয়মৰ সৈতে দেখা পালে। আৰু মূৰ দোঁৱাই সেৱা জনালে, আৰু নিজৰ নিজৰ টোপোলা মেলি বহুমূলীয়া, সোণ, ধূনা আৰু গন্ধৰস তেওঁক উপহাৰ দিলে। ১২হেৰোদৰ ওচৰলৈ উভতি নাযাবলৈ ঈশ্বৰে তেওঁলোকক সপোনত সতৰ্ক কৰি দিয়াত, তেওঁলোকে আন বাটেৰে নিজৰ নিজৰ দেশলৈ উভতি গুচি গ'ল।

### যীচুক পিতৃ-মাতৃয়ে মিচৰলৈ নিয়া

১৩জ্যোতিষী পণ্ডিতসকল যোৱাৰ পাচত, প্ৰভুৰ দূত এজনে যোচেফক সপোনত দেখা দি ক'লে, “উঠা! শিশুটি আৰু তেওঁৰ মাকক লৈ মিচৰ দেশলৈ গোপনে পলাই যোৱা। আৰু মই নোকোৱা পৰ্যন্ত তাতে থাকিবা, কাৰণ হেৰোদে এই লৰাটিক বধ কৰিবলৈ বিচাৰি ফুৰিব।”

১৪তেতিয়া যোচেফে উঠি লৰাটিক আৰু তেওঁৰ মাকক লৈ ৰাতিয়েই মিচৰ দেশলৈ ৰাওঁনা হল। ১৫আৰু হেৰোদৰ মৃত্যু নোহোৱালৈকে তেওঁলোক তাতে থাকিল। ভাৱবাদীৰ দ্বাৰা(হৈ) প্ৰভূৱে যেনেকৈ কৈছিল, “মই মোৰ পুত্ৰক মিচৰ দেশৰ পৰা মাতিলোঁ।” সেই কথা সিদ্ধ হবলৈ এইদৰে ঘটিল।[c]

### বৈৎলেহেমৰ সকলো শিশু ল'ৰাক হেৰোদ ৰজাই বধ কৰা

১৬যেতিয়া হেৰোদ ৰজাই, জ্যোতিষী পণ্ডিত সকলে তেওঁক প্ৰতাৰনা কৰিলে বুলি জানিলে, তেওঁ খঙত জ্বলি পকি উঠিল। তেওঁ বৈৎলেহেম আৰু তাৰ ওচৰে পাঁজৰে থকা দুবছৰীয়া বা তাতোতকৈ কম বয়সীয়া সকলো শিশু লৰাক বধ কৰিবলৈ দিলে (জ্যোতিষী পণ্ডিত সকলৰ পৰা জনা সময়ৰ ওপৰত ভিত্তি কৰি) ১৭যিৰিমিয়া ভাৱবাদীয়ে কোৱা বাক্য এইদৰেই সিদ্ধ হল: তেওঁ কৈছিল:

১৮ “ৰামাত মহাশোক আৰু বিলাপৰ শব্দ শুনা গল;
ৰাহেলে তেওঁৰ নিজৰ সন্তান বিলাকৰ কাৰণে
কান্দিছে;
কোনেও তেওঁক শান্তনা দিব পৰা নাই,
কাৰণ তেওঁৰ সন্তান বিলাকক মাৰি পেলোৱা
হৈছিল।” *যিৰিমিয়া ৩১:১৫*

### যোচেফ আৰু মৰিয়ম মিচৰৰ পৰা উভতি অহা

১৯পাছে হেৰোদৰ মৃত্যুৰ পাছত মিচৰ দেশত যোচেফক, প্ৰভুৰ এজন স্বৰ্গদূতে সপোনত দৰ্শন দিলে ২০আৰু তেওঁক কলে, “উঠা, লৰাটি আৰু মাকক লৈ ইস্ৰায়েল দেশলৈ যোৱা কিয়নো যি সকলে লৰাটিক বধ কৰিবলৈ বিচাৰিছিল তেওঁবিলাক মৰিল।”

[a] **১:২৩** উদ্ধৃত যিচয়া ৭:১৪
[b] **২:১ জ্যোতিষী পণ্ডিত** গ্ৰীক শব্দত “মাগী” ব্যৱহাৰ কৰা হৈছে। সম্ভৱত দেৱপূজক বিদ্ধানপণ্ডিত সকলে তৰা নক্ষত্ৰ অধ্যয়ন কৰি।
[c] **২:১৫** উদ্ধৃত হোচেয়া ১১:১

২১তেতিয়া যোচেফ উঠি থিয় হৈ লৰাটি আৰু মাকক
লৈ ইস্ৰায়েল দেশলৈ গল। ২২কিন্তু যিহূদিয়াত আৰ্খিলায়ে
তেওঁৰ পিতৃ হেৰোদৰ পদ পাই ৰাজ্য শাসন কৰি আছে
বুলি যোচেফে তালৈ যাবলৈ ভয় কৰিলে। পাছে সপোনত
প্ৰভুৰ পৰা সৰ্তকবাণী পাই তেওঁলোক গালীল প্ৰদেশলৈ গল,
২৩আৰু তাত নাচৰত [a] নামৰ নগৰত ঘৰ বনাই বাস কৰিবলৈ
ললে, এনেদৰেই যিচয়া ভাৰবাদীৰ দ্বাৰা কোৱা "তেওঁক
নাচৰতীয়া বোলা হব" যি বাক্য সিদ্ধ হল।

## যোহনে যীচুৰ বাবে পথ প্ৰস্তুত কৰে

*(মাৰ্ক ১:১–৮; লূক ৩:১–৯, ১৫–১৭; যোহন ১:১৯–২৮)*

৩ ১সেই সময়ত যিহূদীয়াৰ অৰণ্য অঞ্চলত যোহন
বাপ্তাইজকে ঈশ্বৰৰ বাৰ্তা প্ৰচাৰ কৰিব ধৰিলে,
২"তোমালোকৰ জীৱন আৰু মন পালটন কৰা কিয়নো
স্বৰ্গৰাজ্যৰ আগমন নিচেই ওচৰ হল এই বুলি তেওঁ ঘোষণা
কৰিলে।" ৩কিয়নো যিচয়া ভাবৱাদীৰ দ্বাৰা যোহনৰ বিষয়ে
কোৱা যি বাক্য,

"অৰণ্যৰ পৰা কোনোবাই ৰিঙিয়াই কৈছে:
'প্ৰভূৰ বাবে পথ যুগুত কৰা
আৰু তেওঁৰ বাবে বাট পোন কৰা।'" *যিচয়া ৪০:৩*

সেইজনেই এই যোহন। ৪যোহনে উটৰ নোমৰ কাপোৰ
আৰু ককাঁলত ছালৰ টঙালি বান্ধিছিল। আহাৰৰ বাবে
তেওঁ কচুৰাফৰিং আৰু হাবিৰ মৌ খাইছিল। ৫সেই সময়ত
জেৰুচালেমৰ আশে-পাশে থকা যিহূদীয়াৰ আটাই অঞ্চলৰ
আৰু যৰ্দন নদীৰ কাষৰ সকলো লোকসমূহ তেওঁৰ ওচৰলৈ
আহিল ৬আৰু তেওঁলোকে নিজৰ নিজৰ পাপসমূহ স্বীকাৰ
কৰিলে আৰু যোহনে তেওঁলোকক যৰ্দন নদীত বাপ্তিস্ম
দিলে।
৭তেতিয়া তেওঁ অনেক ফৰীচী আৰু চদ্দূকী বিলাকক
তেওঁৰ ওচৰত বাপ্তিস্ম লবলৈ অহা দেখা পাই তেওঁলোকক
কলে, "হে সৰ্পৰ বংশ! আগলৈ হবলগা ক্ৰোধৰ পৰা
সাৰিবলৈ তোমালোকক কোনে বুদ্ধি দিলে? ৮তোমালোকে
যে মন পৰিবৰ্তন কৰিছা তাৰ প্ৰমাণ দিব লগা হব ৯আৰু
আব্ৰাহাম আমাৰ পিতৃ বুলি কোৱাই যথেষ্ট নাভাবিবা, কাৰণ
মই তোমালোকক কওঁ ঈশ্বৰে আব্ৰাহামলৈ এই শিলবোৰৰ
পৰাও সন্তান উৎপন্ন কৰিব পাৰে। ১০এতিয়াই গছৰ গুৰিত
কুঠাৰ লাগি আছে, আৰু যি গছে ভাল ফল নধৰে তাক কাটি
জুইত পেলোৱা যাব।
১১"মই তোমালোকৰ মন পালটনৰ অৰ্থে পানীত বাপ্তিস্ম
কৰিছোঁ, কিন্তু যি জনা মোতকৈ পাছত আহিব লগীয়া
আছে তেওঁ মোতকৈও মহান। মই তেওঁৰ পাদুকাৰ বান্ধ
খুলিবলৈয়ো যোগ্য নহও, তেওঁ তোমালোকক পবিত্ৰ আত্মা
আৰু জুইৰে বাপ্তিস্ম কৰিব। ১২তেওঁৰ হাতত কুলা আছে
যিহেৰে দানাক ভূচিৰ পৰা পৃথক কৰে। নিজৰ ভৰাল
ভালকৈ পৰিষ্কাৰ কৰি সকলো দানাক এক গোট কৰি
ভৰাঁলত থব আৰু ভূচিক কেতিয়াও নুনুমুওৱা জুইত পূৰিব।"

## যোহনৰ দ্বাৰা যীচুৰ বাপ্তিস্ম

*(মাৰ্ক ১:৯–১১; লূক ৩:২১–২২)*

১৩সেই সময়ত যীচুৱে গালীলৰ পৰা আহি যৰ্দন নদীৰ পাৰত
যোহনৰ ওচৰত তেওঁৰ দ্বাৰাই বাপ্তিস্ম লবলৈ আহিল।
১৪কিন্তু যোহনে যীচুক বাধা দিবলৈ চেষ্টা কৰি কলে,
"মোৰহে স্বয়ং আপোনাৰ দ্বাৰা বাপ্তিস্ম লোৱাৰ আৱশ্যক
আছে; এনে স্থলত আপুনি কিয় মোৰ ওচৰলৈ আহিছে?"
১৫উত্তৰত যীচুৱে তেওঁক কলে, "এতিয়া এনে ধৰণেই
হবলৈ দিয়া। ঈশ্বৰে বিচৰা যি তাক সিদ্ধ কৰিবলৈ আমি
এনেদৰে কৰা উচিত।" তাতে যোহনে সেইদৰে কৰিবলৈ
মান্তি হল।
১৬আৰু যীচুৱে যেতিয়া বাপ্তিস্ম লৈ পানীৰ পৰা ওলোৱাৰ
লগে লগেই তেওঁলৈ [b] আকাশ মুকলি হল, আৰু তেওঁ
ঈশ্বৰৰ আত্মাক কপৌৰ নিচিনা নিজৰ ওপৰত নামি অহা
দেখিলে। ১৭তেতিয়া স্বৰ্গৰ পৰা এক বাণী শুনা গ'ল, "এওঁ
মোৰ প্ৰিয় পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট।"

## যীচু খ্ৰীষ্টৰ পৰীক্ষা

*(মাৰ্ক ১:১২–১৩; লূক ৪:১–১৩)*

৪ ১পাচে আত্মাই যীচুক অৰণ্যলৈ চয়তানৰ দ্বাৰা
পৰীক্ষিত হবলৈ লৈ গল। ২চল্লিশ দিন আৰু চল্লিশ
ৰাতি অনাহাৰে থকাৰ পাছত তেওঁৰ ভোক লাগিলত
৩তেতিয়া পৰীক্ষকে [c] তেওঁৰ ওচৰলৈ আহি কলে, "তুমি
যদি ঈশ্বৰৰ পুত্ৰ হোৱা তেন্তে এই শিলবোৰক পিঠালৈ
পৰিণত হবলৈ আজ্ঞা দিয়া।"
৪যীচুৱে উত্তৰ দিলে, "শাস্ত্ৰত লিখা আছে,

'মানুহ কেৱল পিঠাৰেই নিজীয়ে
কিন্তু ঈশ্বৰৰ মুখৰ পৰা ওলোৱা প্ৰত্যেক
বাক্যৰেহে জীৱ।'" *দ্বিতীয় বিবৰণ ৮:৩*

৫তেতিয়া চয়তানে তেওঁক পৱিত্ৰ নগৰ জেৰুচালেমলৈ
লৈ গল। তাত মন্দিৰৰ কলচীৰ ওপৰত থিয় কৰাই ৬তেওঁক
কলে, "তুমি যদি ঈশ্বৰৰ পুত্ৰ হোৱা তেন্তে জাপ মাৰি
নিজকে তললৈ পেলাই দিয়া, কিয়নো শাস্ত্ৰত লিখা আছে,

'তেওঁ নিজৰ দূতবিলাকক আজ্ঞা দিব,
আৰু তোমাৰ ভৰি যেন শিলত খুন্দা নাখায়
এই নিমিতে তেওঁবিলাকে তোমাক হাতেৰে দাঙি
ধৰিব।'" *গীতমালা ৯১:১১–১২*

[a] **২:২৩ নাচৰত** নাচৰত নগৰৰ লোকক নাচৰতীয় বুলি কোৱা হয়। এই নাম ইব্ৰী শব্দ ডাল'ৰ নিচিনা শুনায়। যিচয়া ১১:১

[b] **৩:১৬ তেওঁলৈ** নিৰ্ভৰযোগ্য বহুতো পুৰনি লিপিত 'তেওঁলৈ' নাই।

[c] **৪:৩ পৰীক্ষক** চয়তান বুজায়।

৭যীচুৱে উত্তৰ দিলে, "তোমাৰ প্ৰভু পৰমেশ্বৰক পৰীক্ষা
নকৰিবা।"[a] এই বুলিও শাস্ত্ৰত লিখা আছে।
৮পাচে আকৌ চয়তানে যীচুক এটা ওখ পৰ্বতলৈ লৈ গৈ
জগতৰ, সকলো ৰাজ্য আৰু সেইবোৰৰ সকলো সম্পত্তি
দেখুৱালে। ৯আৰু চয়তানে তেওঁক কলে, "তুমি যদি মূৰ
তল কৰি মোক প্ৰণাম কৰা তেন্তে এই সকলোবোৰ তোমাক
দিম।"
১০তেতিয়া যীচুৱে তেওঁক কলে, "দূৰ হ চয়তান! কিয়নো
শাস্ত্ৰত লিখা আছে,

'তোমাৰ প্ৰভু পৰমেশ্বৰক উপাসনা কৰা
আৰু কেৱল তেওঁৰেই সেৱা কৰা!'"

*দ্বিতীয় বিবৰণ ৬:১৩*

১১তেতিয়া চয়তানে তেওঁক এৰি গুচি গল, আৰু স্বৰ্গৰ
দূতসকলে আহি তেওঁক সেৱা-শুশ্ৰূষা কৰিলে।

## গালীলত যীচুৰ কাৰ্য্য আৰম্ভ

*(মাৰ্ক ১:১৪–১৫; লূক ৪:১৪–১৫)*

১২যীচুৱে যেতিয়া যোহনক বন্দী কৰা হল বুলি শুনিবলৈ
পালে, তেওঁ গালীললৈ উভতি আহিল। ১৩কিন্তু তেওঁ
নাচৰতত নাথাকি আগলৈ গৈ কফৰনাহুমৰ, জুবলুন আৰু
নাপ্তালীৰ অঞ্চলৰ গালীল সৰোবৰৰ পাৰত থাকিবলৈ ললে।
১৪ঈশ্বৰে যিচয়া ভাববাদীৰ দ্বাৰা যি কোৱাইছিল,সিদ্ধ হবলৈ
এইদৰে ঘটিল।

১৫ "শুনা, জুবলুন আৰু নাপ্তালী দেশ সমূদ্ৰৰ ওচৰৰ পথ,
আৰু যৰ্দন নদীৰ পশ্চিমে অ-যিহুদীবিলাকৰ দেশ
গালীলত
১৬ যিবিলাকে অন্ধকাৰত জীৱন কটাইছিল,
তেওঁবিলাকে এক মহান জ্যোতি দেখিবলৈ পালে,
আৰু যিবিলাকে মৃত্যুৰ ছায়াঁত আছিল তেওঁবিলাকৰ
ওপৰত জ্যোতি উদয় হল,
সেই বাক্য পূৰ্ণ হবলৈ এইদৰে ঘটিল।"

*যিচয়া ৯:১–২*

১৭সেই সময়ৰ পৰা যীচুৱে শুভ-সংবাদ প্ৰচাৰ কৰিবলৈ
আৰম্ভ কৰিলে যে, "তোমালোকৰ হৃদয় আৰু জীৱন
পৰিবৰ্ত্তন কৰা! কিয়নো ঈশ্বৰৰ ৰাজ্য ওচৰ হল।"

## যীচুৱে কেইজনমান শিষ্যক বাছি লোৱা

*(মাৰ্ক ১:১৬–২০; লূক ৫:১–১১)*

১৮পাচে যীচুৱে গালীল সৰোবৰৰ পাৰেদি যাওঁতে তেওঁ
দুজন ককাই-ভাইক দেখা পালে, চিমোন (যাক পিতৰো
বোলে) আৰু তেওঁৰ ভায়েক আন্দ্ৰিয়ক। তেওঁলোকে
সৰোবৰত জাল বাই আছিল। কিয়নো তেওঁলোক মাছমৰীয়া
আছিল। ১৯যীচুৱে তেওঁলোকক কলে, "মোৰ পাছে পাছে
আঁহা মই তোমালোকক মাছ ধৰা সলনি মানুহ ৰুপী মাছ
কেনেকৈ ধৰা হয় শিকাম। এতিয়াৰ পৰা তোমালোকে
মানুহ গোটাবা, মাছ নহয়।" ২০তেওঁলোকে ততালিকে
নিজৰ জাল সমূহ এৰি তেওঁৰ পাছ ললে।
২১আকৌ তাৰ পৰা অলপ আগুৱাই গৈ তেওঁ চিবদিয়ৰ
পুত্ৰ যাকোব আৰু তেওঁৰ ভায়েক যোহনক পিতাকৰ সৈতে
জাল বাতি থকা দেখা পালে। যীচুৱে তেওঁলোকক মাতিলে।
২২আৰু তেওঁলোকে তৎক্ষণাত নাও আৰু নিজৰ পিতৃক
এৰি থৈ তেওঁৰ পাছে পাছে গল।

## যীচুৱে শিক্ষা দিয়া আৰু ৰোগ সুস্হ কৰা

*(লূক ৬:১৭–১৯)*

২৩যীচুৱে গালীল প্ৰদেশৰ সকলো অঞ্চলৰ যিহুদী নাম-ঘৰ
বোৰত ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তাৰ শিক্ষা দি সকলো ধৰণৰ
ৰোগ আৰু নৰিয়াত পৰা বিলাকক সুস্থ কৰি ঘূৰি ফুৰিলে।
২৪এনেতে তেওঁৰ খ্যাতি সমগ্ৰ চিৰিয়া দেশখনত বিয়পি
গলত লোকসমূহে সকলো ধৰণৰ নৰিয়াত পৰা ব্যক্তি, বিভিন্ন
ধৰণৰ ৰোগত আৰু যাতনাত পীড়িত লোক, আৰু অশুচি
আত্মাই ধৰা ব্যক্তি, আৰৰীয়া লোক, জঠৰ ৰোগীবিলাকক
তেওঁৰ ওচৰলৈ আনিলত যীচুৱে তেওঁবিলাকক সুস্থ
কৰিলে। ২৫সেই কাৰণে, গালীল, দিকাপলি,[b] জেৰুচালেম,
যিহুদীয়া আৰু যৰ্দন নদীৰ সিপাৰৰ, লোকৰ ডাঙৰ ডাঙৰ
জুম তেওঁক অনুসৰন কৰি যাবলৈ ললে।

## যীচুৱে লোকসমূহ শিক্ষা দিয়া

*(লূক ৬:২০–২৩)*

**৫** ১যেতিয়া যীচুৱে লোকসমূহৰ ডাঙৰ জুমটো দেখা
পাই, তেওঁ এটা পৰ্বতৰ ওপৰলৈ গৈ বহিল, তালৈকে
তেওঁৰ শিষ্যবিলাক তেওঁৰ ওচৰলৈ আহিল ২তেতিয়া
যীচুৱে শিক্ষা দিওঁতে তেওঁলোকক কলে,

৩ "আত্মাত দৰিদ্ৰ থকা বিলাক ধন্য;
কিয়নো স্বৰ্গৰাজ্য তেওঁবিলাকৰ।
৪ শোক কৰা বিলাক ধন্য,
কিয়নো তেওঁলোকক ঈশ্বৰে শান্তনা দিব।
৫ নম্ৰ বিলাক ধন্য,
কিয়নো তেওঁবিলাকে ঈশ্বৰে অঙ্গীকাৰ কৰা
দেশখন অধিকাৰ কৰিব,[c]

[a] ***৪:৭*** উদ্ধৃত দ্বি. বি. ৬:১৬

[b] ***৪:২৫* দিকাপলি** গ্ৰীক ভাষাত ইয়াৰ অৰ্থ হল দহটা খন নগৰ। গালীল সৰোবৰৰ পূবে অৱস্থিত এটা সময়ত দহটা মূখ্য নগৰ বোৰ আছিল।

[c] ***৫:৫* তেওঁবিলাকে … অঙ্গীকাৰ কৰা** ইয়াৰ অৰ্থ গীতমালা ৩৭:১১ পোৱা যায়। ইয়াত হয়তো এইটো এটা আত্মিকতাৰ প্ৰতিজ্ঞাৰ দেশ বুজাব পাৰে, কিন্তু ইয়াকো বুজায় যে পৃথিবীখনেই তেওঁলোকৰ হয়।

৬ ধাৰ্মিকতালৈ ভোক পিয়াহ লগা বিলাক ধন্য,
কিয়নো ঈশ্বৰে তেওঁলোকক তৃপ্ত কৰাব।
৭ দয়ালু বিলাক ধন্য,
কিয়নো তেওঁবিলাকৰ ওপৰত দয়াৰ আশীৰ্বাদ
পৰিব।
৮ নিৰ্মল চিত্তৰ লোকবিলাক ধন্য,
কিয়নো তেওঁবিলাকে ঈশ্বৰৰ দৰ্শন পাব।
৯ শান্তিৰ কাৰণে কাম কৰা বিলাক ধন্য,
কিয়নো তেওঁবিলাক ঈশ্বৰৰ সন্তান বুলি প্ৰখ্যাত
হব।
১০ ধাৰ্মিকতাৰ কাৰণে যাতনা পোৱাবিলাক ধন্য,
কিয়নো ঈশ্বৰৰ ৰাজ্য তেওঁলোকৰ।

১১“মোৰ হোৱাৰ (মোৰ অনুগামীহোৱাৰ) বাবে
লোকসমূহে তোমালোকক তাড়না, নিন্দা, মিছা অপবাদ,
কু-কথা, আৰু অপমান কৰিব তেতিয়া তোমালোকে
আৰ্শীবাদ পাবা। ১২তেতিয়া তোমালোকে আনন্দ কৰা,
উল্লাসিত হোৱা, কিয়নো স্বৰ্গত তোমালোকে পুৰস্কাৰ
পাবা। পূৰ্বৰ ভাৰবাদী সকলক লোকসমূহে এনেদৰেই
তাড়না কৰিছিল।

### তোমালোক লোণ আৰু পোহৰৰ দৰে

*(মাৰ্ক ৯:৫০; ৪:২১; লূক ১৪:৩৪–৩৫; ৮:১৬)*

১৩“তোমালোক পৃথিৱীৰ মানুহবিলাকৰ কাৰণে লোণৰ
দৰে [a] কিন্তু যদি লোণৰ সোৱাদ গুচি যায় তেন্তে তাক
পুনৰায় কিহেৰে লুণীয়া কৰা যাব? তেতিয়াৰ পৰা ই একো
কামৰ নহয়, কেৱল বাহিৰলৈ পেলোৱাৰ আৰু মানুহৰ
গচকাৰ বাহিৰে।
১৪“তোমালোক জগতৰ মানুহবিলাকৰ কাৰণে পোহৰ,
এনে এটা নগৰ যিটো পৰ্ব্বতৰ ওখ শৃংগত অৱস্থিত যিটো
গুপ্ত হব নোৱাৰে। ১৫মানুহে চাকি জ্বলাই দোণৰ তলত নহয়
কিন্তু গছাৰ ওপৰত হে থয় যাতে ঘৰৰ সকলোকে পোহৰ
দিয়ে। ১৬এতেকে তোমালোকৰ পোহৰ লোকসমূহলৈ
এনেকৈ প্ৰকাশিত হওক যাতে লোকসমূহে তোমালোকৰ
ভাল কৰ্মবিলাক দেখি তোমালোকৰ স্বৰ্গস্থিত পৰম পিতৃৰ
প্ৰশংসা কৰে।”

### যীচু আৰু পুৰণি নিয়মৰ লিখনি

১৭“মই মোচিৰ বিধান বা ভাৰবাদী সকলৰ উপদেশ বিনষ্ট
কৰিবলৈ আহিছোঁ বুলি নাভাবিবা। মই বিনষ্ট কৰিবলৈ নহয়,
কিন্তু মোচিৰ বিধান আৰু ভাৰবাদীসকলৰ উপদেশ বিলাকৰ
প্ৰকৃত অৰ্থ লোকবিলাকক শিকাবলৈহে আহিছো। ১৮মই
তোমালোকক সত্য কওঁ যে পৃথিৱী আৰু আকাশ বিনষ্ট
নহয় মানে আৰু সকলো সিদ্ধ নহয় মানে মোচিৰ বিধানৰ
কোনো এটা শব্দ আৰু কোনো এটা আখৰৰ বিন্দু এটাও
ইফাল-সিফাল নহব।
১৯“কোনোৱে যদি এই আজ্ঞাবোৰৰ ক্ষুদ্ৰ অংশও পালন
নকৰে আৰু আন বিলাককো পালন নকৰিবলৈ শিকায়,
তেওঁক ঈশ্বৰৰ ৰাজ্যত সকলো বিলাকতকৈ ক্ষুদ্ৰ বুলি
গণ্য কৰা হব। কিন্তু যিবিলাকে এই সকলোবোৰ বিধান
পালন কৰে আৰু আনবিলাককো সেইদৰে পালন কৰি
মনি চলিবলৈ শিকায় তেওঁক ঈশ্বৰৰ ৰাজ্যত মহান বুলি
গণ্য কৰা হব। ২০গতিকে মই তোমালোকক সচাঁকৈ কওঁ
যেতিয়ালৈকে বিধান পণ্ডিত আৰু ফৰীচীবিলাকতকৈ
তোমালোকৰ ধাৰ্মিকতা যদি অধিক নহয় তেনেহলে
তোমালোকে ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰিবা।

### খঙৰ বিষয়ে যীচুৰ শিক্ষা

২১“আমাৰ পূৰ্বপুৰুষ সকলে কোৱা তোমালোকে শুনিবলৈ
পাইছিলা যে, ‘নৰবধ নকৰিবা[b] আৰু যি কোনোৱে নৰবধ
কৰে তেওঁ সোধবিচাৰত দণ্ডৰ পাত্ৰ হব।’ ২২কিন্তু মই
তোমালোকক কওঁ যে, যি জনে নিজৰ ভায়েকক খং কৰে
তেওঁৰ সোধ বিচাৰ কৰা হব। আৰু যিজনে নিজৰ ভায়েকক
অপমান কৰে তেওঁক মহা-সভাৰ আগত সোধ-বিচাৰ কৰা
হব। আৰু যদি কোনোবাই নিজ ভাইক মূৰ্খ বুলি কয় তেন্তেঁ
তেওঁক নৰকৰ অগ্নিকুণ্ডত মাজত পেলোৱা যাব।
২৩“সেয়েহে তোমালোকে বেদীত নৈবেদ্য উৎসৰ্গ কৰাৰ
সময়ত, তোমাৰ ভায়েৰাৰ তোমাৰ বিৰুদ্ধে যদি কিবা আছে
বুলি মনত পৰে ২৪তেন্তে তোমাৰ নৈবেদ্য তাতে এৰি থৈ
প্ৰথমে তোমাৰ ভায়েৰাৰ সৈতে মিল হোৱা আৰু ঘূৰি আহি
নৈবেদ্য উৎসৰ্গ কৰা।
২৫“কোনোৱে যদি তোমাৰ বিৰুদ্ধে মোকৰ্দমা কৰি;
তোমাক আদালতলৈ নিয়ে, তেন্তে সময় বিলম্ব নকৰাকৈ
আদালত পোৱাৰ আগতে বিবাদ নিষ্পত্তি কৰা। নহলে তেওঁ
তোমাক বিচাৰকৰ্তাৰ হাতত শোধাই দিব, বিচাৰকৰ্তাই
আৰক্ষীক শোধাই দিব, আৰু আৰক্ষীয়ে তোমাক
কাৰাগাৰত ভৰাই থব। ২৬মই তোমালোকক সচাঁকৈ কওঁ
যে তোমালোকে শেষ পইচাটিও পৰিশোধ নকৰালৈকে,
তাৰ পৰা কোনোমতে ওলাব নোৱাৰিবা।

### ব্যাভিচাৰৰ বিষয়ে যীচুৰ শিক্ষা

২৭“তোমালোকে কোৱা শুনিছা, ‘তুমি ব্যভিচাৰ নকৰিবা।’ [c]
২৮কিন্তু মই তোমালোকক কওঁ যি জনে তিৰোতা মানুহলৈ
কাম ভাৱেৰে চাই তেওঁ নিজৰ মনতে তেওঁৰে সৈতে
ব্যাভিচাৰ কৰিলেই। ২৯সেই কাৰণে তোমাৰ সোঁ চকুৱে
যদি তোমাক পাপ কৰোৱাই তেন্তে তাক উলিয়াই পেলোৱা
, কাৰণ গোটেই শৰীৰটো নৰকলৈ যোৱা পৰিবৰ্তে, শৰীৰৰ
এটা অংশ নষ্ট হোৱাই ভাল। ৩০আৰু যদি তোমাৰ সোঁ

[a] **৫:১৩ লোন** মৰু সাগৰৰ পৰা যীচুৰ দেশ। সেই অঞ্চলত নিমখৰ নিচিনা এবিধ খনিজ পদাৰ্থৰ সৃষ্টি হয়, যাৰ কোনো সোৱাদ নাই আৰু যেতিয়া জলীয় বাষ্প আহে ই গলি নাইকিয়া হয়, যি থাকে ব্যৱহাৰৰ অনুপযোগী।

[b] **৫:২১** উদ্ধৃত যাত্ৰা. ২০:১৩; দ্বি. বি. ৫:১৭
[c] **৫:২৭** উদ্ধৃত যাত্ৰা. ২০:১৪; দ্বি. বি. ৫:১৭

হাতে তোমাক পাপ কৰোৱাই তেন্তে তাক কাটি দলিযাই
পেলোৱা, কাৰণ গোটেই শৰীৰটো নৰকত যোৱাৰ পৰিবৰ্তে
তোমাৰ শৰীৰৰ এটা অংশ নষ্ট হোৱাই ভাল।

### বিবাহ বিচ্ছেদৰ বিষয়ে যীচুৰ শিক্ষা

*(মথি ১৯:৯; মাৰ্ক ১০:১১–১২; লূক ১৬:১৮)*

৩১“ইয়াকো কোৱা হৈছিল যে, ‘কোনোৱে যদি নিজৰ
ভাৰ্য্যাক ত্যাগ কৰে, তেন্তে তেওঁক লিখিতৰূপে ত্যাগ দিব
লাগিব।’[a] ৩২কিন্তু মই তোমালোকক কওঁ কোনোৱে যদি
নিজৰ ভাৰ্য্যাক ত্যাগ কৰে আৰু সেই ত্যাগ যদি তাইৰ
ব্যভিচাৰৰ বাবে নহয়, তেতিয়া সেই মানুহজনে তাইক
ব্যাভিচাৰিণী কৰায় আৰু কোনোৱে যদি ত্যাগ কৰা ভাৰ্য্যাক
বিয়া কৰায়, তেৱোঁ ব্যাভিচাৰ কৰে।

### প্ৰতিজ্ঞাৰ বিষয়ে যীচুৰে শিক্ষা

৩৩“তোমালোকে এইটোওঁ শুনিছা আমাৰ পূৰ্ব্ব পুৰুষ
সকলে কৈছিল যে, তোমালোকে তোমালোকৰ শপত
ভংগ নকৰিবা, কিন্তু প্ৰভুলৈ তোমালোকৰ যি শপত তাক
অটুটৰূপে পূৰ্ণ কৰিবা।[b] ৩৪কিন্তু মই তোমালোকক কওঁ যে,
তোমালোকে শপতেই নাখাবা; স্বৰ্গৰ নামত শপত নাখাবা
কাৰণ সেইখন ঈশ্বৰৰ সিংহাসন। ৩৫পৃথিৱীৰ নামতো শপত
নাখাবা কাৰণ সেয়ে তেওঁৰ ভৰিৰ পীৰা। জেৰুচালেমৰো
নামত শপত নাখাবা কাৰণ সেইখন মহান ৰজা ঈশ্বৰৰ
নগৰ ৩৬তোমালোকে নিজৰ মূৰত ধৰিও শপত নাখাবা
কাৰণ তোমালোকে মূৰৰ চুলি এডালো কলা বা বগা কৰিব
নোৱাৰা। ৩৭তোমালোকে যদি ভাৱা হয় তেন্তে হয় বুলি
কবা আৰু যদি নহয় বুলি ভাৱা তেন্তে নহয় কবা কিন্তু
ইয়াতকৈ যদি কিবা বেছিকৈ কোৱা তেন্তে সেইটো পাপ
আত্মাৰ দ্বাৰাইহে কোৱা হব।

### প্ৰত্যাক্ৰমণৰ বিষয়ে যীচুৰ শিক্ষা

*(লূক ৬:২৯–৩০)*

৩৮“আমাৰ পূৰ্ব পুৰুষে কোৱা তোমালোকে শুনিছিলা, যে
চকুৰ সলনি চকু, আৰু দাতঁৰ সলনি দাঁত।[c] ৩৯কিন্তু মই
তোমালোকক কওঁ, কোনো অনিষ্টকাৰী ব্যক্তিৰ বিৰুদ্ধে
নাযাবা। কোনোবাই যদি তোমাৰ সোঁ গালখনত চৰ মাৰে;
তেন্তে তেওঁলৈ সিখন গালো পাতি দিবা। ৪০কোনোৱে যদি
তোমাৰ ওপৰত গোচৰ তৰি তোমাৰ পৰা চোলাটো লয়
তেন্তে তেওঁক তোমাৰ বৰচোলাটোও দি দিবা। ৪১কোনো
মানুহে যদি তোমাক জোৰকৈ এক কিলোমিটাৰ[d] বাট নিয়ে,
তেন্তে তেওঁৰ লগত তুমি দুই কিলোমিটাৰ বাট যাবা। ৪২যদি
কোনোৱে তোমাৰ পৰা কিবা খোজে, তেওঁক সেইটো
দিবা। কোনোৱে যদি তোমাৰ পৰা কিবা ধাৰ লব বিচাৰে,
তেওঁলোকক বিমুখ নকৰিবা।

### তোমাৰ শত্ৰুক প্ৰেম কৰা

*(লূক ৬:২৭–২৮, ৩২–৩৬)*

৪৩“তোমালোকে এইদৰে কোৱা শুনিছিলা যে তোমাৰ
চুবুৰীয়াক প্ৰেম কৰিবা[e] আৰু তোমাৰ শত্ৰুক ঘিণ
কৰিবা। ৪৪কিন্তু মই তোমালোকক কওঁ, তোমালোকে
তোমালোকৰ শত্ৰুক প্ৰেম কৰিবা, আৰু যিবিলাকে
তোমালোকক তাড়না কৰে সিবিলাকৰ কাৰণে প্ৰাৰ্থনা
কৰিবা ৪৫তেতিয়াহে তোমালোকে স্বৰ্গত থকা পিতৃৰ সন্তান
বুলি পৰিচয় পাবা। কিয়নো তেওঁ দুষ্ট আৰু সন্ত সকলোৰে
বাবে সূৰ্য্য উদয় হবলৈ দিয়ে আৰু ধাৰ্মিক অধাৰ্মিক
সকলোৰে বাবে বৰষুণ বৰষায়। ৪৬যিবিলাকে তোমালোকক
প্ৰেম কৰে আৰু যদি তোমালোক কেৱল সিহতকে প্ৰেম
কৰা তেন্তে তোমালোক কি পাবা; কৰতোলা বিলাকেও
একেই নকৰেনে? ৪৭তোমালোকে যদি কেৱল ভাই-বন্ধুকে
গ্ৰহণ কৰা তেন্তে আনলোকতকৈ অধিক কিনো কৰিলা?
অবিশ্বাসী বিলাকেও তাকেই নকৰে জানো? ৪৮এই হেতুকে
তোমালোকৰ স্বৰ্গত থকা পিতৃ যেনে সিদ্ধ তোমালোকেও
একেদৰেই সিদ্ধ হোৱা।

### দানৰ বিষয়ে শিক্ষা

৬ ১“সাৱধান হোৱা! আনক দেখুৱাবলৈ ধৰ্ম-কৰ্ম
নকৰিবা, তেনে কৰিলে, স্বৰ্গত থকা তোমালোকৰ
পিতৃৰ পৰা একো পুৰস্কাৰ নাপাবা।

২“সেয়ে কপটীয়াবিলাকে লোকসমূহৰ পৰা প্ৰশংসা
পাবলৈ নাম ঘৰে ঘৰে, বাটৰ কাষে কাষে প্ৰচাৰ কৰি
ফুৰা দৰে, তোমালোকে কোনো দৰিদ্ৰক দান দিওঁতে
ঢোল-কোবাই নুফুৰিবা। মই তোমালোকক সত্য কওঁ
যে তেওঁলোকে তেওঁলোকৰ পুৰস্কাৰ পালেই। ৩কিন্তু
তোমালোকে যেতিয়া কোনো দৰিদ্ৰক দান দিয়া, তেতিয়া
তুমি যি কৰিছা তাক আনকাকো যেন জানিবলৈ নিদিয়া;[f]
৪তেহে তোমালোকৰ দান গুপুত হ’ব আৰু গুপুতে দেখি
থকা স্বৰ্গৰ পিতৃয়ে তোমালোকক পুৰস্কৃত কৰিব।

### প্ৰাৰ্থনাৰ বিষয়ে যীচুৰ শিক্ষা

*(লূক ১১:২–৪)*

৫“তোমালোক কপটীয়াবিলাকৰ নিচিনা প্ৰাৰ্থনা নকৰিবা।
কিয়নো যিহুদী বিলাকে নাম ঘৰে, ঘৰে আলিবাটৰ চুকে
চুকে থিয় হৈ মানুহক দেখুৱাবলৈ প্ৰাৰ্থনা কৰি ভাল পায়।
মই তোমালোকক সচাঁকৈ কওঁ তেওঁবিলাকে তেওঁলোকৰ
পুৰস্কাৰ পালেই। ৬গতিকে তোমালোকে তেতিয়া প্ৰাৰ্থনা

[a] **৫:৩১** উদ্ধৃত দ্বি. বি. ২৪:১
[b] **৫:৩৩** লেবী ১৯:১২; গণনাপুস্তক ৩০:২; দ্বি. বি. ২৩:২১ চাওক।
[c] **৫:৩৮** উদ্ধৃত যাত্ৰা. ২১:২৪; লেবী ২৪:২০
[d] **৫:৪১ এক কিলোমিটাৰ** আক্ষৰিক ভাবে ৰোমান মাইল (১.৫ কিলোমিটাৰ)।
[e] **৫:৪৩** উদ্ধৃত লেবী ১৯:১৮
[f] **৬:৩ আনকাকো … নিদিয়া** আক্ষৰিকভাবে সোঁহাতে কি কৰে তাক বাওঁহাতক যেন জানিবলৈ নিদিয়া।

করা, তেতিয়া নিজৰ ভিতৰৰ কোঠাত সোমাই দুৱাৰ
বন্ধ কৰি গুপুতে থকা পিতৃৰ আগত প্ৰাৰ্থনা কৰিবা;
তেতিয়াহে গুপুতে দেখি থকা তোমালোকৰ স্বৰ্গীয় পিতৃয়ে
তোমালোকক পুৰস্কৃত কৰিব।
৭“যেতিয়া তোমালোক প্ৰাৰ্থনা কৰা; অবিশ্বাসী লোকৰ
দৰে একেটা কথাকে পুনৰুক্তি নকৰিবা। তেওঁলোকে
ভাৱে বেছিকৈ কথা কৈ প্ৰাৰ্থনা কৰিলেহে ঈশ্বৰে শুনিব।
৮সেয়ে তোমালোকে তেওঁবিলাকৰ দৰে নহবা; কিয়নো
তোমালোকৰ কি কি আৱশ্যকতা আছে তাক তোমালোকৰ
স্বৰ্গীয় পিতৃয়ে খোজাৰ আগেয়ে সকলোবোৰ জানে। ৯এই
হেতুকে তোমালোকে এনেদৰে প্ৰাৰ্থনা কৰিবা:

‘হে আমাৰ স্বৰ্গত থকা পিতৃ
তোমাৰ নাম পূজনীয় হওক।
১০ তোমাৰ ৰাজ্য পৃথিৱীলৈ নামি আহক
যেনেকৈ স্বৰ্গত তেনেকৈ পৃথিৱীতো, তোমাৰ
ইচ্ছাপূৰ্ণ হওক।
১১ আমাৰ প্ৰতিদিনৰ আহাৰ আজি আমাক দিয়া;
১২ আমাক অন্যায় কৰা লোকসকলক আমি যেনেকৈ
ক্ষমা কৰিলো
তেনেকৈ আমাৰ পাপো ক্ষমা কৰা।
১৩ আমাক পৰীক্ষালৈ নিনিবা,
কিন্তু পাপ আত্মাৰ পৰা আঁতৰাই ৰাখা।’ [a]

১৪যদি তোমালোকে আনৰ অপৰাধ ক্ষমা কৰা, তেন্তে
স্বৰ্গত থকা তোমালোকৰ পিতৃয়ে তোমালোকক ক্ষমা
কৰিব; ১৫কিন্তু যদি তোমালোকে আনৰ অপৰাধ ক্ষমা নকৰা,
তেন্তে স্বৰ্গত থকা তোমালোকৰ পিতৃয়ে তোমালোকৰো
অপৰাধ ক্ষমা নকৰিব।

### লঘোণৰ বিষয়ে শিক্ষা

১৬“যেতিয়া তোমালোকে লঘোণ দিবা, কপটীয়াবিলাকৰ
দৰে মুখ-বিবৰ্ণ কৰি নেদেখুৱাবা; কিয়নো তেওঁবিলাকে
মানুহক দেখুৱাবলৈ মুখ-বিবৰ্ণ কৰি লঘোণ দিয়ে। মই
তোমালোকক সচাকৈ কওঁ তেওঁলোকে তেওঁবিলাকৰ
প্ৰতিফল পালেই। ১৭কিন্তু তোমালোক যেতিয়া লঘোণ
দিবা হাত মুখ ধূই মুৰত তেল ঘঁাহিবা; ১৮কোনেওঁ যাতে
তোমালোকে লঘোন দিছা বুলি নাজানে, কেৱল গুপুতে
থকা তোমালোকৰ পিতৃয়ে জানিব আৰু গুপুতে কৰা কৰ্ম
দেখি পিতৃয়ে তোমালোকক পুৰস্কাৰ দিব।”

### তোমালোক দুজনা গৰাকীত খাটিব নোৱাৰা

*(লূক ১২:৩৩–৩৪; ১১:৩৪–৩৬; ১৬:১৩)*

১৯“নিজলৈ পৃথিৱীত ধন নাসাঁচিবা, কিয়নো পৃথিৱীত
তোমাৰ ধন পোক আৰু মামৰে ধ্বংস কৰিব, চুৰে তোমাৰ
ঘৰ ভাঙি সেইবোৰ চুৰ কৰিব। ২০কিন্তু নিজলৈ স্বৰ্গত ধন
সাঁচা যত পোকে খাব নোৱাৰে আৰু মামৰেও ক্ষয় কৰিব
নোৱাৰে, চুৰেও সিন্ধি খানি চুৰ কৰিব নোৱাৰে। ২১মনত
ৰাখিবা, যতে তোমালোকৰ ধন হব তাতে তোমালোকৰো
হৃদয় হব।
২২“শৰীৰৰ কাৰণে চকুৰেই একমাত্ৰ পোহৰৰ উৎস যদি
তুমি আতুৰত পৰা মানুহক নিস্বাৰ্থভাবে চোৱা আৰু সহায়
কৰা তুমি দ্বীপ্তিময় হৈ উঠিবা। ২৩যদি তুমি আতুৰত পৰা
মানুহক স্বাৰ্থপৰ দৃষ্টিৰে চোৱা তেতিয়া তুমি অন্ধকাৰত
ডুব যাবা। সেইদৰে অন্তৰত থকা তোমাৰ একমাত্ৰ পোহৰ
যদি প্ৰকৃততে আন্ধাৰ হয় তেনে হলে সেই আন্ধাৰ কিমান
ভয়ঙ্কৰ ধৰণৰ হব। [b]
২৪“এজন দাসে একেলগে একে সময়ত দুজন প্ৰভুৰ দাস
হব নোৱাৰে কিয়নো তেওঁ এজনক ঘৃণা কৰিব আনজনক
প্ৰেম কৰিব। এজনত আসক্তি হৈ আনজনক হেয়জ্ঞান
কৰিব। তোমালোকে ধন[c] আৰু ঈশ্বৰ দুয়োটাৰ একেলগে
সেৱা কৰিব নোৱাৰিবা।

### ঈশ্বৰৰ ৰাজ্য প্ৰথমত ৰাখা

*(লূক ১২:২২–৩৪)*

২৫“সেয়ে মই তোমালোকক কওঁ জীয়াই থকাৰ বাবে
কি খাম কি পান কৰিম তাৰ বাবে চিন্তা নকৰিবা। অথবা
শৰীৰৰ বাবে কি পিন্ধিম বুলি চিন্তা নকৰিবা। নিশ্চয়ে জীৱন
আহাৰতকৈ আৰু শৰীৰ বস্ত্ৰতকৈ শ্ৰেষ্ঠ। ২৬আকাশত উৰি
ফুৰা চৰাইবোৰলৈ চোৱা!, সেইবোৰে নৰয়, নাদায়, আৰু
ভৰাঁলতো সাঁচি নথয়, তথাপি তোমালোকৰ স্বৰ্গীয় পিতৃয়ে
সিহঁতৰ নিমিতে আহাৰ যোগায়। তোমালোক সেই চৰাই
বোৰতকৈ অধিক মূল্যবান নোহোৱানে? ২৭তোমালোকৰ
ভিতৰত এনে কোনোবা আছেনে? যিজনে নিজৰ জীৱন
আয়ুসৰ সময় চিন্তা কৰি এক ঘন্টাও বঢ়াব পাৰে?
২৮“আৰু তোমালোকে কাপোৰৰ কাৰণে কিয় চিন্তা
কৰা? বনৰীয়া ফুলবোৰ কেনেকৈ বাঢ়ে চোৱাচোন;
সিহঁতে শ্ৰমো নকৰে, নিজৰ বাবে কাপোৰো নবয়।
২৯কিন্তু মই তোমালোকক কওঁ চলোমন ৰজাইও তেওঁৰ
সকলো ঐশ্বৰ্য্যৰেও এই ফুলবোৰৰ এটিৰো সম বিভূষিত
নাছিল। ৩০যি বনৰীয়া বন[d] যি আজি আছে কাইলৈ তাক
জুইত পেলোৱা হব। ঈশ্বৰে যদি সেই বনকো বিভূষিত
কৰে তেন্তে হে অল্প বিশ্বাসীবিলাক সেইবোৰতকৈ অধিক
তোমালোকক বিভূষিত নকৰিবনে?

[a] **৬:১৩** কিছুমান গ্ৰীক লিপিত ৰাজ্য, মহিমা, শক্তি আৰু গৌৰব সদাসৰ্ব্বদায় তোমাৰেই হওক। আমেন।

[b] **৬:২২–২৩** আক্ষৰিকভাবে ২২ চকুৰেই শৰীৰৰ জ্যোতি হয়। গতিকে চকু যদি সত্যতাত থাকে তেন্তে গোটেই শৰীৰ দীপ্তিময় হয়। কিন্তু যদি চকুত মন্দতা থাকে তেনে হলে গোটেই শৰীৰ অন্ধকাৰময় হয়। সেই কাৰণে তোমালোকৰ লগত থকা জ্যোতি যদি আন্ধাৰ হয় তেনে হলে সেই আন্ধাৰ কিমান অধিক অন্ধকাৰময় হব।

[c] **৬:২৪ ধন** নাইবা ‘মামন’ আৰামিক শব্দ অৰ্থ ‘সম্পত্তি।’

[d] **৬:৩০ বনৰীৱা বন** পালেষ্টাইনৰ দেশৰ বহুত ঠাইত বৰ কম গছ গজে। সেয়ে মানুহবিলাকে বন আৰু খাইকে ইন্ধন হিচাপে ৰান্ধাৰ বাবে জলায়।

৩১“সেই বাবে তোমালোকে কি খাম, কি পিন্ধিম, এই বোৰৰ বিষয়ে চিন্তা নকৰিবা? ৩২অবিশ্বাসীবিলাকে এই বস্তুবোৰৰ বিষয়ে চিন্তা কৰে, কিন্তু তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে তোমালোকৰ কি আৱশ্যকতা আছে সকলো জানে। ৩৩সেই কাৰণে তোমালোকে প্ৰথমে ঈশ্বৰৰ ৰাজ্য ও ধাৰ্মিকতা বিচাৰা আৰু তেওঁ তোমালোকে কি কৰাটো বিচাৰিছে তাকে কৰা, তেহে তোমালোকক প্ৰয়োজনীয় সকলোবোৰ দিয়া হব। ৩৪এই হেতুকে কাইলৈৰ চিন্তা নকৰিবা, কালিৰ বাবে কাইলৈ চিন্তা কৰিবা প্ৰত্যেক দিনৰ যি কষ্ট দিনটোৰ বাবে সেয়াই যথেষ্ট।

## মানুহক বিচাৰ বিষয়ে যীচুৰ শিক্ষা

*(লূক ৬:৩৭–৩৮, ৪১–৪২)*

৭ ১“আনৰ বিচাৰ নকৰিবা তেহে তোমালোকৰো বিচাৰ কৰা নহব। ২যদি তুমি আনক কঠোৰ ভাৱে বিচাৰ কৰা, তোমাকো একেদৰেই বিচাৰ কৰা হব। তুমি আনক যেনে আচৰণ কৰা, ঈশ্বৰৰ পৰা তুমিও একে আচৰণ পাবা।

৩“তোমাৰ নিজৰ চকুৰ কুটা ডাললৈ মন নকৰি নিজৰ ভায়েৰাৰ চকুৰ কুটা ডাললৈ কিয় চোৱা? ৪তোমাৰ নিজৰ চকুত কুটা ডাল থাকিলে তুমি ভায়েৰাক কেনেকৈ কবা যে দিয়া তোমাৰ চকুৰ কুটা ডাল উলিয়াই দিও? ৫হে কপটীয়া, প্ৰথমতে নিজৰ চকুৰ কুটা ডাল উলিয়াই লোৱা তেতিয়াহে তোমাৰ ভায়েৰাৰ চকুত থকা কুটা ডাল ভালকৈ দেখা পাবা।

৬“কুকুৰ বিলাকক পৱিত্ৰ বস্তু নিদিবা; আৰু গাহৰিৰ আগত মুকুতা নেপেলাবা, অন্যথা গাহৰিয়ে সেই মুকুতা গছকি পেলাব, আৰু কুকুৰেও উলটি তোমাকে আক্ৰমণ কৰিব।” যি বিচৰা তাৰ বাবে ঈশ্বৰৰ প্ৰাৰ্থনা কৰি থাকা।

## প্ৰয়োজনীয়তাৰ বাবে ঈশ্বৰক খোজা

*(লূক ১১:৯–১৩)*

৭“ঈশ্বৰক বিচৰা তেহে তোমালোকক দিয়া হব, খোজা, তেহে পাবা; টুকুৰিওৱা তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হব। ৮কিয়নো যি জনে বিচাৰে তেওঁ পায়; যি জনে খোজে তেওঁক দিয়া হয়; আৰু যিজনে দুৱাৰত টুকুৰিয়াই তেওঁলৈ দুৱাৰ মুকলি কৰা হয়।

৯“তোমালোকৰ মাজত কোন জন বাপেকে পুতেকে যদি পিঠা খুজিলে তাক শিল দিব, ১০অথবা মাছ খুজিলে তাক সাঁপ দিব? এনে কোনেও নকৰে ১১এতেকে তোমালোক যদি বেয়া হৈও যদি সন্তানবোৰক ভাল বস্তু দিব জানা, তেনেহলে তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে তেওঁক খোজা বিলাকক তাতকৈ উত্তম বস্তু নিদিব জানো?

## এটা অতি দৰকাৰী নীতি

১২“তোমালোকে আনে যেনে ব্যৱহাৰ কৰিলে ভাল পোৱা তোমালোকেও আনক তেনেদৰেই ব্যৱহাৰ কৰিবা। কিয়নো এয়ে বিধানৰ ৰীতি আৰু ভাৱবাদী সকলৰ শিক্ষাৰ সাৰ।

## স্বৰ্গ আৰু নৰকলৈ যোৱা পথ

*(লূক ১৩:২৪)*

১৩“ঠেক বাটেদি তোমালোকে প্ৰকৃত জীৱনলৈ সোমাবা, কাৰণ বহল আৰু সহজ বাটে নৰকলৈ নিয়ে আৰু এই বাটত যাত্ৰা কৰা মানুহো অধিক। ১৪কিন্তু যিটো বাটে অনন্ত জীৱনলৈ নিযে সেই বাটে ঠেক, আৰু বাটটো অতি কষ্টকৰ। আৰু এই বাট বিচাৰি পোৱা মানুহ তেনেই তাকৰ।”

## যেনে মানুহ তেনে কৰ্ম

*(লূক ৬:৪৩–৪৪, ১৩:২৫–২৭)*

১৫“ভূৱা ভাৱবাদী সকলৰ পৰা তোমালোক সাৱধানে থাকিবা; তেওঁবিলাকে সহজ সৰল মেৰৰ ৰূপত তোমালোকৰ মাজলৈ আহিব, কিন্তু তেওঁলোক ভিতৰি ভিতৰি গ্ৰাসকাৰী ৰাংকুকুৰৰ দৰে। ১৬তোমালোকে তেওঁ বিলাকক তেওঁলোকৰ কৰ্মৰ দ্বাৰাই চিনি পাবা। কাঁইটীয়া গছত আঙুৰৰ ফল নালাগে আৰু কাঁইটৰ পুলিত ডিমৰুৰ ফলো নধৰে। ১৭ভাল গছত ভাল ফল ধৰে কিন্তু বেয়া গছত বেয়া ফলহে ধৰে ১৮এজোপা ভাল গছে বেয়া ফল কেতিয়াও নধৰে; আৰু একেদৰেই এজোপা বেয়া গছে কেতিয়াও ভাল ফল নধৰে। ১৯যি জোপা গছে ভাল ফল নধৰে, তাক কাটি জুইত পেলোৱা হয়। ২০এতেকে মই তোমালোকক পুনৰাই কওঁ তোমালোকে তেওঁবিলাকক সিহঁতৰ কৰ্ম্মৰ দ্বাৰাই চিনিব পাৰিবা।

২১“প্ৰভু, প্ৰভু বুলি মোক যিবিলাকে মাতে, সেই সকলোৱে যে ঈশ্বৰৰ ৰাজ্যত সোমাৱলৈ পাব এনে নহয়; কিন্তু যি সকলে মোৰ স্বৰ্গীয় পিতৃৰ আজ্ঞা পালন কৰে তেওঁবিলাকেহে সোমাবলৈ পাব। ২২যেতিয়া মহাবিচাৰৰ দিনা অনেক লোকে আহি মোক সুধিব, ‘প্ৰভু হে প্ৰভু! আমি আপোনাৰ শক্তিত ঈশ্বৰৰ ভাৱবাণী প্ৰচাৰ কৰা নাছিলো জানো? আৰু আপোনাৰ শক্তিত অশুচি আত্মাবোৰক খেদোৱা নাছিলোনে? আৰু আপোনাৰ শক্তিত আমি অনেক আচৰিত কাৰ্য্য কৰা নাইনে?’ ২৩তেতিয়া মই সিহঁতক কম, হে অধৰ্মী বিলাক মোৰ ওচৰৰ পৰা গুচি যোৱা মই তোমালোকক চিনি নাপাওঁ।

## দুই ধৰণৰ মানুহ

*(লূক ৬:৪৭–৪৯)*

২৪“এতেকে যি কোনোৱে মোৰ কথা বোৰ শুনি সেইদৰে পালন কৰে; তেওঁক শিলৰ ওপৰত ঘৰ সজা জ্ঞানী মানুহৰ লগত তুলনা কৰা হব। ২৫কিয়নো বৰষুণ, বানপানী, ধূমুহাই এই ঘৰত জোৰেৰে খুন্দা মৰাৰ পাছতো শিলৰ ওপৰত সজাৰ বাবে সেই ঘৰ নপৰিল।

২৬“যি কোনোৱে মোৰ কথা নুশুনে (শুনে কিন্তু) মোৰ আজ্ঞাও(আজ্ঞাবোৰ) পালন নকৰে, তেওঁক বালিৰ ওপৰত সজা মূৰ্খ মানুহৰ লগত তুলনা কৰিব পাৰি, ২৭যি ঘৰ বৰষুণ, বানপানী আৰু ধুমুহাৰ একেটি খুন্দাত শব্দ কৰি ভাঙি পৰে।”

২৮তেওঁৰ এইবোৰ কথা কোৱা অন্ত পৰিলত লোকসমূহে

তেওঁৰ উপদেশ শুনি বিস্ময় মানিলে। ২৯কিয়নো তেওঁ
যিহুদী বিধান-পণ্ডিত সকলৰ দৰে শিক্ষা নিদি এজন
ক্ষমতাশালী লোকৰ দৰে উপদেশ দিছিল।

### এজন ৰোগীক সুস্থ কৰা

*(মাৰ্ক ১:৪০–৪৫; লূক ৫:১২–১৬)*

৮ ১যেতিয়া যীচুৱে পৰ্বতৰ পৰা নামিলত বহু মানুহৰ এটা
দল তেওঁৰ পাছে পাছে গৈছিল গৈল। ২তাতে এজন
কুষ্ঠ ৰোগী আছিল, তেওঁ যীচুৰ ওচৰলৈ আহি আঁঠু লৈ কলে,
"প্ৰভু আপুনি যদি ইচ্ছা কৰে তেন্তে মোক সুস্থ কৰিব পাৰে।"
৩যীচুৱে নিজৰ হাত মেলি কুষ্ঠ ৰোগীজনক চুই কলে,
"মই ইচ্ছা কৰো তুমি সুস্থ হোৱা।" আৰু তেওঁ তৎক্ষণাত
কুষ্ঠ ৰোগৰ পৰা আৰোগ্য হল। ৪তেতিয়া যীচুৱে তেওঁক
কলে, "চোৱা এই বিষয়ে কাকো একো নকবা, কিন্তু
পুৰোহিতৰ ওচৰলৈ গৈ তুমি নিজকে দেখুওৱা, আৰু
মোচিৰ আজ্ঞা অনুসৰি বলি উৎসৰ্গ কৰা যাতে লোকসমূহে
তুমি সুস্থ হোৱাৰ সাক্ষ্য পায়।"

### যীচুৱে এশৰ সেনাপতিৰ দাসক সুস্থ কৰা

*(লূক ৭:১–১০; যোহন ৪:৪৩–৫৪)*

৫যীচুৱে যেতিয়া কফৰনাহুম পালে তেতিয়া এজন ৰোমান
সৈনিকৰ বিষয়া[a] তেওঁৰ ওচৰলৈ আহি সহায় বিচাৰি মিনতি
কৰি কলে, ৬"প্ৰভু মোৰ দাস এজন জঠৰ ৰোগত আক্ৰান্ত
হৈ শয্যাত পৰি আছে, তেওঁ বৰ কষ্ট পাই আছে।"
৭যীচুৱে এশৰ সেনাপতি গৰাকীক কলে, "মই গৈ তাক
সুস্থ কৰিম।"
৮এশৰ সেনাপতিয়ে উত্তৰ দি কলে, "প্ৰভু আপুনাক
মোৰ ঘৰত নিবলৈ , মই এনে যোগ্য নহও, সেয়ে আপুনি
মাথোন এষাৰ বাক্য কৈ দিয়ক, তাতে মোৰ দাস সুস্থ হব।
৯কিয়নো ময়ো পৰৰ অধীন মানুহ, আৰু মোৰ অধীনতো
বহু সেনা আছে, এটাক 'যা' বুলিলে যায়, আনটোক 'আহ'
বুলিলে আহে; আৰু মোৰ দাসক এইটো 'কৰ' বুলিলে সি
কৰে।"
১০তেতিয়া যীচুৱে এই কথা শুনি আচৰিত মানিলে
আৰু তেওঁৰ পাছে পাছে অহা বিলাকক কলে, ১১"মই
তোমালোকক সঁচাকৈ কওঁ, ইস্ৰায়েলৰ মাজতো মই ইমান
বিশ্বাসী পোৱা নাই। আৰু মই তোমালোকক কওঁ পূৱ আৰু
পশ্চিমৰ পৰা বহুতো লোক ঈশ্বৰৰ ৰাজ্যৰ মহাভোজলৈ
আহি, আব্ৰাহাম, ইচাহাক আৰু যাকোবৰ লগত ঈশ্বৰৰ
ৰাজ্যত নিজৰ নিজৰ আসনত বহিব। ১২কিন্তু ৰাজ্যৰ বাহিৰৰ
লোকবিলাকক আন্ধাৰত পেলাই দিয়া হব; তাত ক্ৰন্দন
আৰু দাঁত কৰচিন হব।"
১৩তেতিয়া যীচুৱে এশৰ সেনাপতিক কলে, "ঘৰলৈ
যোৱা তোমাৰ বিশ্বাসৰ দৰেই তোমাৰ দাস সুস্থ হব।" আৰু
সেই মূহুৰ্ত্ততে এশৰ সেনাপতিৰ দাস সুস্থ হল।

[a] **৮:৫ ৰোমান সৈনিকৰ বিষয়া** এজন ৰোমান বিষয়া যিগৰাকী এশ গৰাকী সৈনিকৰ সেনাপতি।

### পিতৰৰ শাহুৱেকৰ জ্বৰ ভাল কৰা (যীচুৱে অনেকলোকক সুস্থ কৰা)

*(মাৰ্ক ১:২৯–৩৪; লূক ৪:৩৮–৪১)*

১৪যীচুৱে যেতিয়া পিতৰৰ ঘৰ পালে তেওঁ পিতৰৰ
শাহুৱেকক জ্বৰত পৰি বিচনাত শুই থকা দেখা পালে।
১৫সেয়ে যীচুৱে তেওঁক হাতত ধৰি তুলিলত জ্বৰ এৰিলে,
আৰু তেওঁ সুস্থ হৈ যীচুক সেৱা-শুশ্ৰষা কৰিব ধৰিলে।
১৬সেই সন্ধিয়া পৰত লোকসমূহে অশুচি আত্মাই ধৰা
অনেক লোকক তেওঁৰ ওচৰলৈ আনিছিল। তেওঁ অশুচি
আত্মাবোৰক বাহিৰ হবলৈ দি খেদি পঠিয়ালে আৰু সকলো
ধৰণৰ ৰোগত আক্ৰান্ত হোৱা লোকবিলাকক সুস্থ কৰিলে।
১৭ঈশ্বৰে যিচয়া ভাৱবাদীৰ দ্বাৰা যি কথা কোৱাইছিল
সেইবোৰ সিদ্ধ হৈছিল:

"তেওঁ আমাৰ ৰোগবোৰ দূৰ কৰিলে
আৰু বেমাৰ আজাৰবোৰ আঁতৰাই নিলে।"

*যিচয়া ৫৩:৪*

### যীচুক অনুসৰণ কৰা

*(লূক ৯:৫৭–৬২)*

১৮(পাচে) যীচুৱে পাছে নিজৰ চাৰিওফালে অনেক মানুহৰ
জুম দেখি তেওঁৰ শিষ্যসকলক সৰোবৰৰ আনটো পাৰলৈ
যাবলৈ আজ্ঞা দিলে। ১৯এনেতে এজন যিহুদী বিধান-
পণ্ডিতে তেওঁৰ ওচৰলৈ আহি কলে, "গুৰু আপুনি যলৈকে
যায় ময়ো আপোনাৰ পাছে পাছে যাম।"
২০তেতিয়া যীচুৱে তেওঁক কলে, "শিয়াল বিলাকৰ
থাকিবলৈ গাত আছে আৰু আকাশৰ চৰাইবিলাকৰো বাহ
আছে। কিন্তু মানৱ পুত্ৰৰ মূৰ থবলৈকো ঠাই নাই।"
২১আৰু তেওঁৰ এজন শিষ্যই তেওঁক কলে, "প্ৰভু প্ৰথমে
মোৰ পিতৃক কবৰ দিবলৈ অনুমতি দিয়ক।"
২২কিন্তু যীচুৱে তেওঁক কলে, "তুমি মোৰ পাছে পাছে
আঁহা, মৃত বিলাকে নিজৰ নিজৰ মৃত বিলাকক নিজে কবৰ
দিব।"

### যীচুৰ শিষ্যসকলে তেওঁৰ ক্ষমতা দেখা

*(মাৰ্ক ৪:৩৫–৪১; লূক ৮:২২–২৫)*

২৩তেতিয়া যীচুৱে এখন নাৱত উঠি বহিল, তেওঁৰ
শিষ্যবিলাকে তেওঁৰ লগত আহিল। ২৪সেই সময়তে
সৰোবৰত ভয়ংকৰ ধুমুহা বতাহ বলিবলৈ লোৱাত পানীৰ
ঢৌৰ কোৱত নাৱখন ডুবু ডুবু হৈছিল, কিন্তু যীচুৱে শুই
আছিল। ২৫এনেতে তেওঁৰ শিষ্যসকলে তেওঁৰ ওচৰলৈ
আহি তেওঁক জগাই কলে, "প্ৰভু আমাক ৰক্ষা কৰক; আমি
সকলোৱে ডুবিব ধৰিছো!"
২৬তেতিয়া যীচুৱে উত্তৰ দিলে, "হে অল্প-বিশ্বাসী সকল!
তোমালোকে কিয় ইমান ভয় কৰিছা?" তাতে তেওঁ থিয়
হৈ ধূমুহা বতাহক আৰু সৰোবৰক ডবিয়ালে আৰু লগে
লগে সৰোবৰ শান্ত হৈ গল।

২৭সকলোবোৰে আচৰিত মানিলে আৰু কলে, “এওঁ
কেনে ব্যক্তি? ধুমুহা আৰু সৰোবৰেও এওঁৰ মানে!”

## যীচুৱে দুজন মানুহৰ পৰা ভূত খেদোৱা

*(মাৰ্ক ৫:১–২০; লূক ৮:২৬–৩৯)*

২৮পাছত যীচুৱে সৰোবৰৰ সিপাৰে গাদাৰেনেচ[a] বিলাকৰ
দেশলৈ গল, আৰু তেওঁ মৰিশালিৰ পৰা ওলাই অহা দুজন
ব্যক্তিক লগ পালে, যিবিলাকৰ গাত অশুচি আত্মাই বাস
কৰিছিল। তেওঁলোকে ইমানে ভয়ংকৰ আছিল যে সেই
বাটেদি কোনো মানুহে অহা-যোৱা কৰিব পৰা নাছিল।
২৯তেওঁলোকে ৰিঙিয়াই কলে, “হে ঈশ্বৰৰ পুত্ৰ, আমাৰ
পৰা আপুনি কি বিচাৰিছে? নিৰুপিত সময়ৰ আগেয়ে আমাক
দণ্ড দিবলৈ আহিলেনে?”
৩০তাৰ পৰা অলপ দূৰৈত গাহৰিৰ বৃহত জাক এটি
চৰি আছিল, ৩১সেয়েহে অশুচি আত্মাবোৰে বিনয়কৰি
কলে, “যদি আপুনি আমাক খেদাই তেন্তে সেই গাহৰিৰ
জাকটোলৈ আমাক পঠিয়াই দিয়ক।”
৩২তেতিয়া যীচুৱে তেওঁলোকক কলে, “গুচি যোৱা।”
তেতিয়া সেই অশুচি আত্মাবিলাকে মানুহ দুজনৰ পৰা
ওলাই গাহৰিৰ জাকটোলৈ গুচি গল, তেতিয়া সমূহ গাহৰিৰ
জাকটোৱে গৰাৰ পৰা ল’ৰি গৈ সৰোবৰত পৰিল আৰু
গাহৰিবিলাক পানীত ডুবি মৰিল। ৩৩গাহৰি জাকটোৰ ৰখীয়া
বিলাকে তাৰ পৰা নগৰলৈ পলাই গৈ গাহৰি বিলাকৰ আৰু
অশুচি আত্মা গ্ৰস্থ ব্যক্তি দুজনৰ কি অৱস্থা হল, লোকসমূহক
সেই সংবাদ দিলেগৈ। ৩৪সেয়েহে নগৰৰ সমূহ লোকে
যীচুক চাবলৈ আহিল। যেতিয়া তেওঁলোকে যীচুক দেখা
পালে, তেওঁক মিনতি কৰিলে যাতে তেওঁ তেওঁলোকৰ
অঞ্চলৰ পৰা গুচি যায়।[b]

## জঠৰ ৰোগী এজনক সুস্থ কৰা

*(মাৰ্ক ২:১–১২; লূক ৫:১৭–২৬)*

**৯** ১তেতিয়া যীচুৱে নাৱত উঠি সৰোবৰৰ সিপাৰত
নিজৰ নগৰলৈ আহিল। ২কেইজন মান মানুহে
এজন জঠৰ ৰোগীক শয্যাৰে সৈতে তুলি তেওঁৰ ওচৰলৈ
আনিলে! তেতিয়া যীচুৱে তেওঁবিলাকৰ বিশ্বাস দেখি জঠৰ
ৰোগীজনক কলে, “ভেকা মানুহ নিৰ্ভয় হোৱা, তোমাৰ
সকলো পাপ ক্ষমা কৰা হল।”
৩তেতিয়া কেইজনমান যিহুদী বিধান-পণ্ডিতে পৰস্পৰে
কবলৈ ধৰিলে, “এই ব্যক্তি (যীচুৱে) নিজৰ কথাৰে ঈশ্বৰক
অপমান কৰিছে।”
৪যীচুৱে তেওঁবিলাকৰ মনৰ ভাৱ জানি তেওঁলোকক
কলে, “তোমালোকে নিজৰ মনলৈ এনে বেয়া চিন্তা
কিয় আনা? ৫–৬কিয়নো তোমাৰ পাপ ক্ষমা হল নাইবা
থিয় হোৱা আৰু শয্যা তুলি লৈ যোৱা এই দুটাৰ ভিতৰত
কবলৈ সহজ কোনটো? পৃথিৱীত পাপ ক্ষমা কৰিবলৈ যে
মানৱ পুত্ৰৰ ক্ষমতা আছে ইয়াকে জনাবলৈ তেওঁ জঠৰ
ৰোগীজনক কলে, “মই তোমাক কওঁ, থিয় হোৱা আৰু
তোমাৰ শয্যা তুলিলৈ ঘৰলৈ যোৱা।”
৭তেতিয়া জঠৰ ৰোগীজনে থিয় হৈ নিজৰ ঘৰলৈ গল।
৮এই সকলোবোৰ দেখি মানুহবোৰ আচৰিত হল আৰু
ঈশ্বৰক প্ৰশংসা কৰিব ধৰিলে কাৰণ তেওঁহে মানুহক এনে
ক্ষমতা প্ৰদান কৰিছে।

## মথিয়ে যীচুক অনুসৰণ কৰা

*(মাৰ্ক ২:১৩–১৭; লূক ৫:২৭–৩২)*

৯যীচুৱে যেতিয়া তাৰ পৰা গৈ আছিল তেতিয়া কৰতোলা
চৰাত এজন ব্যক্তিক কৰ লৈ থকা দেখা পালে, তেওঁৰ নাম
আছিল মথি। যীচুৱে তেওঁক কলে, “মোৰ পাছত আঁহা।”
তেতিয়া মথি উঠিল আৰু তেওঁৰ পাছে পাছে গল।
১০ইয়াৰ পাছত যীচুৱে মথিৰ ঘৰত আন বহুতো কৰতোলা
আৰু পাপী লোক আৰু তেওঁৰ শিষ্যবিলাকৰ সৈতে ভোজন
কৰি আছিল। ১১ইয়াকে কিছুমান ফৰীচী বিলাকে দেখা পাই
তেওঁলোকে যীচুৰ শিষ্যসকলক সুধিলে, “তোমালোকৰ
গুৰুৱে কৰতোলা আৰু পাপীবিলাকৰ লগত কিয় ভোজন
কৰিছে।”
১২যীচুৱে তাকে শুনা পাই তেওঁলোকক কলে, “নিৰোগী
লোকক নহয় কিন্তু ৰোগীবিলাককহে চিকিৎসকৰ আৱশ্যক
হয়। ১৩সেয়ে তোমালোকে যোৱা আৰু এই শাস্ত্ৰৰ বাক্যৰ
অৰ্থ বুজিবলৈ যত্ন কৰা যে শাস্ত্ৰত, ‘মই বলিদান নিবিচাৰো
কিন্তু দয়াহে বিচাৰো।’ কাৰন মই পাপীবিলাকক মোৰ
হবলৈ নিমন্ত্ৰন কৰিবৰ বাবে আহিছো, সেইবিলাক মানুহক
নহয় যিবিলাকে নিজকে শুদ্ধ বুলি ভাবে।”

## যীচু আন ধৰ্মগুৰুৰ দৰে নহয়

*(মাৰ্ক ২:১৮–২২; লূক ৫:৩৩–৩৯)*

১৪তেতিয়া বাপ্তিস্মদাতা যোহনৰ শিষ্যবিলাকে যীচুৰ ওচৰলৈ
গল আৰু তেওঁক সুধিলে, “আমি আৰু ফৰীচীসকলেও বাৰে
বাৰে লঘোন দিওঁ কিন্তু আপোনাৰ শিষ্যসকলে লঘোন
নিদিয়ে কিয়?”
১৫তেতিয়া যীচুৱে তেওঁলোকক কলে, “দৰাৰ সখিবিলাকে
দৰা তেওঁলোকৰ লগত থকালৈকে শোক কৰিব পাৰেনে?
কিন্তু যি দিনাখন তেওঁলোকৰ মাজৰ পৰা দৰাক নিয়া হব,
তেতিয়া তেওঁলোকে শোক কৰিব আৰু লঘোনো দিব।
১৬“পুৰনি বস্ত্ৰত কোনেও নতুন কাপোৰেৰে তাপলি
নামাৰে, কিয়নো তেনে কৰিলে নতুন ডোখৰে পুৰনি
কাপোৰক ফালি নিব তেতিয়া আৰু ফটা সৰহহে হব।
১৭নতুন দ্ৰাক্ষৰস কোনেও পুৰনি মোটত নথয় কাৰণ তেনে

[a] **৮:২৮ গাদাৰেনেচ** কিছুমান গ্ৰীক লিপিত ‘গাৰাচেনেচ’ আৰু আন লিপিত গাৰগেচিনচ।

[b] **৮:৩২–৩৪** প্ৰাচীন পালেষ্টাইনত পৰজাতিসকলে মাংসৰ বাবে গাহৰি পুহিছিল। গাহৰ গাহৰি জাকক সামাজিক সম্পত্তি হিচাপে গন্য কৰা হৈছিল গাহৰি জাক বিনষ্ট হোৱাৰ লগে লগে গাওঁবাসীৰ আৰ্থিক বিষয়ত আঘাত হল। এনে বিপৰ্য্যয়ৰ কাৰনে হতাশাতে তেওঁলোকে তেওঁক সেই ঠাই এৰিবলে কলে।

কৰিলে বায়ু উৎপন্ন হৈ ফাটি যাব আৰু ৰসো নষ্ট হব, সেয়ে নতুন দ্ৰাক্ষৰস নতুন মোটতহে থয় যাতে দ্ৰাক্ষৰস আৰু মোটো সুৰক্ষিত থাকে।”

## যীচুৱে এজনী মৃত ছোৱালীক জীৱন দিয়া আৰু ৰুগীয়া মহিলাক সুস্থ কৰা

*(মাৰ্ক ৫:২১–৪৩; লূক ৮:৪০–৫৬)*

১৮যীচুৱে তেওঁবিলাকক এইবোৰ কথা কৈ থাকোতেই এজন যিহুদী নামঘৰৰ বিষয়াই তেওঁৰ ওচৰলৈ আহি আঁঠু লৈ কলে, “এইমাত্ৰ মোৰ ছোৱালীজনী মৰিল, কিন্তু আপুনি গৈ তাইৰ গাত হাত দিলে তাই জীৱ।”

১৯সেয়েহে যীচু থিয় হৈ নিজৰ শিষ্যবিলাকৰ সৈতে তেওঁৰ লগত গল।

২০আৰু তাতে এগৰাকী মহিলাই যাৰ বাৰ বছৰ ধৰি তেজযোৱা ৰোগত ভূগি আছিল, তাই পিছফালৰ পৰা যীচুৰ ওচৰলৈ আহি তেওঁৰ বস্ত্ৰৰ দহি চুলে। ২১তেওঁ মনতে ভাবিছিল, “মই যদি তেওঁৰ বস্ত্ৰৰ কণমানো চুৱলৈ পাওঁ তেন্তে মই সুস্থ হম।”

২২তেতিয়া যীচুৱে মুখ ঘূৰাই তেওঁক দেখা পাই কলে, “আইটি, নিৰ্ভয় হোৱা, তোমাৰ বিশ্বাসেই তোমাক সুস্থ কৰিলে।” সেই মূহুৰ্ত্ততে মহিলা গৰাকী তাইৰ ৰোগৰ পৰা সুস্থ হল।

২৩যেতিয়া যীচুৱে সেই যিহুদী নামঘৰৰ বিষয়াৰ ঘৰত গৈ উপস্থিত হল, তেওঁ শোকৰ বাঁহীবাদক[a] আৰু তাত একত্ৰিত হোৱা লোকসমূহে ছোৱালী জনীৰ মৃত্যুত শোকাতুৰ হৈ ক্ৰন্দন কৰি থকা দেখা পালে। ২৪যীচুৱে লোকসমূহক কলে, “ইয়াৰ পৰা বাহিৰলৈ যোৱা, ছোৱালীজনী মৰা নাই তাই শুইহে আছে।” সেই কথা শুনি লোকসমূহে তেওঁক ঠাট্টা কৰিলে। ২৫আৰু পাছত লোকসমূহক বাহিৰলৈ পঠোৱা হলত যীচুৱে ছোৱালী জনীৰ কোঠাত সোমাই তাইৰ হাতত ধৰি তুলিলত তাই উঠি বহিল। ২৬এই সংবাদ গোটেই অঞ্চলত বিয়পি গল।

## যীচুৱে অনেক লোকক সুস্থ কৰা

২৭যীচু তাৰ পৰা ঘূৰি যাওঁতে দুজন অন্ধ মানুহে তেওঁৰ পিছে পিছে আহি চিঞঁৰি চিঞঁৰি কবলৈ ধৰিলে, “হে দায়ূদৰ সন্তান আমাক দয়া কৰক।”

২৮যীচুৱে যেতিয়া কোঠাৰ ভিতৰলৈ সোমালে সেই দুজন অন্ধ তেওঁৰ ওচৰলৈ আহিল, তেতিয়া যীচুৱে তেওঁলোকক কলে, “মই পুনৰাই তোমালোকক দৃষ্টি শক্তি দিব পাৰিম বুলি তোমালোকে সঁচাকৈ বিশ্বাস কৰানে?” তেওঁলোকে উত্তৰ দিলে, “হয় প্ৰভু!”

২৯তেতিয়া যীচুৱে তেওঁলোকৰ চকু চুই কলে, “তোমালোকে যিদৰেই বিশ্বাস কৰা সেই দৰেই তোমালোকলৈ হওক।” ৩০আৰু অন্ধ দুজনে দৃষ্টি শক্তি ঘূৰাই পালে। তেতিয়া যীচুৱে তেওঁলোকক কঠোৰ আজ্ঞা দি কলে, “এই বিষয়ে যাতে কোনেও গম নাপায়।” ৩১কিন্তু তেওঁলোকে তাৰ পৰা গৈ এই সংবাদ সেই অঞ্চলৰ চাৰিওফালে বিয়পাই দিলে।

৩২তেওঁলোকে যোৱাৰ পাছত কিছুলোকে যীচুৰ ওচৰলৈ এজন বোবাক লৈ আনিলে, বোবা জন অশুচি আত্মাৰ দ্বাৰা আক্ৰান্ত হৈছিল সেয়ে তেওঁ কথা কব পৰা নাছিল। ৩৩যেতিয়া সেই অশুচি আত্মাক খেদোৱা হল বোবা জনে ভালদৰে কথা কব পৰা হল। তেতিয়া লোকসমূহে আচৰিত মানি কলে, “ইস্ৰায়েলৰ মাজত এনেকুৱা কেতিয়াও দেখা নাই।”

৩৪কিন্তু ফৰীচী বিলাকে কৈ আছিল, “তেওঁ অশুচি আত্মাবোৰ চয়তানৰ সহায়েৰে খেদায়।”

## মানুহৰ প্ৰতি যীচুৰ দুখ

৩৫পাছে যীচুৱে যিহুদী নামঘৰত উপদেশ দি, ঈশ্বৰৰ ৰাজ্যৰ শুভৰাৰ্তা প্ৰচাৰ কৰি, সকলো বিধৰ ৰোগ আৰু সকলো প্ৰকাৰৰ নৰিয়াত পৰা লোকসকলক সুস্থ কৰি গাঁৱে গাঁৱে নগৰে চহৰে ঘূৰি ফুৰি আছিল। ৩৬যীচুৱে যেতিয়াই লোকসমূহক চাইছিল তেওঁলোকৰ প্ৰতি মৰম উপজিছিল, কিয়নো তেওঁলোক ৰখীয়া নোহোৱা মেৰৰ নিচিনা, চিন্তিত আৰু অসহায় হৈ পৰিছিল। ৩৭তেতিয়া যীচুৱে তেওঁৰ শিষ্যবিলাকক কলে, “শস্য সৰহ কিন্তু বনুৱা তাকৰ। ৩৮সেয়েহে শস্যৰ গৰাকী প্ৰভূক কোৱা যে তেওঁৰ শস্য দাবলৈ যাতে আৰু অধিক বনুৱা পঠিয়াই দিয়ে।”

## যীচুৱে শিষ্যসকলক পৰিচৰ্য্যাৰ বাবে পঠিওৱা

*(মাৰ্ক ৩:১৩–১৯; ৬:৭–১৩; লূক ৬:১২–১৬; ৯:১–৬)*

১০ ১পাছত যীচুৱে তেওঁৰ বাৰজন শিষ্যক ওচৰলৈ মাতি অশুচি আত্মাক খেদাবলৈ আৰু সকলো বিধৰ ৰোগ আৰু নৰিয়া বিলাকক সুস্থ কৰিবলৈ ক্ষমতা প্ৰদান কৰিলে। ২সেই বাৰজন শিষ্যৰ নাম:

প্ৰথমে চিমোন (যাক পিতৰো বোলে)
আৰু তেওঁৰ ভায়েক আন্দ্ৰীয়,
যবদিৰ পুতেক যাকোব,
আৰু তেওঁৰ ভায়েক যোহন।
৩ ফিলিপ,
বাৰ্থলময়,
থোমা,
আৰু কৰতোলা মথি,
আলফয়ৰ পুতেক যাকোব,
আৰু থদ্দেয়।
৪ দেশভক্ত চিমোন আৰু ইস্কাৰীতিয়া যিহুদা, (যিজনে যীচুক শত্ৰুৰ হাতত শোধাই দিছিল।)

৫যীচুৱে এই বাৰ জন ক এই আজ্ঞা দি পঠালে যে, “অযিহুদী বিলাকৰ অঞ্চললৈ কেতিয়াও নাযাবা আৰু চমৰীয়াৰ কোনো নগৰত নোসোমাবা; ৬বৰং ইস্ৰায়েল

[a] **৯:২৩ শোকৰ বাঁহীবাদক** যিহুদীসকলৰ প্ৰাচীন পৰম্পৰাৰ ৰীতি মতে আনকি দুখীয়া মানুহবিলাককো মৃত্যুশোকৰ কাৰনে বাঁহীবাদক ভাড়াত হলেও আনিব লগীয়া হৈছিল।

বংশৰ হেৰোৱা মেৰপোৱালি বিলাকৰ ওচৰলৈ যোৱা ৭আৰু
তেওঁলোকক উপদেশ দিবা যে ‘স্বৰ্গ ৰাজ্য নিচেই ওচৰ
হল।’ ৮ৰুগীয়া বিলাকক সুস্থ কৰিবা, মৃতবিলাকক তুলিবা,
কুষ্ঠ ৰোগী বিলাকক সুস্থ কৰিবা, আৰু অশুচি আত্মাবোৰক
খেদাবা, তোমালোকে বিনামূল্যে ঈশ্বৰৰ পৰা এই ক্ষমতা
দিয়া হৈছে সেয়ে তোমালোকেও বিনামূল্যে সহায় কৰিবা।
৯তোমালোকে নিজৰ নিজৰ জোলোঙাত সোণ, ৰূপ বা
তাম নলবা; ১০বাটৰ নিমিত্তে মোনা বা জোলোঙা নতুবা
অন্য কাপোৰ নলবা, অতিৰিক্ত চোলা, পাদুকা নলবা আৰু
লাখুটিও নলবা, কিয়নো বনুৱা নিজৰ বেচৰ যোগ্য।

১১“তোমালোকে যি কোনো নগৰত বা গাঁৱত সোমাওঁতে
তাত কোন মানুহ বিশ্বাসযোগ্য তাৰ বিচাৰ লবা। আৰু
তাৰ পৰা আনঠাই ওলাই নোযোৱা মানে তেওঁৰেই ঘৰত
থাকিবা। ১২আৰু যেতিয়া তোমালোকে কোনোবা ঘৰত
সোমোৱা তেওঁলোকক মঙ্গলবাদ দি কবা, ‘তোমালোকলৈ
শান্তি হওক।’ ১৩যদি ঘৰৰ মানুহ যোগ্য হয়, তেন্তে
তোমালোকৰ কুশল তেওঁলোকৰ ওপৰত থাকিব; আৰু
যদি যোগ্য নহয় তেনেহলে তোমালোকৰ দিয়া আৰ্শীব্বাদ
উলটি আহিব। ১৪যদি কোনোবাই তোমালোকক আদৰনি
নজনাই আৰু তোমালোকৰ কথা নুশুনে তেন্তে সেই ঘৰ
বা নগৰৰ পৰা ওলাই যাবা আৰু তোমালোকৰ ভৰিত লাগি
থকা ধূলিও তাতে জোকাৰি পেলাবা।[a] ১৫মই তোমালোকক
সঁচাকৈ কৈছো, “মহা-বিচাৰৰ দিনা সেই নগৰৰ দশাতকৈ
চদোম আৰু ঘমোৰা নগৰৰ দশা সহিবলৈ পাতল হব।

## যীচুৰে বিপদৰ বিষয়ে সাৱধান কৰা

*(মাৰ্ক ১৩:৯–১৩; লূক ২১:১২–১৭)*

১৬“সাৱধানে শুনা! মই তোমালোকক জগতলৈ উলিয়াই
পঠিয়াইছো। তোমালোক বিপদত পৰিব পাৰা, যেনেকৈ
ৰাংকুকুৰৰ মাজত ভেড়া। সেয়ে তোমালোক সাপৰ দৰে
টেঙৰ হ’ব লাগিব আৰু কপৌৰ দৰেও হোজা হ’ব লাগিব
যাতে আনক আঘাত কৰিব নোৱাৰা। ১৭কিন্তু লোকবিলাকলৈ
সাৱধান হবা; কিয়নো তেওঁবিলাকে তোমালোকক বন্দী
কৰিব আৰু বিচাৰ সভাত তোমালোকক শোধাই দিব,
আৰু নামঘৰত তোমালোকক কোবাব। ১৮তোমালোকক
শাসনকৰ্তা আৰু ৰজাৰ ওচৰলৈ লৈ যোৱা হব কিয়নো
তোমালোকে মোক মানি চলা। তোমালোকক মোৰ কথা
সুধিব। এই সকলো ঘটিব যাতে তোমালোকে সেই ৰজা
ৰাজ্যপাল আৰু অযিহুদীলোকলৈ মোৰ বিষয়ে সাক্ষী হব
পাৰা। ১৯কিন্তু যেতিয়া তোমালোকক বন্দী কৰিব সেই
মূহূৰ্তত চিন্তা নকৰিবা, কিয়নো কেতিয়া কি কব লাগিব
সেই সকলো সময়ত তোমালোকক জনাই দিয়া হব।
২০মনত ৰাখিবা কথা কওঁতা তোমালোক নহয় কিন্তু পিতৃৰ
আত্মাইহে তোমালোকৰ দ্বাৰা কথা কব।

২১“ককায়েক ভায়েকে নিজৰ ককায়েক ভায়েকৰ
বিৰুদ্ধে যাব আৰু তেওঁলোকক মৃত্যুৰ বাবে শোধাই দিব,
পিতৃ-মাতৃ সকলেও তেওঁলোকৰ নিজৰ সন্তান বিলাকক
মৃত্যুৰ বাবে শোধাই দিব। সন্তান সকলেও তেওঁলোকৰ
নিজৰ পিতৃ-মাতৃক শোধাই দিব আৰু তেওঁলোকক বধ
কৰাব। ২২মোৰ নামৰ হেতুকে তোমালোক ঘৃণাৰ পাত্ৰ হবা,
কিন্তু যি জনে শেষলৈকে বিশ্বাসী থাকিব সেইজনেই পৰিত্ৰাণ
পাব। ২৩যেতিয়া তোমালোকক কোনো এখন নগৰত তাড়না
কৰে তেতিয়া তোমালোকে অন্য নগৰলৈ পলাই যাবা, মই
তোমালোকক সঁচাকৈ কওঁ, তোমালোকে ইস্ৰায়েলৰ সমূহ
নগৰ ঘূৰি শেষ কৰাৰ পূৰ্বেই মানৱ পুত্ৰ ৰজাৰ দৰে আহিব।

২৪“ছাত্ৰ বিলাক গুৰুতকৈ মহান নহয়। কোনো দাস
নিজৰ গৰাকীতকৈ ডাঙৰ নহয়। ২৫ছাত্ৰই নিজৰ গুৰুৰ আৰু
দাসে নিজৰ গৰাকীৰ তুল্য হলেই যথেষ্ট। মই ঘৰৰ গৰাকী,
কিন্তু তেওঁলোকে মোক ‘ভূতবিলাকৰ শাসনকৰ্তা’[b] বুলি
মাতে, সেয়েহে ঘৰৰ বাকী সদস্য হিচাপে তোমালোককো
হয়তু ইয়াতকৈ বেছি অপমান পাব পাৰা।”

## মানুহক নহয়, ঈশ্বৰক ভয় কৰা

*(লূক ১২:২–৭)*

২৬“সেয়েহে তেওঁবিলাকলৈ ভয় নকৰিবা কিয়নো সকলো
লুকুওৱা বস্তু প্ৰকাশিত হব। আৰু গুপুতে থকা সকলো বস্তু যি
আছে সকলো প্ৰকাশিত হব। ২৭মই গুপুতে তোমালোকক
যি কওঁ তাক তোমালোকে মুকলিভাবে প্ৰকাশ কৰিবা। যি
সকলো মই তোমালোকক ব্যক্তিগতভাবে কৈছো, তাক
সকলোৰে আগত চিঞৰি জনাবা।

২৮“সিবিলাকলৈ ভয় নকৰিবা যিবিলাকে কেৱল তোমাৰ
শৰীৰক বধ কৰিব পাৰে আত্মাক নহয়। কেৱল ঈশ্বৰলৈহে
ভয় কৰা যিজনে তোমালোকৰ শৰীৰ আৰু আত্মা দুয়োকো
নৰকত পেলাই নষ্ট কৰিব পাৰে। ২৯এপইচাত[c] দুটা
ঘৰচিৰিকা নেবেচেনে? তথাপিও তোমালোকৰ পিতৃৰ[d]
বিনা অনুমতিৰে এটিও মাটিত নপৰে। ৩০তোমালোকৰ মূৰৰ
আটাইবোৰ চুলিও গণা গৈছে। ৩১সেয়েহে তোমালোকে ভয়
নকৰিবা তোমালোক সেই চৰাইতকৈ অনেক গুণে বহুমূল্য।

## বিশ্বাসৰ বাবে লজ্জিত নহবা

*(লূক ১২:৮–৯)*

৩২“যি কোনোৱে মোক সকলোৰে আগত স্বীকাৰ কৰে,
স্বৰ্গত থকা মোৰ পিতৃৰ আগত ময়ো তেওঁক স্বীকাৰ কৰিম;

[a] **১০:১৪ ভৰিত লাগি … পেলাবা** সতৰ্কতাৰ জাননী, এইটো ইয়াকে বুজায় যে সেই মানুহবিলাকৰ সৈত্যে তেওঁবিলাকৰ কথাবাৰ্ত্তা শেষ হৈছে।

[b] **১০:২৫ ভূতবিলাকৰ শাসনকৰ্তা** আক্ষৰিক ভাবে “বিলজেবুল।” ৯:৩৪ পদত চাওক।

[c] **১০:২৯ এপইচাত** আক্ষৰিকভাবে এটা তামৰ পইচাৰ মূল্য ১/১৬ ডিনাৰী।

[d] **১০:২৯ পিতৃৰ** আক্ষৰিকভাবে কিন্তু আনকি এইবিলাকৰ কোনো এটিও তোমালোকৰ পিতৃৰ বিনা অনুমতি মাটিত নপৰে আমোচ ৩:৫ চাওক। চৰাইবিলাকৰ কাৰনে ‘মাটিত পৰা, মানে চৰাই ধৰোতাবিলাকৰ দ্বাৰা বন্দী হোৱা।

৩৩কিন্তু যি কোনোৱে মোক মানুহৰ আগত স্বীকাৰ নকৰে,
স্বৰ্গত থকা মোৰ পিতৃৰ আগত ময়ো তেওঁক স্বীকাৰ নকৰিম।

## যীচুক অনুসৰণ কৰিলে বিপদ আহিব পাৰে

*(লূক ১২:৫১–৫৩; ১৪:২৬–২৭)*

৩৪“ইয়াক নাভাৱিবা যে মই পৃথিৱীত শান্তি দিবলৈ আহিছো,
শান্তি দিবলৈ নহয় কিন্তু তৰোৱাল দিবলৈহে আহিছোঁ।

৩৫–৩৬ ‘মই বাপেকৰ বিৰুদ্ধে পুতেকৰ,
মাকৰ বিৰুদ্ধে জীয়েকৰ,
শাহুৱেকৰ বিৰুদ্ধে বোৱাৰীয়েকৰ ভেদ জন্মাবলৈহে
আহিছোঁ,
আৰু মানুহৰ নিজ পৰিয়ালেই তেওঁৰ শত্ৰু হব।’
*মীখা ৭:৬*

৩৭“যি কোনোৱে নিজৰ পিতৃ-মাতৃক মোতকৈ অধিক
প্ৰেম কৰে, তেওঁ মোৰ নিজৰ মানুহ হোৱাৰ যোগ্য নহয়। যি
কোনোৱে নিজৰ পুতেক-জীয়েকক মোতকৈ অধিক প্ৰেম
কৰে তেৱোঁ মোৰ নিজৰ মানুহ হোৱাৰ যোগ্য নহয়। ৩৮যি
কোনোৱে নিজৰ দুখ-ভোগৰ ক্ৰুচ বহন নকৰে আৰু মোৰ
পাচত আহিব নোৱাৰে তেৱোঁ মোৰ নিজৰ মানুহ হোৱাৰ
যোগ্য নহয়। ৩৯যদি কোনোৱে নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ
বিচাৰে তেওঁ তাক হেৰুৱাব; কিন্তু যদি কোনোৱে মোৰ
নিমিতে নিজৰ প্ৰাণ হেৰুৱাই তেওঁ জীৱন পাব।

## যিসকলে তোমালোকক আমন্ত্ৰন কৰে, ঈশ্বৰে তেওঁলোকক আৰ্শীবাদ কৰিব

*(মাৰ্ক ৯:৪১)*

৪০“যি কোনোৱে তোমালোকক গ্ৰহণ কৰে, তেওঁ মোকেই
গ্ৰহণ কৰিব, আৰু যি কোনোৱে মোক গ্ৰহণ কৰে, তেওঁ
মোক পঠোৱা ঈশ্বৰকে স্বীকাৰ কৰিব। ৪১যি কোনোৱে
ভাৰবাদীক ভাৰবাদী বুলি স্বীকাৰ কৰে, তেওঁ ভাৰবাদীৰ দৰে
একে পুৰস্কাৰ পাব। আৰু যদি তোমালোকে কোনো ধাৰ্মিকক
এই কাৰণেই স্বীকাৰ কৰা যে তেওঁ এজন ধাৰ্মিক লোক
তোমালোকেও ধাৰ্মিক জনৰ দৰেই পুৰস্কাৰ পাবা। ৪২আৰু
কোনোবাই মোৰ এই সৰু বিলাকৰ কোনো শিষ্যএজনক
যদি এগিলাচ চেঁচা পানীয়ো দিয়ে, মই তোমালোকক সঁচাকৈ
কওঁ যে তেওঁ কোনোপধ্যেই তেওঁৰ পুৰস্কাৰ নেহেৰুৱাব।”

## যীচুক প্ৰশ্ন কৰিবলৈ যোহনে মানুহ পঠায়

*(লূক ৭:১৮–৩৫)*

**১১** ১এইদৰে যীচুৱে নিজৰ বাৰজন শিষ্যক বুজাই
বঢ়াই এটালঁত, তেওঁ তাৰ পৰা গৈ গালীল
প্ৰদেশৰ নগৰ বিলাকত ঘূৰি ঘূৰি উপদেশ দিবলৈ ধৰিল।
২যেতিয়া যোহন বন্দীশালত যীচুৰ কৰ্মৰ বাৰ্তা শুনিলত
তেওঁ নিজৰ কেইজন মান শিষ্যৰ দ্বাৰা ৩সুধি পঠালে
যে, “আহিব লগা জন আপুনিয়েই নে; নাইবা আমি আন
কৰোৱালৈ অপেক্ষা কৰিম?”
৪যীচুৱে উত্তৰ দি কলে, “তোমালোকে যি শুনিছা আৰু
দেখিছা এই সংবাদ তোমালোকে যোহনক দিয়াগৈ, ৫অন্ধই
পুনৰায় দৃষ্টি পাইছে, খোৰাই খোজ কাঢ়িছে, কুষ্ঠ ৰোগীক সুস্থ
কৰা হৈছে, কলা বিলাকে শুনিবলৈ পাইছে, মৃত বিলাকক
জীয়াই তোলা হৈছে, আৰু দৰিদ্ৰ বিলাকৰ আগত শুভৰ্ৱাতা
প্ৰচাৰ কৰা হৈছে। ৬যি জনে মোক গ্ৰহন কৰে তেওঁ ধন্য।”
৭যেতিয়া যোহনৰ শিষ্যবিলাকে তাৰ পৰা গল, যীচুৱে
লোকসমূহক যোহনৰ বিষয়ে কবলৈ ধৰিল, “তোমালোকে
সেই মৰুপ্ৰান্তত কি চাবলৈ ওলাই গৈছিলা? বতাহে লৰোৱা
নলৰ দৰে এজন ব্যক্তি নে? অন্যথা ৮কি চাবলৈ গৈছিলা?
মূল্যবান বস্ত্ৰ পিন্ধা ব্যক্তিক নে? চোৱা যিবিলাকে মিহি
উত্তম বস্ত্ৰ পিন্ধে তেওঁবিলাক ৰাজভৱনত থাকে। ৯তেন্তে
তোমালোক কি চাবলৈ গৈছিলা? কোনোবা ভাৰবাদীক নে?
হয় মই তোমালোকক কওঁ যে তোমালোকে যাক চাবলৈ
গৈছিলা তেওঁ ভাৰবাদীতকৈয়ো শ্ৰেষ্ঠ। ১০তেওঁ সেইজনেই
যাৰ কথা শাস্ত্ৰত লিখা আছে:

‘শুনা, মই তোমাৰ আগেয়ে মোৰ দূতক পঠাম,
তেওঁ তোমাৰ বাবে বাট প্ৰস্তুত কৰিব।’ *মলাখী ৩:১*

১১“মই তোমালোকক সঁচাকৈ কওঁ, “মানুহৰ পৰা জন্ম
পোৱা বিলাকৰ ভিতৰত যোহনতকৈ মহান আৰু কোনো
নাই। বৰং (কিন্তু) ঈশ্বৰৰ ৰাজ্যত আটাইতকৈ সৰু জনেও
তেওঁতকৈ মহান। ১২যোহন বাপ্তাইজকৰ কালৰ পৰা
এতিয়ালৈকে ঈশ্বৰৰ ৰাজ্য নিৰ্যাতনৰ বলি হৈছে আৰু
হিংসাৰে কাঢ়ি লবলৈ চেষ্টা কৰা হৈছে। ১৩যোহন অহাৰ
আগেয়ে সকলো ভাববাদী বিলাকে আৰু মোচিৰ বিধানে
যিবোৰ হব তাৰ ভাবোক্তি কৰিছিল, ১৪আৰু যদি বিধান আৰু
ভাৰবাদী সকলৰ ভাবোক্তিত যি কোৱা হৈছিল, তাক স্বীকাৰ
কৰিবলৈ সাজু আছা তেন্তে যাক আহিবলৈ ভাবোক্তি (যি
জন আহিব বুলি ভাবোক্তি) কৰা হৈছিল সেই আহিব লগা
এলিয়া, এই যোহনেই, ১৫মই যি কৈছো যি সকলে শুনিবলৈ
পাইছে, (তাক শুনা) ভালকৈ বুজা উচিত!
১৬“এই কালৰ লোকসমূহক কাৰ লগত তুলনা কৰিম?
তেওঁলোকে মাত্ৰ বজাৰত বহি থকা লৰাবিলাকৰ দৰে যি
সকলে (তেওঁৰ আন সঙ্গী সকলক)কৈ আছে,

১৭ ‘আমি তোমালোকৰ কাৰনে বাঁহী বজালো,
কিন্তু তোমালোকে নানাছিলা;
আমি বিলাপ কৰিলো’
কিন্তু তোমালোকে নাকান্দিলা।’

১৮কিয়নো যোহন বাপ্তইজক আহি অন্য বিলাকৰ দৰে
ভোজন পান নকৰাত লোকসমূহে তেওঁৰ গাত দুষ্টাত্মা
আছে বুলি কলে, ১৯যেতিয়া মানৱপুত্ৰ আহি লোকসমূহৰ
লগত ভোজন পান কৰিলে তাতে লোকসমূহে কলে, ‘এই
মানুহজনলৈ চোৱা খকোৱা , মদপী আৰু কৰতোলা, পাপী

বিলাকৰ বন্ধু।’ কিন্তু জ্ঞানী মানুহবোৰে ঈশ্বৰৰ জ্ঞান তেওঁৰ কৰ্ম্মৰ দ্বাৰাই চিনিব পাৰিলে।”

### অবিশ্বাসীবিলাকক সতৰ্ক কৰা

*(লূক ১০:১৩–১৫)*

২০যিবোৰ নগৰত যীচুৱে অধিক আচৰিত কাৰ্য্য কৰিছিল (সেই) নগৰবোৰক গৰিহণা দিবলৈ ধৰিলে কাৰন তাৰ লোকসমূহে পাপ কৰিবলৈ নেৰি (নেৰিলে আৰু) মন পৰিৰ্বতন নকৰিলে। ২১হায়; হায় কোৰাচীন! হায়; হায়, বৈত্‌চৈদা! তোমালোক সন্তাপৰ পাত্ৰ; তোমালোকলৈ যিবোৰ আচৰিত কাৰ্য্য কৰা হল, সেইবোৰ কৰ্ম যদি অযিহুদী নগৰ তুৰ আৰু চিদোনত কৰা হলে তাৰ লোকসমূহে কেতিয়াবাই শোকৰ চট বস্ত্ৰ পিন্ধি, শৰীৰত ছাঁই সানি মন পৰিবৰ্তন কৰিলেহেতেন।’ ২২কিন্তু মই তোমালোকক সঁচাকৈ কওঁ মহা-বিচাৰৰ দিনা তুৰ আৰু চিদোনৰ দশাতকৈ তোমালোকৰ দশা অতি (অধিক) ভয়ানক হব।

২৩“আৰু হে কফৰনাহূম, তুমি ভাবিছানে যে তোমাক স্বৰ্গলৈ তুলি নিয়া হব বুলি? তোমাক নৰকলৈহে পঠিওৱা হব, কিয়নো যিবোৰ আচৰিত কৰ্ম তোমাৰ মাজত কৰা হল, সেইবোৰ কৰ্ম যদি চদোমত কৰা হলে সেই নগৰ আজিলৈকে বৰ্তি থাকিলেহেতেন। ২৪কিন্তু মই তোমালোকক কওঁ, যে ঈশ্বৰৰ মহা-বিচাৰৰ দিনা চদোমৰ বিচাৰতকৈ তোমালোকৰ বিচাৰ ভয়ানক হব।”

### যীচুৱে নিজ লোকক জিৰণি দিয়ে

*(লূক ১০:২১–২২)*

২৫সেই সময়ত যীচুৱে কলে, “পৰম পিতৃ, স্বৰ্গ আৰু পৃথিৱীৰ প্ৰভু, মই তোমাৰ প্ৰশংসা কৰো কিয়নো তুমি এই সকলোবোৰ, জ্ঞানী আৰু বুদ্ধিমন্ত লোকৰ পৰা গুপুতে ৰাখিলা। আৰু সাধাৰণ মানুহৰ আগত প্ৰকাশ কৰিলা। ২৬হয় পৰম পিতা কাৰণ তুমি ইয়াকে বিচাৰিছিলা।

২৭“মোৰ পিতৃয়ে সকলোবোৰ মোক হাতত গতাই দিছে, আৰু বাস্তৱিকতে পিতৃৰ বাহিৰে আন কোনেও পুত্ৰক নাজানে, আৰু পুত্ৰৰ বাহিৰে পৰম পিতাক কোনেও নাজানে। আৰু তেওঁলোকেহে পৰম পিতাক জানে যি সকলক পুত্ৰই মনোনীত কৰি সকলো কথা প্ৰকাশ কৰে।

২৮“হে, পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোক বিলাক যি ভাৰ তোমালোকৰ ওপৰত বলপূৰ্বকভাবে জাপি দিয়া হৈছে মোৰ ওচৰলৈ আহাঁ মই তোমালোকক জিৰণি দিম। ২৯মোৰ শিক্ষা গ্ৰহণ কৰা আৰু মোৰ পৰা শিকা।[a] ৩০কিয়নো মই নম্ৰ আৰু কোমল চিত্তৰ মানুহ, সেয়েহে তোমালোকেও মনত শান্তি আৰু জিৰণি পাবা।” মোৰ শিক্ষাও সহজ আৰু ভাৰো লঘু।”

### যীচুৱেই বিশ্ৰামবাৰৰ গৰাকী

*(মাৰ্ক ২:২৩–২৮; লূক ৬:১–৫)*

**১২** ১প্ৰায় সেই সময়ত যীচুৱে বিশ্ৰামবাৰৰ দিনা শস্য ক্ষেত্ৰৰ মাজেদি যাওঁতে তেওঁৰ শিষ্যবিলাকৰ ভোক লগাত তেওঁলোকে কিছুমান ঘেহুঁৰ থোক ছিঙি ছিঙি খাবলৈ ধৰিলে। ২কিন্তু ফৰীচীবিলাকে ইয়াকে দেখা পাই যীচুক কলে, “চাওক আপোনাৰ শিষ্যবিলাকে যিটো মোচিৰ বিধান অনুযায়ী বিশ্ৰামবাৰে কৰা উচিত নহয় তাকে কৰিছে।”

৩তেতিয়া তেওঁ তেওঁলোকক সুধিলে, “তোমালোকে পঢ়া নাইনে? দায়ূদ আৰু তেওঁৰ লগৰীয়া বিলাকে, যেতিয়া তেওঁলোকৰ ভোক লাগিছিল তেতিয়া তেওঁলোকে কি কৰিছিল? ৪তেওঁ ঈশ্বৰৰ গৃহত সোমাই ঈশ্বৰলৈ উৎসৰ্গ কৰা পবিত্ৰ পিঠা যিটো পুৰোহিতৰ বাদে অন্য কোনেও খাব নোৱাৰে তাক তেওঁলোকে কেনেকৈ খাইছিল? যিটো মোচিৰ বিধান অনুসাৰে তেওঁবিলাকে খোৱাটো অনুচিত আছিল। ৫নতুবা পুৰোহিত সকলে বিশ্ৰাম বাৰে ধৰ্মধামত কৰ্ম্ম কৰিও যে নিৰ্দোষী হয় আৰু কোনোৱে একো নকয়, এইটো মোচিৰ বিধান শাস্ত্ৰত তোমালোকে পঢা নাইনে? ৬কিন্তু মই তোমালোকক কওঁ ধৰ্মধামতকৈয়ো মহান এজনা ইয়াত আছে; ৭যদি তোমালোকে শাস্ত্ৰত লিখা, ‘মই বলিদান নহয় কিন্তু দয়াহে খোজোঁ’[b] এই বাক্যৰ অৰ্থ জনাহেতেন নিৰ্দোষীক দোষী নকৰিলাহেতেন।

৮“কিয়নো মানুৰ পুত্ৰ বিশ্ৰামবাৰৰো প্ৰভু।”

### যীচুৱে বিশ্ৰামবাৰে এজনক সুস্থ কৰা

*(মাৰ্ক ৩:১–৬; লূক ৬:৬–১১)*

৯তেতিয়া যীচুৱে তাৰ পৰা গৈ যিহুদী বিলাকৰ নাম-ঘৰত সোমাল। ১০তাতে এজন মানুহ আছিল, যি জনৰ এখন হাত জঠৰ হৈ আছিল সেয়ে লোকসমূহে যীচুক অপবাদ দিবৰ আশাৰে তেওঁক সুধিলে, “মোচিৰ বিধান অনুসাৰে বিশ্ৰামবাৰে[c] কাৰোবাক সুস্থ কৰিব পায়নে?”

১১তেওঁ তেওঁলোকক উত্তৰ দি কলে, “ধৰিলোৱা তোমালোকৰ মাজৰ যদি কাৰোবাৰ মাত্ৰ এটাই মেৰ থাকে আৰু সেই মেৰ পোৱালি যদি বিশ্ৰামবাৰৰ দিনা কোনোবা খালত পৰে, তেন্তে তোমালোকে তাক ধৰি নতুলিবানে? ১২তেন্তে মেৰতকৈ মানুহ কিমান বহুমূলীয়া! এই কাৰনে মোচিৰ বিধানে বিশ্ৰামবাৰে ভাল কৰ্ম কৰিবলৈ অনুমতি প্ৰদান কৰে।”

১৩তেতিয়া যীচুৱে সেই জঠৰ মানুহজনক কলে, “তোমাৰ হাত পোনকৈ মেলা” আৰু তেওঁ হাত মেলিলত তেওঁ সম্পূৰ্ণকৈ সুস্থ হৈ গল। আনখন হাত যেনেদৰে আছিল ঠিক তেনেদৰে। ১৪তেতিয়া ফৰীচী বিলাকে তাৰ

[a] **১১:২৯ মোৰ … পৰা শিকা** আক্ষৰিকভাবে তোমালোকৰ ওপৰত মোৰ যুৱলি লোৱা, ভাৰ টানিবলৈ জন্তুৰ ডিঙিত যুৱলি দিয়া হয়। এইটো যিহুদী ব্যৱস্থাৰ প্ৰতীক হয়। পাঁচনি ১৫:১০; গালাতীয়া ৫:১ চাওক। বিদেশী ৰজাৰ শাসনৰ নিৰ্যাতনো বুজায় যুৱলিয়ে। যীচুৰ শিক্ষা আৰু নেতৃত্ব ৰোমান শাসনৰ নিচিনা কষ্টকৰ নহয়।

[b] **১২:৭** উদ্ধৃত হোচেয়া ৬:৬

[c] **১২:১০ বিশ্ৰামবাৰ** বিশ্ৰামবাৰে কাম কৰাটো যিহুদী নীতিবিৰুদ্ধ।

পৰা গৈ, কেনেকৈ যীচুক বধ কৰিব পাৰি তাৰ উপায়
বিচাৰিবলৈ ধৰিলে।

### যীচু ঈশ্বৰৰ মনোনীত দাস

১৫কিন্তু যীচুৱে তাকে জানি তাৰ পৰা গুচি গল। তেতিয়া
অনেক লোক তেওঁৰ পাছে পাছে গল, যি সকলো ৰোগীয়া
আছিল তেওঁলোকক তেওঁ সুস্থ কৰি তুলিলে। ১৬কিন্তু তেওঁ
তেওঁৰ বিষয়ে কাকো নকবলৈ তেওঁলোকক সতর্ক কৰি
দিলে। ১৭এইবোৰ সেই ধৰণে সম্পন্ন হ'ল যিহেতু যিচয়া
ভাৱবাদীৰ দ্বাৰা ঈশ্বৰে যি কোৱাইছিল সেই বাক্য পূর্ণ হল:

১৮ "মই মোৰ দাসক মনোনীত কৰিলো
আৰু মোৰ প্রিয় জনাত মই পৰম সন্তুষ্ট,
মই মোৰ আত্মাৰে তেওঁক পৰিপূর্ণ কৰি তুলিম
যাতে তেওঁ দেশৰ সকলোৰে ন্যায় বিচাৰ কৰিব
পাৰে।
১৯ তেওঁ কেতিয়াও হাই কাজিয়া নকৰিব,
আলিবাটত জোৰেৰে কথা নকব।
২০ তেওঁ গছৰ দুর্বল ঠাল এটাও কেতিয়াও নাভাঙিব
আৰু দুর্বল শলিতা এগছিও নুনুমুৱাব।
তেওঁ অন্যায়ক আঁতৰাই ন্যায়ক প্রতিষ্ঠা কৰিবৰ বাবে
কাম কৰিব।
২১ তেতিয়া সকলো ৰাষ্ট্ৰই তেওঁৰ কাৰণেই আশা
কৰিবলৈ আৰম্ভ কৰিব।" *যিচয়া ৪২:১–৪*

### যীচুৰ ক্ষমতা ঈশ্বৰৰ পৰা

*(মার্ক ৩:২০–৩০; লূক ১১:১৪–২৩; ১২:১০)*

২২তেতিয়া যীচুৰ ওচৰলৈ অশুচি আত্মাই ধৰা (এজন)
অন্ধ-বোবা ব্যক্তিক আনিলত যীচুৱে তেওঁক সুস্থ কৰাত
সেই অন্ধজনে কবলৈ আৰু দেখিবলৈ ললে। ২৩এনেতে
লোকসমূহে অতিশয় বিস্ময় মানি কলে, "এৱেঁই হয়তো
দায়ূদৰ সন্তান?"[a]
২৪তেতিয়া ফৰীচী বিলাকে ইয়াকে শুনি কলে, "তেওঁ
ভূতৰ ৰজা চয়তানৰ[b] সহায়েৰেহে অশুচি আত্মা বোৰক
খেদায়।"
২৫যীচুৱে তেওঁবিলাকৰ মনৰ ভাৱ গম পাই তেওঁলোকক
কলে, "যদি কোনো ৰাজ্যই নিজৰ ৰাজ্যৰ বিৰুদ্ধে যায়
তেন্তে সেই ৰাজ্য উচ্ছন্ন হয়; আৰু কোনো নগৰ বা
পৰিয়ালত যদি নিজৰ বিৰুদ্ধে থিয় হয় তেন্তে সেই নগৰ
বা পৰিয়াল বর্তি থাকিব নোৱাৰে। ২৬আৰু চয়তানে যদি
চয়তানক[c] খেদায় তেন্তে নিজৰ বিৰুদ্ধে যুঁজ কৰাৰ দৰে
হব, তেনেহলে তেওঁৰ ৰাজ্য কেনেকৈ বর্তি থাকিব।
২৭আৰু যদি মই বেলচবুবৰ সহায়েৰে অশুচি আত্মা
বোৰক খেদাওঁ তেনেহলে তোমালোকৰ লোকবিলাকে
কাৰ সহায়েৰে অশুচি আত্মা বোৰক খেদায়? এই হেতুকে
তোমালোকৰ বিলাকেই তোমালোকৰ বিচাৰ লব। ২৮মই
যদি অশুচি আত্মাবোৰক ঈশ্বৰৰ আত্মাৰ শক্তিৰে খেদাওঁ
তেন্তে ঈশ্বৰৰ ৰাজ্য নিশ্চেই তোমালোকৰ ওচৰ পালেহি।
২৯আৰু কোনোৱে বলৱান জনৰ ঘৰৰ পৰা কেনেকৈ বস্তু
চুৰ কৰিব পাৰিব, প্রথমে বলৱান জনক বান্ধিলৈহে তেওঁৰ
ঘৰত সোমাই বস্তু লোট কৰিব্ পাৰিব। ৩০যি জন মোৰ
সপক্ষে কাম কৰা নাই তেওঁ মোৰ বিৰদ্ধে কাম কৰি
আছে।
৩১"সেয়ে মই তোমালোকক কওঁ যে সকলো প্রকাৰৰ
নিন্দা আৰু পাপ ক্ষমা কৰা যাব কিন্তু পবিত্র আত্মাৰ বিৰুদ্ধে
নিন্দা কৰাজনক কেতিয়াও ক্ষমা কৰা নাযাব। ৩২যি
কোনোৱে মানৱ পুত্রৰ বিৰুদ্ধে নিন্দা কৰে তেওঁক ক্ষমা
কৰা যাব, কিন্তু পবিত্র আত্মাৰ বিৰুদ্ধে কথা কোৱা জনক এই
কালত বা পৰলোকতো ক্ষমা কৰা নাযাব।

### ব্যৱহাৰেই পৰিচয়

*(লূক ৬:৪৩–৪৫)*

৩৩"তোমালোকে জানা যে, ভাল ফল পাবলৈ হলে
ভাল গছ লগাব লাগিব। বেয়া গছৰ পৰা বেয়া ফল পোৱা
যায়। কিয়নো গছক ফলৰ পৰাই চিনিব পৰা যায়। ৩৪হে
সর্পৰ সন্তানবিলাক! তোমালোকে যেতিয়া বেয়াই তেন্তে
তোমালোকে কেনেকৈ ভাল কথা কব পাৰিবা? এজন
মানুহে প্রতিটো কথা তেওঁৰ অন্তৰৰ পৰাহে কয়। ৩৫ভাল
মানুহে মনৰ ভৰাঁলত ভাল কথা থয় সেয়ে তেওঁ সদায়
ভাল কথাই কয়, আৰু বেয়া মানুহে মনৰ ভৰাঁলত বেয়া
কথাই থয় সেয়ে তেওঁ সদায় বেয়া কথা কয়। ৩৬কিন্তু মই
তোমালোকক কওঁ ন্যায়-বিচাৰৰ দিনা প্রত্যেক মানুহে
নিজৰ নিজৰ অনর্থক কথাৰ হিচাপ দিব লাগিব। ৩৭কিয়নো
তোমাৰ নিজৰ বাক্যৰ দ্বাৰাই নির্দোষী বা তোমাৰ কথাৰ
দ্বাৰাই দোষী বুলি সাব্যস্ত কৰা যাব।"

### যীচুৰ ক্ষমতাক কিছুমানে সন্দেহ কৰা

*(মার্ক ৮:১১–১২; লূক ১১:২৯–৩২)*

৩৮তেতিয়া কেইজনমান বিধান-পণ্ডিত আৰু ফৰীচী বিলাকে
(লোকে) যীচুক কলে, "গুৰু, আপুনি আমাক এটা আচৰিত
চিন দেখুৱাতো আমি বিচাৰিছো।"
৩৯যীচুৱে উত্তৰ দি কলে, "তোমালোক হৈছা বেয়া
মানুহ। এই যুগত তোমালোক হৈছা সেই সকললোক
যিয়ে ঈশ্বৰ বিশ্বাসী নহয়। আৰু তোমালোকে আচৰিত
চিন চাব বিচাৰছা! তোমালোকক যোনা ভাৱবাদীৰ
আচৰিত চিনৰ বাহিৰে আৰু কোনো ধৰণৰ আচৰিত চিন
দিয়া নহব। ৪০"আৰু যোনা যেনেকৈ ডাঙৰ মাছৰ পেটত
আছিল, তেনেদৰেই মানৱ পুত্ৰইও তিনি দিন তিনি ৰাতি

[a] **১২:২৩ দায়ূদৰ সন্তান** যীচুৰ নাম। যিহেতু ভাৱবাদীসকলে কৈছিল যে দায়ুদৰ বংশৰ পৰা আহিব।
[b] **১২:২৪ চয়তান** গ্রীক ভাষাত চয়তানৰ আন নাম বেলচবুবৰ ব্যৱহাৰ হয়।
[c] **১২:২৬ যদি চয়তান** আক্ষৰিকভাবে "যদি চয়তানে চয়তানক খেদায়।"

পৃথিবীৰ গৰ্ভত থাকিব। ৪১ন্যায় বিচাৰৰ দিনা নীনৱি [a] নগৰৰ
মানুহবিলাকে এই কালৰ মানুহ বিলাকৰ সৈতে থিয় হ’ব
আৰু এই কালৰ লোকক দোষী কৰিব; কিয়নো নীনৱি
নগৰৰ মানুহ বিলাকে যেতিয়া যোনাৰ উপদেশ শুনিছিল
তেওঁলোকে তেওঁলোকৰ জীৱন পৰিবৰ্তন কৰিছিল। ইয়াত
যোনাতকৈয়ো মহান এজনাৰ কথা তোমালোকে শুনি
আছা, কিন্তু তোমালোকে নিজৰ জীৱন পৰিৰ্বতন কৰিববলৈ
বিচৰা নাই।
৪২“মহা-বিচাৰৰ দিনা দক্ষিণৰ ৰাণীয়ে[b] এই কালৰ লোক
বিলাকৰ সৈতে থিয় হৈ সিহঁতক দোষী কৰিব, কিয়নো
তেওঁ পৃথিৱীৰ সিমূৰৰ পৰা চুলেমানৰ জ্ঞানৰ কথা শুনিবলৈ
আহিছিল, কিন্তু ইয়াত চুলেমানতকৈও মহান এজনা আছে!
কিন্তু তোমালোকে তেওঁৰ কথা শুনিবলৈ অস্বীকাৰ কৰিলা।

## শূন্যতাৰ ভয়াৱহতা

*(লূক ১১:২৪–২৬)*

৪৩“যেতিয়া অশুচি আত্মাই কোনোবা মানুহৰ পৰা ওলাই
যায়, সি শুকান ঠাইত লৰৰ বাবে উপযোগী জিৰণি ঠাই
বিচাৰে কিন্তু কতো তেনে ঠাই বিচাৰি নাপায়, ৪৪তেতিয়া
সি কয়, ‘মই যি ঘৰৰ পৰা ওলাই আহিছিলো তালৈকে
উভতি যাম।’ সেয়ে সি ঘূৰি যায় আৰু সি এৰি যোৱা
মানুহজনৰ জীৱন এতিয়া কোনোবা আহিবৰ বাবে উদং,
চাফা আৰু সজোৱা-পৰোৱা ঘৰ হিচাপে পায়। ৪৫তেতিয়া
সেই দুষ্ট আত্মা গৈ তাতকৈও দুষ্ট সাতটা আত্মা লগত লৈ
আহে। তেতিয়া সকলোবোৰ দুষ্ট আত্মা ভিতৰলৈ যায়
আৰু সেই মানুহজনত থাকিবলৈ লয়। আৰু সেই মানুহৰ
অৱস্থা আগতকৈ বেছি ভয়ংকৰ হয়। বৰ্তমান কালৰ দুষ্ট
লোকবিলাকৰ সৈতেও এনেদৰেই হব।”

## যীচুৰ শিষ্যসকলেই প্ৰকৃত পৰিয়াল

*(মাৰ্ক ৩:৩১–৩৫; লূক ৮:১৯–২১)*

৪৬তেওঁ লোকসমূহক কথা কৈ থাকোতেই তেওঁৰ মাক
আৰু ভায়েক সকলে তেওঁক বিচাৰি আহি কথা পাতিবলৈ
বাহিৰত থিয় হৈ আছিল। ৪৭তেতিয়া কোনোবা এজনে
যীচুক গৈ কলে, “চাওক আপোনাৰ মাতৃ আৰু ভাই সকল
আপোনাৰ সৈতে কথা পাতিবলৈ বাহিৰত থিয় হৈ আছে।”
৪৮কিন্তু যীচুৱে তেওঁক উত্তৰ দিলে, “মোৰ মাতৃ কোন?
মোৰ প্ৰকৃত ভাই বন্ধু কোন বিলাক?” ৪৯তেতিয়া নিজৰ
শিষ্যবিলাকৰ ফালে আঙুলিয়াই কলে, “এওঁলোকেই
মোৰ প্ৰকৃত মাতৃ আৰু প্ৰকৃত ভাই-বন্ধু সকল, ৫০কিয়নো
যি কোনোৱে স্বৰ্গত থকা মোৰ পিতৃৰ ইচ্ছা পালন কৰে
তেওঁবিলাকেই মোৰ প্ৰকৃত ভাই, ভনী আৰু মাতৃ।”

## খেতিয়কে গুটি সিচাঁৰ দৃষ্টান্ত

*(মাৰ্ক ৪:১–৯; লূক ৮:৪–৮)*

**১৩** ১সেই দিনা যীচুৱে ঘৰৰ পৰা ওলাই গৈ
সৰোবৰৰ পাৰত বহি উপদেশ দিবলৈ ধৰিলে।
২তেতিয়া তেওঁৰ ওচৰত অনেক মানুহ গোটখোৱাত , তেওঁ
এখন নাৱত উঠি বহিল। আৰু বাকী সকলো মানুহ পাৰতে
থিয় হৈ থাকিল। ৩তেওঁ তেওঁবিলাকক অনেক দৃষ্টান্তৰে
বহুতো শিক্ষা দিলে, তেওঁ কলে যে,
“এজন খেতিয়কে কঠীয়া সিচিবলৈ গল। ৪তেওঁ কঠীয়া
সিচোঁতে কিছুমান কঠীয়া বাটৰ কাষত পৰিলত চৰাইবোৰে
আহি খুটি খালে। ৫কিছুমান কঠীয়া শিলনি মাটিত পৰিল, সেই
মাটিত বোকা কম আছিল। বাম মাটি হোৱা বাবে কঠীয়াখিনি
সোনকালে বাঢ়ি আহিল; ৬কিন্তু সূৰ্য্য উদয় হোৱাত তাৰ
শিপা নোহোৱাত তাপ লাগি শুকাই থাকিল। ৭আন কিছুমান
কঠীয়া কাইঁটনিত পৰিল, তাত কাইঁট বন বিলাক বাঢ়ি আহি
কঠীয়াক হেঁচি ধৰিল। ৮আন কিছুমান কঠীয়া ভাল আৰু
চহাই থোৱা সাৰুৱা মাটিত পৰিল। সেই বিলাকে বাঢ়ি ভাল
ফল দিবলৈ ধৰিলে, যিমান পৰিমানৰ কঠীয়া সিচাঁ হৈছিল
তাতকৈ ত্ৰিশ গুন, ষাঠি গুন আনকি এশ গুনতকৈয়ো বেছি
ফল উৎপন্ন হল। ৯যাৰ কাণ আছে তেওঁ শুনক।”

## দৃষ্টান্ত দিয়াৰ উদ্দেশ্য

*(মাৰ্ক ৪:১০–১২; লূক ৮:৯–১০)*

১০তেতিয়া যীচুৰ শিষ্যবিলাকে তেওঁৰ ওচৰলৈ আহি সুধিলে,
“আপুনি মানুহ বিলাকক কথা কওঁতে দৃষ্টান্তৰ ব্যৱহাৰ কিয়
কৰে?”
১১যীচুৱে তেওঁলোকক উত্তৰত কলে, “ঈশ্বৰৰ ৰাজ্যৰ
নিগূঢ় তত্ত্ববোৰ তোমালোককহে জানিবলৈ দিয়া হৈছে,
তেওঁবিলাকক নহয়, ১২কিয়নো যি জনে ঈশ্বৰৰ ৰাজ্যৰ
বিষয়ে জানিবলৈ ইচ্ছা কৰে তেওঁকহে ঈশ্বৰে জ্ঞান দিব।
কিন্তু যিজনে ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে জানিবলৈ ইচ্ছা নকৰে
তেওঁ যিখিনি জানিছিল সেয়াও পাহৰি যাব। ১৩মই এই
কাৰণেই দৃষ্টান্ত দি কথা কওঁ, কিয়নো তেওঁলোকে দেখিও
নেদেখে, শুনিও নুশুনে, বুজিও নুবোজে; ১৪সেয়ে যিচয়াই
যি ভাবোক্তি কৰিছিল সেয়া তেওঁলোকৰ দ্বাৰা সিদ্ধ হৈছে,

‘তোমালোকে শুনোতে শুনিবা,
কিন্তু প্ৰকৃততে নুবুজিবা;
তোমালোকে দেখোতে দেখিবা
কিন্তু প্ৰকৃততে নেদেখিবা।
১৫ কিয়নো এই মানুহবিলাকৰ মন এতিয়া বন্ধ,
তেওঁলোকৰ কান আছে কিন্তু তেওঁবিলাকে
শুনিবলৈ নিজকে কঠিন কৰিলে,
তেওঁলোকৰ চকু আছে, কিন্তু তেওঁলোকে চকু
বন্ধ কৰিলে,
তেওঁলোকে বুজিবলৈ ইচ্ছা নকৰিলে,
তেওঁলোকে মোলে ঘূৰি আহিবলৈ ইচ্ছা নকৰে।

[a] **১২:৪১ নীনবি** যিখন নগৰত যোনাই প্ৰচাৰ কৰিছিল যোনা ৩ অধ্যায় চাওক।

[b] **১২:৪২ দক্ষিনৰ ৰানী** নতুবা চীবাৰ ৰানী। তেওঁ প্ৰায় ১৬০০ কিমি যাত্ৰা কৰি আহিছিল চলোমনৰ পৰা ঈশ্বৰৰ জ্ঞানৰ বিষয়ে ওনিবলৈ। ১ ৰজা ১০:১–১৩ পঢ়ক।

ঈশ্বৰে কলে, কাৰণ মই তেওঁলোকক সুস্থ কৰাটো
তেওঁলোকে নিবিচাৰে।' *যিচয়া ৬:৯–১০*

১৬কিন্তু তোমালোক ধন্য কিয়নো তোমালোকে চকুৰে দেখা
পোৱা আৰু কাণেৰেও শুনা পোৱা। ১৭মই তোমালোকক
সত্য কথা কওঁ, "অনেক ভাৱবাদী আৰু ধাৰ্মিক লোকে
ইচ্ছা কৰিও দেখিবলৈ আৰু জানিবলৈ নাপালে, যিবোৰ
তোমালোকে আজি দেখিবলৈ আৰু শুনিবলৈ পাইছা।"

## গুটি বিষয়ক দৃষ্টান্তৰ ব্যাখ্যা

*(মাৰ্ক ৪:১৩–২০; লূক ৮:১১–১৫)*

১৮"তেন্তে এতিয়া কঠীয়া সিচাঁ খেতিয়কৰ দৃষ্টান্তৰ অৰ্থ কি
তাক শুনা,
১৯"সেই কঠীয়া যিবোৰ বাটৰ কাষত পৰিছিল তাৰ অৰ্থ
হল যিবিলাকে ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তাৰ কথা শুনোতে
শুনে কিন্তু নুবুজে, দুষ্টআই আহি তেওঁৰ মনত যি অলপ
আছিল তাকো কাঢ়ি লৈ যায়।
২০"আৰু যিবিলাক কঠীয়া শিলাময় মাটিত পৰিছিল
তাৰ অৰ্থ হল, যিবিলাকে ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তাৰ বাক্য
শুনে আৰু আনন্দৰে গ্ৰহন কৰে, কিন্তু তেওঁ গভীৰ ভাবে
গ্ৰহন নকৰি ক্ষন্তেকৰ বাবেহে লয়, ২১যেতিয়া বাক্যৰ বাবে
যেতিয়া তাড়না-ক্লেশ আহে তেতিয়া তেওঁলোকৰ বিশ্বাস
হেৰাই যায়।
২২"কাইঁটনিত পৰা কঠীয়াৰ অৰ্থ হল যিবিলাকে ঈশ্বৰৰ
ৰাজ্যৰ শুভবাৰ্তা শুনে আৰু বুজিও পায়, কিন্তু সংসাৰৰ
চিন্তা, ধন, লোভ, মোহ, মায়াই ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তাক
হেচিঁ ধৰে সেয়ে তেওঁবিলাক ফলপ্ৰসু হব নোৱাৰে।
২৩"ভাল আৰু সাৰুৱা মাটিত পৰা কঠীয়াৰ অৰ্থ হল,
যিবোৰে ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তাক ভালকৈ শুনে আৰু
বুজিও পায়, তেওঁবিলাক ভাল কঠীয়াৰ দৰে কিছুমান ত্ৰিশ
গুণ, ষাষ্টি গুণ, তথা এশ গুণলৈকে লাভৱান হয়।"

## গোম আৰু বিনৈ গুটিৰ দৃষ্টান্ত

২৪যীচুৰে তেওঁলোকক আৰু এটা দৃষ্টান্তৰ কথা কলে,
"ঈশ্বৰৰ ৰাজ্যক কোনো এজন ভাল কঠীয়া সিচাঁ খেতিয়কৰ
লগত তুলনা দিব পাৰি! ২৫এৰাতি তেওঁলোক যেতিয়া
টোপনিত আছিল তেতিয়া তেওঁলোকৰ শত্ৰুৱে আহি
ঘেহুঁ কঠীয়াৰ মাজত বিনৈ বনৰ গুটি সিচি থৈ যায়। ২৬পাচে
যেতিয়া ঘেহুঁৰ কঠীয়া বাঢ়ি আহিবলৈ ললে লগতে সেই
বিনৈ বনৰ কঠীয়াও বাঢ়ি অহা দেখা পোৱা গল, ২৭তেতিয়া
খেতিয়কৰ দাস বিলাকে আহি খেতিয়কক কলে, 'মহাশয়
আপুনিতো শস্যৰ পথাৰত ভাল বীজৰ কঠীয়া সিচিছিল নহয়
জানো? কিন্তু এই বিনৈ বনবোৰ কৰ পৰা আহিল?'
২৮"তেতিয়া খেতিয়কে কলে, 'এইটো কোনোবা শত্ৰুৰ
কাম হব।'
"তেওঁৰ দাসবিলাকে পুনৰ সুধিলে, 'আমি গৈ সেই বিনৈ
বনবোৰ উঘালি পেলাওঁনে?'
২৯"তেওঁ কলে, 'নহয়, কাৰণ তোমালোকে বিনৈ বন
বোৰ উঘালোঁতে ঘেহুঁৰ গছকো উঘালি পেলাব পাৰা!
৩০যেতিয়ালৈকে শস্য নপকে দুয়োটাকে একেলগে
বাঢ়িবলৈ দিয়া, যেতিয়া শস্য দাৱৰ সময় হব মই শস্য
চপোৱাবিলাকক কম প্ৰথমে বিনৈ বনবোৰ উঘালি মুঠি,
মুঠিকৈ বান্ধি জুইত পেলাই দিবি, আৰু তাৰ পাছত ঘেহুঁৰ
শস্যক গোটাই মোৰ ভৰাঁলত জমা থবি।'"

## সৰিয়হৰ গুটি আৰু খমিৰৰ দৃষ্টান্ত

*(মাৰ্ক ৪:৩০–৩৪; লূক ১৩:১৮–২১)*

৩১যীচুৰে তেওঁলোকক আৰু দৃষ্টান্ত দি কলে, "ঈশ্বৰৰ ৰাজ্য
এটি সৰিয়হ গুটিৰ নিচিনা। তাক লৈ কোনো এজনে পথাৰত
সিচি দিলে, ৩২এই সৰিয়হ গুটি সকলোবোৰ গুটিত কৈ সৰু;
কিন্তু যেতিয়া ই বাঢ়ে তেতিয়া শাকনিৰ সকলো শাকতকৈ
ডাঙৰ হৈ গছৰ দৰে হয়, তেতিয়া আকাশৰ চৰাইবোৰে
আহি ইয়াৰ ডালবোৰত বাঁহ সাজে।"
৩৩তেওঁ তেওঁলোকক পুনৰ দৃষ্টান্তৰে কথা কলে: "ঈশ্বৰৰ
ৰাজ্য খমিৰৰ নিচিনা, যিটোৰ লগত এগৰাকী মহিলাই যথেষ্ট
সৰহ পৰিমাণৰ পিঠাগুৰি[a] মিহলাই আটাইখিনি নুফুলালৈকে
ঢাকি থয়।"
৩৪যীচুৰে লোকসমূহক এই সকলোবোৰ কথা দৃষ্টান্তৰে
কলে। দৃষ্টান্তৰ অবিহনে তেওঁ তেওঁলোকক একো কথাকে
নকলে। ৩৫ঈশ্বৰে ভাৱবাদীৰ দ্বাৰা কোৱা কথা এইদৰেই পূৰ্ণ
হৈছিল ঈশ্বৰে কৈছিল:

"মই দৃষ্টান্তৰ দ্বাৰাইহে কথা কম,
সৃষ্টিৰ আৰম্ভণিৰে পৰা গুপ্ত হৈ থকা বিষয়বোৰ
প্ৰকাশ কৰিম।" *গীতমালা ৭৮:২*

## যীচুৰে টান দৃষ্টান্ত ব্যাখ্যা কৰে

৩৬যেতিয়া যীচুৰে লোকসমূহক বিদায় দি তেওঁ থকা ঘৰৰ
ভিতৰলৈ আহিল, "তেওঁৰ শিষ্যবিলাকে আহি তেওঁক
সুধিলে, শস্য ক্ষেত্ৰৰ বিনৈ বনৰ দৃষ্টান্তৰ অৰ্থ আমাক বুজাই
দিয়ক।"
৩৭যীচুৰে উত্তৰ দি কলে, "যি জনে ভাল কঠীয়া সিচিলে
সেইজন মানৱ পুত্ৰ, ৩৮আৰু এই জগতখন হল শস্যক্ষেত্ৰ,
ভাল কঠীয়াৰ অৰ্থ হৈছে ঈশ্বৰৰ ৰাজ্যৰ সন্তানবিলাক। আৰু
বিনৈ বনৰ অৰ্থ হল চয়তানৰ সন্তানবিলাক আৰু, ৩৯বিনৈ বন
সিচোতা জন হৈছে চয়তান; শস্য দোৱাৰ সময়ে জগতৰ
শেষ কালক বুজাইছে আৰু শস্য চপাওঁতা সকল হৈছে
স্বৰ্গদূত।
৪০"যেনেদৰে বিনৈ বনবোৰ গোটাই মুঠি বান্ধি জুইত
পোৱা যায় একেদৰেই জগতৰ অন্ততো কৰা হব। ৪১মানৱ
পুত্ৰই নিজৰ স্বৰ্গদূত বিলাকক পঠাই তেওঁৰ ৰাজ্যৰ
সকলো পাপীক আৰু তেওঁলোকক পাপ কৰিবলৈ উদগণি

[a] **১৩:৩৩ যথেষ্ট সৰহ পৰিমানৰ পিঠাগুৰি** প্ৰায় ১০ কিগ্ৰা পিঠাগুৰি ১০০ জনতকৈ অধিক মানুহক খুৱাবলৈ যথেষ্ট।

দিয়া বিলাকক; ৪২তেওঁৰ ৰাজ্যৰ পৰা বাহিৰ কৰি জ্বলন্ত অগ্নিকুণ্ডত পেলাই দিব; তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব। ৪৩আৰু ধাৰ্মিক সকল তেওঁলোকৰ পিতৃৰ ৰাজ্যত সূৰ্য্যৰ দৰে দীপ্তিমান হব! যাৰ কাণ আছে তেওঁ শুনক।

### ধন আৰু মুকুতাৰ দৃষ্টান্ত

44“ঈশ্বৰৰ ৰাজ্য খেতিৰ পথাৰত পুতি থোৱা ধনৰ নিচিনা; কোনোবা এজন মানুহে দেখা পাই আকৌ তাতে পুতি থলে। পাচত তেওঁ আনন্দৰে গৈ নিজৰ সকলো খিনি বেচি সেই খেতি পথাৰখন কিনি ললে।

৪৫“ঈশ্বৰৰ ৰাজ্য, উত্তম উত্তম মুকুতা বিচৰা সদাগৰৰ নিচিনা, ৪৬তেওঁ এটা বহুমূলীয়া মুকুতা দেখা পাই, ঘূৰি গৈ তেওঁৰ সকলোবোৰ বেচি সেই মুকুতাটো কিনি ললে।

### মাছ ধৰা জালৰ দৃষ্টান্ত

৪৭“ঈশ্বৰৰ ৰাজ্য, মাছ ধৰিবলৈ সৰোবৰত পেলাই দিয়া জালৰ নিচিনা,যাৰ দ্বাৰা বিভিন্ন ধৰণৰ মাছ ধৰা হয়। ৪৮যেতিয়া জালখন মাছেৰে পৰিপূৰ্ণ হয় জালোৱাবিলাকে জালখন চপাই পাৰলৈ আনি বহি ভাল ভাল মাছবোৰ বাচি খালৈত ভৰাই, কিন্তু বেয়া মাছবোৰ পেলাই দিয়ে। ৪৯এই যুগৰ অন্ততো একেদৰেই হব। স্বৰ্গদূত বিলাকে আহি ধাৰ্মিক বিলাকৰ মাজৰ পৰা পাপীবিলাকক পৃথক কৰিব, ৫০আৰু সিহঁতক জ্বলন্ত অগ্নিকুণ্ডত পেলাই দিব; তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব।”

৫১যীচুৱে নিজৰ শিষ্যবিলাকক সুধিলে, “তোমালোকে এই সকলোবোৰ কথাৰ অৰ্থ বুজি পালানে?”

তেওঁলোকে কলে, “হয়।”

৫২পুনৰ যীচুৱে শিষ্যবিলাকক কলে, “চোৱা ঈশ্বৰৰ ৰাজ্যৰ প্ৰত্যেক জন বিধান পন্ডিত হৈছে নিজৰ ভৰাঁলৰ পৰা ন-পুৰনি দ্ৰব্য উলিওৱা একোজন গৃহস্থৰ দৰে।”

### নিজৰ গাৱঁত মছীহৰ অসন্মান

*(মাৰ্ক ৬:১–৬; লূক 4:১৬–৩০)*

৫৩যীচুৱে দৃষ্টান্তৰ কথা কৈ শেষ কৰি সেই স্থানৰ পৰা গুচি গল। ৫4আৰু তেওঁ নিজ গৃহ নগৰলৈ আহি যিহুদী নাম-ঘৰ বোৰত উপদেশ দিবলৈ ধৰিলে। লোক সমূহে বৰ বিস্ময় মানি কবলৈ ধৰিলে, “এওঁ এইবোৰ জ্ঞান আৰু আচৰিত কৰ্মৰ শক্তি কৰ পৰা পালে? ৫৫এওঁ সেই বাঢ়ৈৰ পুতেক নহয়নে? এওঁৰ মাকৰ নাম মৰিয়ম নহয় জানো? আৰু যাকোব, যোচেফ, চিমোন, আৰু যিহুদা এওঁৰ ভায়েক সকল নহয়নে? ৫৬আৰু এওঁৰ ভনীয়েক বিলাকো আমাৰ মাজতে নাই জানো? তেন্তে এওঁ এইবোৰ কেনেকৈ কৰিব পাৰিছে?” ৫৭সেয়ে তেওঁলোকে তেওঁক গ্ৰহন নকৰিলে।

তেতিয়া যীচুৱে তেওঁবিলাকক কলে, “এজন ভাৱবাদীয়ে নিজৰ ঘৰ আৰু নিজৰ নগৰক বাদ দি সকলোতে সন্মান পায়।” ৫৮তেওঁবিলাকৰ অবিশ্বাসৰ কাৰনে যীচুৱে তাত অধিক আচৰিত কৰ্ম নকৰিলে।

### হেৰোদে ভাবে যীচুৱেই যোহন বাপ্তাইজক

*(মাৰ্ক ৬:১4–২৯; লূক ৯:৭–৯)*

১4 ১সেই সময়ৰ গালীল প্ৰদেশৰ শাসনকৰ্তা হেৰোদে যেতিয়া যীচুৰ বিষয়ে শুনিবলৈ পালে, ২তেওঁ নিজৰ বিষয়া সকলক কলে, “বাপ্তিস্মদাতা যোহন, তেওঁ পুনৰাই জী উঠিল সেয়ে তেওঁৰ গাত থকা অদ্ভুত শক্তিৰ দ্বাৰা এই ধৰণৰ আচৰিত কৰ্ম কৰি আছে।”

### যোহন বাপ্তাইজকৰ মৃত্যু

৩এই জনেই সেই হেৰোদ যি জনে যোহনক বন্দী কৰাই শিকলিৰে বান্ধি কাৰাগাৰত থবলৈ দিছিল। এই কাম কৰিলে যিহেতু হেৰোদিয়াৰ সৈত্যে হোৱা পৰিস্থিতিৰ কাৰনে যি গৰাকী আগতে হেৰোদৰ নিজৰ ভাই ফিলিপৰ ভাৰ্য্যা আছিল। 4যোহনে বাৰে বাৰে হেৰোদক কৈ আছিল, “তুমি ভাই বোৱাৰীক ৰখাটো উচিত নহয়!” ৫সেয়ে হেৰোদে তেওঁক বধ কৰিবলৈ ইচ্ছা কৰিও বধ কৰিব নোৱাৰিছিল কাৰন যিহুদী সকলে তেওঁক এজন ভাৱবাদী বুলি মানিছিল সেয়ে তেওঁ তেওঁবিলাকৰ কাৰনে ভয় কৰিছিল।

৬কিন্তু হেৰোদৰ জন্ম দিনৰ দিনা হেৰোদিয়াৰ জীয়েকে, নিমন্ত্ৰণ কৰা অতিথি আৰু ৰজা হেৰোদক নৃত্য কৰি সন্তুষ্ট কৰিলত, ৭তেওঁ ছোৱালীজনীক শপত দি কলে যে, তুমি যি খোজা তাকেই তোমাক দিম। ৮তেতিয়া ছোৱালীজনীয়ে মাকে শিকাই দিয়া দৰেই আহি কলে, “মোক যোহন বাপ্তাইজকৰ মূৰটো এখন থালত দিয়ক।”

৯ৰজা বৰ দু:খিত হল যদিও নিজৰ শপত আৰু নিমন্ত্ৰী অতিথি সকলৰ কাৰণে তাইৰ ইচ্ছা পূৰ্ণ কৰিবলৈ দিলে। ১০তেওঁ কাৰাগাৰলৈ যোহনৰ মূৰটো শিৰচ্ছেদ কৰি আনিবলৈ ঘাটক পঠাই দিলে। ১১তাতে ঘাটক জনে যোহনৰ মূৰটো এখন থালত আনি ছোৱালীজনীক দিলে, আৰু ছোৱালীজনীয়ে তাক নিজৰ মাকৰ ওচৰলৈ লৈ গল। ১২তেতিয়া যোহনৰ শিষ্যবিলাকে খবৰ পাই আহি তেওঁৰ শৱ টো নি কবৰ দিলে। আৰু তেওঁলোকে গৈ কি ঘটিলে তাক যীচুক জনালে।

### পাঁচ হাজাৰৰ অধিকক খুউৱা

*(মাৰ্ক ৬:৩০–৪৪; লূক ৯:১০–১৭; যোহন ৬:১–১4)*

১৩যেতিয়া যীচুৱে যোহনৰ বিষয়ে শুনিবলৈ পালে, তেওঁ তাৰ পৰা নাৱত উঠি নিৰ্জন ঠাইলৈ অকলশৰে থাকিবলৈ অকলে গুচি গল। কিন্তু লোকসমূহে গম পাই নগৰৰ পৰা বামেদি খোজ কাঢ়ি তেওঁক অনুসৰন কৰিলে। 14যীচুৱে যেতিয়া নাৱৰ পৰা নামি পাৰলৈ আহিল, বিৰাট মানুহৰ জুম এটা দেখা পালে। লোকসমূহলৈ চাই যীচুৰ তেওঁলোকৰ প্ৰতি মৰম লাগিল আৰু তেওঁবিলাকৰ মাজৰ ৰোগীবিলাকক সুস্থ কৰিলে।

১৫যেতিয়া গধূলি হল তেতিয়া তেওঁৰ শিষ্যবিলাকে তেওঁৰ ওচৰলৈ আহি কলে, “এইখন নিৰ্জন ঠাই আৰু সময়ো বহুত হল; লোকসমূহক পঠিয়াই দিয়ক যাতে তেওঁবিলাকে গাৱঁলৈ গৈ নিজৰ বাবে কিবা খাবলৈ কিনিব পাৰে।”

১৬কিন্তু যীচুৱে তেওঁলোকক কলে, “এওঁলোকৰ কলৈকো
যোৱাৰ প্ৰয়োজন নাই, তোমালোকেই এওঁলোকক কিবা
খাবলৈ দিয়া।”
১৭শিষ্যবিলাকে তেওঁক কলে, “আমাৰ লগত মাত্ৰ পাচঁটা
পিঠা আৰু দুটি মাছৰ বাদে আৰু একোৰেই নাই।”
১৮যীচুৱে কলে, “সেইবোৰ মোৰ ওচৰলৈ আনা।”
১৯তেওঁ লোকসমূহক ঘাঁহনিৰ ওপৰত বহিবলৈ কলে।আৰু
তেওঁ সেই পাচোঁটা পিঠা আৰু মাছ দুটিক লৈ স্বৰ্গলৈ চাই
আহাৰৰ বাবে ঈশ্বৰক ধন্যবাদ দিলে, আৰু পিঠা টুকুৰা
কৰি তেওঁৰ শিষ্যবিলাকক দিলে। শিষ্যসকলে সেই টুকুৰা
পিঠা লোকসমূহক ভগাই দিলে। ২০সকলোৱে পেট ভৰাই
ভোজন কৰিলে, তাৰ পাছত বাচি যোৱা টুকুৰা টুকুৰি বিলাক
তেওঁৰ শিষ্যবিলাকে বাৰটা পাচিত ভৰালে। ২১মহিলা আৰু
সৰু লৰা-ছোৱালীক হিচাবত বাদ দিও তাত ভোজন কৰা
লোক (পুৰুষ) প্ৰায় পাঁচ হাজাৰ আছিল।

## পানীৰ ওপৰত খোজ কঢ়া

*(মাৰ্ক ৬:৪৫–৫২; যোহন ৬:১৬–২১)*

২২ইয়াৰ ঠিক পাচতেই যীচুৱে শিষ্য সকলক নাৱত
উঠিবলৈ কলে, তেওঁ লোকসমূহক বিদায় দিয়ে মানে,
শিষ্যসকলক গালীল সৰোবৰৰ সিপাৰলৈ আগতীয়াকৈ
যাবলৈ কলে। ২৩লোকসমূহক বিদায় দিয়াৰ পাছত
তেওঁ অকলে প্ৰাৰ্থনা কৰিবলৈ পাহাৰৰ ওপৰলৈ উঠিল।
সন্ধিয়া পৰলৈকে তেওঁ তাতে অকলশৰীয়াকৈ থাকিল।
২৪তেতিয়ালৈকে নাওখন পাৰৰ পৰা যথেষ্ট দূৰলৈকে
ওলাই গৈছিল। ঢৌ আৰু তীব্ৰ বতাহৰ কোৱত নাৱখন
ঢলং-পলং হৈ আছিল।
২৫ৰাতিপুৱা প্ৰায় তিনি আৰু ছয়টা বজাৰ মাজত যীচুৱে
সৰোবৰত খোজ কাঢ়ি তেওঁলোকৰ ওচৰলৈ আহিল।
২৬তেওঁৰ শিষ্যসকলে যেতিয়া তেওঁক সৰোবৰৰ ওপৰেদি
খোজ কাঢ়ি অহা দেখা পালে, তেওঁবিলাকে ভয় খাই
পৰস্পৰে কলে, “এইটো তো কোনোবা ভূত হয়!” সেয়ে
ভয়ত চিঞঁৰিবলৈ ধৰিলে।
২৭যীচুৱে ততালিকে তেওঁলোকক মাত লগাই কলে,
“নিৰ্ভয় হোৱা! এইয়া মইয়েই হয়।”[a] ভয় নকৰিবা।”
২৮পিতৰে মাত লগাই কলে, “প্ৰভু যদি সচাঁকৈ আপুনিয়ে
হয় তেন্তে মোক পানীৰ ওপৰেদি আপোনাৰ ওচৰলৈ
আহিবৰ বাবে অনুমতি দিয়ক।”
২৯যীচুৱে কলে, “পিতৰ আহাঁ।”
পিতৰে নাৱৰ পৰা ওলাই যীচুৰ ফাললৈ পানীৰ ওপৰেদি
খোজ ললে। ৩০কিন্তু তেওঁ তীব্ৰ বতাহ ধুমুহা আৰু ঢৌ দেখি
ভয় খালে, আৰু ডুবিবলৈ ধৰিলে আৰু চিঞঁৰি মাতিলে,
“প্ৰভু মোক ৰক্ষা কৰক।”
৩১যীচুৱে তৎক্ষণাত তেওঁৰ ওচৰলৈ আহি তেওঁক হাতত
ধৰি কলে, “হে অল্পবিশ্বাসী তুমি কিয় সন্দেহ কৰিলা?”
৩২যেতিয়া তেওঁলোকে নাৱত উঠিলে, বতাহ-ধুমুহা শান্ত
হল। ৩৩নাৱত থকা শিষ্যবিলাকে যীচুৰ প্ৰশংসা কৰি কলে,
“সচাঁকে আপুনি ঈশ্বৰৰ পুত্ৰ।”

## যীচুৱে বহুত ৰোগীক সুস্থ কৰা

*(মাৰ্ক ৬:৫৩–৫৬)*

৩৪তেওঁলোকে সৰোবৰ পাৰ হৈ গিনাচেৰত্ প্ৰদেশলৈ
আহিল। ৩৫তাত থকা লোকসমূহে যীচুক চিনি পাই
ওচৰে পাজৰে সকলো ঠাইলৈ, যীচু অহাৰ সংবাদ পঠাই
দিয়াত তেওঁলোকে সকলো ধৰণৰ ৰোগী তেওঁৰ ওচৰলৈ
আনিবলৈ ধৰিলে। ৩৬তেওঁবিলাকে যীচুক মিনতি কৰি কলে,
আমাক কেৱল আপোনাৰ কাপোৰৰ দহি কন চুবলৈ দিয়ক।
আৰু যিবিলাকে চুলে সকলোৱে সম্পূৰ্ণকৈ সুস্থ হৈ উঠিল।

## ঈশ্বৰৰ বিধান আৰু মানুহৰ নীতি নিয়ম

*(মাৰ্ক ৭:১–২৩)*

**১৫** ১তেতিয়া কিছুমান ফৰীচী আৰু যিহুদী বিধান-
পণ্ডিতে জেৰুচালেমৰ পৰা যীচুৰ ওচৰলৈ আহি
তেওঁক সুধিলে, ২“তোমাৰ শিষ্যসকলে আমাৰ পূৰ্ব-পূৰুষৰ
পৰা চলি অহা পৰম্পৰা আৰু ৰীতি-নীতিবোৰ কিয় পালন
নকৰে? সেইটো হল, তোমাৰ শিষ্যসকলে ভোজন কৰাৰ
আগত ৰীতিমতে কিয় হাত নধুৱে?”
৩যীচুৱে উত্তৰ দি কলে, “তোমালোকৰ পূৰ্ব্বপুৰুষসকলৰ
বিধিৰ কাৰণে তোমালোকেও ঈশ্বৰৰ আজ্ঞা পালন নকৰা।
৪কিয়নো ঈশ্বৰে কৈছিল, ‘তুমি তোমাৰ পিতৃ-মাতৃক
সন্মান কৰা,’[b] আৰু ‘যদি কোনোৱে নিজৰ পিতৃ-মাতৃক
অপমান কৰে তেওঁক নিশ্চয় বধ কৰিব লাগে।’[c] ৫কিন্তু
তোমালোকে কোৱা যি কোনোৱে নিজৰ পিতৃ-মাতৃক কব
পাৰে যে, মোৰ পৰা যিহৰে আপোনাৰ উপকাৰ হলহেঁতেন
তাক ঈশ্বৰলৈ আগ কৰা হৈছে, সেয়ে আপোনালোকক
সহায় কৰিব নোৱাৰোঁ। ৬তোমালোকে শিক্ষা দিয়া যে পিতৃ-
মাতৃক সন্মান কৰাৰ প্ৰয়োজন নাই, সেইদৰে তোমালোকে
নিজৰ পুৰুষে পুৰুষে চলি অহা ৰীতি-বিধিৰ কাৰণে ঈশ্বৰৰ
আজ্ঞাবোৰক উলংঘা কৰিছা। ৭হে কপটীয়াবিলাক, যিচয়া
ভাৱবাদীয়ে তোমালোকৰ বিষয়ে ভালকৈয়ে ভাবোক্তি
প্ৰচাৰ কৰিছিল।
৮ ‘মোৰ মানুহবিলাকে কেৱল ওঁঠেৰেহে মোক সন্মান
কৰে;
কিন্তু সিহঁতৰ মন মোৰ পৰা দুৰত থাকে।
৯ মোক অৰ্নথক সেৱা-উপাসনা কৰে,

[a] **১৪:২৭ এইয়া মই** আক্ষৰিকভাবে “মই” এইটো নিজৰ পৰিচয়ত গ্ৰীকত সাধাৰনভাবে ব্যৱহাৰ হয়। এই মইয়েই হয়, যোহন ৯:৯। মই ব্যৱহাৰ ঈশ্বৰৰ নামত পুৰনি নিয়মত হৈছে (যাত্ৰা ৩:১৪)। এই সম্ভৱত লিখকে তেওঁৰ ও শ্ৰোতা আৰু পঢ়োতা সকলক উপৰুক্ত গভীৰ অৰ্থ বুজাবলৈ এই শব্দাংশ ব্যৱহাৰ কৰিছে।

[b] **১৫:৪** উদ্ধৃত যাত্ৰা. ২০:১২; দ্বি. বি. ৫:১৬

[c] **১৫:৪** উদ্ধৃত যাত্ৰা. ২১:১৭

আৰু মানুহে বনুৱা বিধিবোৰকে উপদেশ বুলি
শিক্ষা দিয়ে।’” *যিচয়া ২৯:১৩*

১০তেওঁ লোকসমূহক নিজৰ ওচৰলৈ মাতি কলে,
১১“শুনা আৰু বুজিবলৈ চেষ্টা কৰা, মানুহৰ মূখৰ ভিতৰলৈ
যি সোমাই সেইবোৰে মানুহজনক অশুচি নকৰে, কিন্তু
মানুহৰ মূখৰ পৰা ওলোৱা কু-বাক্যই তেওঁক অপবিত্ৰ কৰে।”
১২তেতিয়া যীচুৰ শিষ্যবিলাকে তেওঁৰ ওচৰলৈ আহি
কলে, “আপোনাৰ কথা শুনি ফৰীচীবিলাকে অপমান পালে,
ইয়াক আপুনি জানেনে?”
১৩যীচুৱে উত্তৰ দি কলে, “সকলো পুলি উঘলা যাব, যাক
মোৰ স্বৰ্গীয় পিতৃয়ে ৰোৱা নাই।” ১৪তেওঁলোকক বাদ দিয়া।
(তেওঁবিলাকৰ পৰা আতৰি থাকিবা) তেওঁলোক হৈছে অন্ধ
বিলাকৰ নেতা, যদি এজন অন্ধই আনজনক বাট দেখুৱাই
তেনেহলে দুয়োজনেই খালত পৰিব।”
১৫তেতিয়া পিতৰে তেওঁক কলে, “আমাক অপবিত্ৰতাৰ
দৃষ্টান্তৰ বিষয়ে বুজাই দিয়ক।”
১৬যীচুৱে তেওঁক কলে, “তোমালোকে এতিয়াও বুজা
নাইনে? ১৭তোমালোকে নাজানানে যি বস্তু মানুহৰ মূখলৈ
সোমায় সেইটো তেওঁৰ পেটৰ ভিতৰলৈকে যায় আৰু
শৌচৰ ঠাইত বাহিৰ হয়, ১৮কিন্তু যিটো মানুহৰ মূখৰ পৰা
বাহিৰলৈ ওলাই, সেইটো তেওঁৰ মনৰ পৰা ওলাই আৰু
সেইটোৱেই মানুহক অপবিত্ৰ কৰে। ১৯কিয়নো মনৰ পৰা
ওলোৱা মন্দ বিষয়সমুহ হল, কু-চিন্তা, হত্যা, ব্যাভিচাৰ,
যৌন পাপ, চুৰ, মিছা কথা, আৰু নিন্দাৰ নিচিনা। ২০এই
বিলাকেই মানুহক অপবিত্ৰ কৰে। প্ৰকৃত নিয়মত হাত
নুধুৱাকৈ ভোজন কৰিলে কোনো অপবিত্ৰ নহয়।”

## যীচুৱে এগৰাকী অযিহুদী মহিলাক সহায় কৰা

*(মাৰ্ক ৭:২৪–৩০)*

২১তাৰ পাছত যীচুৱে সেই ঠাই এৰি তুৰ আৰু চিদোন
অঞ্চললৈ গল। ২২তাত এজনী কানানী মহিলা আহিল, আৰু
চিঞৰি কবলৈ ধৰিলে, “হে প্ৰভু দায়ূদৰ সন্তান মোক দয়া
কৰক, মোৰ ছোৱালী জনীক বেয়াকৈ ভূতে লম্ভিছে।”
২৩যীচুৱে তেওঁক এষাৰ কথাও নকলে, তেওঁৰ
শিষ্যবিলাকে তেওঁৰ ওচৰলৈ আহি অনুৰোধ কৰিলে, “এই
গৰাকী মহিলাই আমাৰ পিছে পিছে চিঞৰি চিঞৰি আহি
আছে তেওঁক দূৰলৈ পঠিয়াই দিয়ক।”
২৪যীচুৱে উত্তৰ দি কলে, “মোক ইস্ৰায়েলৰ হেৰাই যোৱা
মেৰ বিলাকৰ বাহিৰে আন কাৰো ওচৰলৈ পঠোৱা নাই।”
২৫তেতিয়া সেই মহিলা গৰাকীয়ে তেওঁৰ আগত আঁঠু লৈ
মিনতি কৰিলে, “হে প্ৰভু মোক ৰক্ষা কৰক।”
২৬উত্তৰত যীচুৱে কলে, “শিশুবিলাকৰ খোৱা বস্তু লৈ
কুকুৰৰ আগত পেলাই দিয়াটো উচিত নহয়।”
২৭মহিলাগৰাকীয়ে কলে, “হয়, সঁচা প্ৰভু, কিন্তু নিজৰ
গৰাকীৰ মেজৰ পৰা তললৈ পৰি যোৱাবোৰ অলপ হলেও
কুকুৰ বিলাকেও খাবলৈ পায়।”
২৮তেতিয়া যীচুৱে কলে, “হে নাৰী তোমাৰ বিশ্বাস
(মহান), তুমি যি ইচ্ছা কৰিছা সেয়াই হওক।” আৰু
ততালিকে তেওঁৰ ছোৱালী জনী সুস্থ হৈ গল।

## যীচুৱে বহুতো লোকক সুস্থ কৰা

২৯পাছত যীচুৱে তাৰ পৰা গৈ গালীল সৰোবৰৰ পাৰ
পালেগৈ। তাতে এটি পৰ্বতত উঠি বহিল।
৩০তাত বহুত মানুহৰ ভিৰ হল আৰু তেওঁলোকে,
কোঙা, খোৰা, অন্ধ, কলা-বোবা আৰু এনে ধৰণৰ
অনেক ৰোগীক লৈ তেওঁৰ ওচৰলৈ আহিবলৈ ধৰিলে।
লোকসমূহে তেওঁবিলাকক তেওঁৰ চৰণত থলেহি, আৰু
যীচুৱে তেওঁলোক সকলোকে সুস্থ কৰিলে। ৩১কলা-বোবাই
কথা কোৱা, কোঙা-খোৰাই ভাল হৈ খোজ কঢ়া, অন্ধই
দৃষ্টি পোৱা, দেখি লোকসমূহে বৰ আচৰিত মানিলে। আৰু
তেওঁলোকে ইস্ৰায়েলৰ ঈশ্বৰৰ প্ৰশংসা কৰিব ধৰিলে।

## চাৰি হাজাৰৰো অধিক মানুহক খুউৱা

*(মাৰ্ক ৮:১–১০)*

৩২তেতিয়া যীচুৱে শিষ্যবিলাকক ওচৰলৈ মাতি কলে, “এই
লোক সমূহলৈ মোৰ মৰম লাগিছে কিয়নো লোকসমূহে তিনি
দিন ধৰি নিৰন্তৰে মোৰ লগত আছে কিন্তু ইহঁতৰ ওচৰত
খাবলৈ একো নাই, মই এওঁলোকক লঘোণে পঠাব নিবিচাৰো
কাৰণ তেওঁলোক বাটত অচেতন হৈ পৰি যাব পাৰে।”
৩৩তেতিয়া শিষ্যবিলাকে কলে, “ইমান মানুহৰ কাৰনে
এই নিৰ্জন ঠাইত ইমান আহাৰ আমি কত পাম?”
৩৪যীচুৱে তেওঁলোকক সুধিলে, “তোমালোকৰ ওচৰত
কিমান পিঠা আছে?”
তেওঁলোকে কলে, “সাতোটা পিঠা আৰু কেইটিমান সৰু
মাছ আছে।”
৩৫যীচুৱে লোকসমূহক মাটিত বহিবলৈ কৈ সাতোটা
পিঠা আৰু মাছক লৈ ঈশ্বৰক ধন্যবাদ দিলে, ৩৬আৰু পিঠা
ভাঙিলে আৰু শিষ্যসকলক দিলে। শিষ্যসকলে লোক
সকলক বিলাই দিলে। ৩৭লোকসমূহে পেট ভৰাকৈ
খালে, তাতে তেওঁৰ শিষ্যবিলাকে টুকুৰা-টুকৰি অৱশেষ
খিনি সাতোটা পাচিত ভৰালে। ৩৮মহিলা আৰু সৰু লৰা-
ছোৱালীক হিচাবত বাদ দি তাত চাৰি হাজাৰ পুৰুষে আহাৰ
খালে। ৩৯তেতিয়া যীচুৱে লোকসমূহক তেওঁলোকৰ নিজৰ
ঘৰলৈ উভতি যাবলৈ কলে আৰু যীচুৱে নাৱত উঠি মগদন
অঞ্চললৈ গুচি গল।

## যীচুৰ শক্তিক সন্দেহ কৰা

*(মাৰ্ক ৮:১১–১৩; লূক ১২:৫৪–৫৬)*

**১৬** ১পাচে ফৰীচী আৰু চদ্দূকীবিলাকে আকৌ যীচুৰ
ওচৰলৈ আহিল। তেওঁলোকে যীচুক পৰীক্ষা
কৰিব বিচাৰিছিল, সেয়ে তেওঁলোকে তেওঁক কিবা আচৰিত
চিন দেখুৱাবলৈ কলে, তেতিয়া তেওঁলোকে মানি লব যে
তেওঁক ঈশ্বৰে পঠিয়াইছে।

২তেওঁ তেওঁলোকক উত্তৰ দি কলে, “সূৰ্য্য মাৰ যোৱা
চাই তোমালোকে বতৰৰ লক্ষণবোৰ কব পাৰা। যদিহে
আকাশখন ৰঙা হয় তোমালোকে কোৱা আজি বতৰ
ভাল। ৩যদি আকাশখন ক’লা আৰু ৰঙা দেখা তেতিয়া
কোৱা আজি বতৰ ডাৱৰীয়া তোমালোকে আকাশৰ লক্ষণ
বোৰ ধাৰণা কৰিব জানা, কিন্তু নিজৰ সময়ৰ লক্ষণ[a] ধাৰণা
কৰিব নাজানা। ৪দুষ্ট আৰু অধৰ্ম্মীবংশৰ লোকসকলে
প্ৰমানস্বৰূপে আচৰিত চিনৰ লক্ষণ বিচাৰে। কিন্তু
তোমালোকক যোনাৰ চিনৰ বাহিৰে আৰু তেওঁলোকক
আন একো চিন দিয়া নহব। তেতিয়া যীচুৱে তেওঁলোকক
এৰি গুচি গল।

## যীচুৰ শিষ্যসকলৰ ভূল ধাৰণা

*(মাৰ্ক ৮:১৪–২১)*

৫যীচু আৰু তেওঁৰ শিষ্যবিলাক সৰোবৰৰ সিপাৰলৈ
গল, কিন্তু তেওঁলোকে পিঠা লবলৈ পাহৰিলে। ৬যীচুৱে
তেওঁলোকক কলে, “ফৰীচী আৰু চদ্দূকীবিলাকৰ খমিৰলৈ
সাৱধান হবা।”

৭তেতিয়া শিষ্যবিলাকে ইজনে-সিজনে কোৱা মেলা কৰি
কলে, “হব পাৰে আমি পিঠা ননাৰ কাৰণে আমাক এইদৰে
কৈছে।”

৮তেওঁলোকে কি ভাবিছিল যীচুৱে জানিছিল সেয়ে
তেওঁ কলে, “তোমালোক হে অল্পবিশ্বাসী বিলাক,
তোমালোকৰ লগত পিঠা ননাৰ কাৰনে কিয় ইজনে-
সিজনে কোৱা মেলা কৰিছা? ৯তোমালোকে এতিয়াও
বুজা নাইনে? তোমালোকৰ মনত পৰা নাইনে?
পাঁচহাজাৰ লোকক পাচোঁটা পিঠাৰ খুউৱাৰ পাছত
বাকীখিনি তোমালোকে কেইটা পাচিত তুলি লৈছিলা।
১০আৰু তোমালোকৰ মনত নাইনে? চাৰি হাজাৰ লোকক
সাতোটা পিঠাৰে খুউৱাৰ পাছত বাকীখিনি তোমালোকে
কিমানটা পাচিত তুলি লৈছিলা? ১১তোমালোকে কিয় বুজা
নাই মই তোমালোকক পিঠাৰ বিষয়ে কোৱা নাই? মই
তোমালোকক ফৰীচী আৰু চদ্দূকীবিলাকৰ খমিৰৰ পৰা
সাৱধানে থাকিবলৈ কৈছোঁ।

১২তেতিয়া শিষ্যসকলে বুজি পালে যে যীচুৱে
তেওঁলোকক ফৰীচী আৰু চদ্দূকীবিলাকে দিয়া শিক্ষাৰ
পৰাহে সাৱধানে থাকিব কৈছে। তেওঁ পিঠাত ব্যৱহাৰ কৰা
খমিৰৰ কথা কোৱা নাছিল।

## পিতৰৰ স্বীকাৰোক্তি-যীচুৱেই খ্ৰীষ্ট

*(মাৰ্ক ৮:২৭–৩০; লূক ৯:১৮–২১)*

১৩যেতিয়া যীচু কৈচৰীয়া ফিলিপৰ প্ৰদেশলৈ আহিল আৰু
তেওঁৰ শিষ্যসকলক সুধিলে, “লোকসমূহে মোক[b] কোন
হয় বুলি কয়?”

১৪তেওঁলোকে কলে, “কিছুমানে কয় যে আপুনি
বাপ্তিস্মদাতা যোহন হয়, আন কিছুমানে কয় আপুনি
এলিয়া[c] আকৌ আন বিলাকে কয় যিৰিমিয়া[d] বা ভাৱবাদী
সকলৰ মাজৰ এজন।”

১৫যীচুৱে তেওঁলোকক কলে, “আৰু তোমালোকে মোক
কোন বুলি কোৱা?”

১৬চিমোন পিতৰে উত্তৰ দি কলে, “আপুনি খ্ৰীষ্ট,
জীৱনময় ঈশ্বৰৰ পুত্ৰ।”

১৭যীচুৱে উত্তৰত তেওঁক কলে, “যোনাৰ পুত্ৰ চিমোন!
তুমি ধন্য কিয়নো তুমি এই কথা কোনো মানুহৰ দ্বাৰা
নহয়, কিন্তু স্বৰ্গত থকা মোৰ পৰম পিতৃৰ পৰাহে জানিব
পাৰিলা। ১৮ময়ো কওঁ যে তুমি পিতৰ[e] আৰু এই শিলৰ
ওপৰত মই মোৰ মণ্ডলী স্থাপন কৰিম। মৃত্যুৰ শক্তিয়েও[f]
মোৰ মণ্ডলীক পৰাজয় কৰিব নোৱাৰিব। ১৯মই তোমাক
স্বৰ্গৰাজ্যৰ চাবিবোৰ দিম। তাতে তুমি পৃথিৱীত যিহকে বন্ধ
কৰা, সেয়া স্বৰ্গতো বন্ধ কৰা হব, আৰু তুমি পৃথিৱীত যহকে
মুকলি কৰা, সেয়ে স্বৰ্গতো মুকলি কৰা হব।

২০কিন্তু তেওঁ তেওঁৰ শিষ্যবিলাকক, তেওঁ যে খ্ৰীষ্ট হয়
তাক ককো নকবলৈ নিৰ্দেশ দিলে।

## যীচুৱে নিজৰ মৃত্যু হ’ব বুলি ঘোষণা কৰা

*(মাৰ্ক ৮:৩১–৯:১; লূক ৯:২২–২৭)*

২১সেই সময়ত যীচুৱে নিজৰ শিষ্যবিলাকক কবলৈ ল’লে
যে তেওঁ জেৰুচালেমলৈ যাব লাগিব। তাতে তেওঁক যিহুদী
বিধান পণ্ডিত, বৃদ্ধ যিহুদী নেতা আৰু মহাপুৰোহিত সকলৰ
দ্বাৰা অনেক দু:খ-কষ্ট দি বধ কৰা হব। কিন্তু তিনি দিনৰ
দিনা তেওঁ পুনৰ জী উঠিব।

২২তেতিয়া পিতৰে তেওঁক এফলীয়াকৈ নি অভিযোগ
কৰি কলে, “প্ৰভু ঈশ্বৰে আপোনাক দয়া কৰক, আপোনাৰ
কেতিয়াও এনে নহওক!”

২৩যীচুৱে পিতৰৰ ফালে ঘূৰি চাই কলে, “দূৰ হ, চয়তান!
তই মোৰ পথৰ বিঘিনি স্বৰূপ। কিয়নো তই ঈশ্বৰৰ দৰে
নাভাবি মানুহৰ দৰেহে ভাবিছ।”

২৪তেতিয়া যীচুৱে শিষ্যবিলাকক কলে, “যদি কোনোবাই
মোৰ পাছত আহিবলৈ বিচাৰে তেনেহলে তেওঁ নিজকে
দমন কৰক আৰু নিজৰ ক্ৰুচ তুলি মোৰ পাচত আহক।
২৫যিজনে নিজৰ জীৱন ৰক্ষা কৰিব বিচাৰে তেওঁ তাক
হেৰুৱাব। কিন্তু যি জনে মোৰ কাৰণে নিজৰ জীৱন হেৰুৱাই
তেওঁ প্ৰকৃত জীৱন পাব। ২৬কাৰণ কোনোৱে যদি নিজৰ

[a] **১৬:৩ সময়ৰ লক্ষন** পুৰনি গ্ৰীক লিপিত এই শব্দবোৰ নাই।
[b] **১৬:১৩ মোক** আক্ষৰিকভাবে মানৱপুত্ৰ।
[c] **১৬:১৪ এলিয়া** ইস্ৰায়েলেৰ বৰ গুৰুত্বপূৰ্ণ নেতা আৰু ভাৱবাদী ৮৫০ খৃ. পূ. ২৫ বছৰত ঈশ্বৰৰহৈ কথা কৈছিল। যীচুক সময়ত যিহুদী বিলাকে মছীহৰ আগতে এলিয়াক আহাৰ আশা কৰিছিল। মালাখী ৪:৫–৬ চাওক
[d] **১৬:১৪ যিৰিমীয়া** ঈশ্বৰৰ হৈ যিজনে ৬০০ খৃ. পূ. কথা কৈছিল।
[e] **১৬:১৮ পিতৰ** কৈফাচ আৰামিক নাম অৰ্থ শিল।
[f] **১৬:১৮ মৃত্যুৰ শক্তি** আক্ষৰিকভাবে নৰকৰ দুৱাৰবোৰে ‘নৰক’ এটা গ্ৰীক ভাষাত যত মৃত্যু হোৱালোকৰ আত্মাবিলাক বিচাৰ নোহোৱা পৰ্যন্ত থাকে তাৰ পিচত জীৱনলৈ আহে।

জীৱন দি গোটেই জগতখনকে পায়ো যদি নিজৰ প্ৰাণৰ হানি কৰে তেন্তে তেওঁৰ কি লাভ? মানুহে নিজৰ প্ৰাণৰ সলনি কি দিব? ২৭কিয়নো মানৱপুত্ৰই স্বৰ্গদূতবিলাকৰ সহিত নিজৰ পিতৃৰ প্ৰভাৱেৰে আহিবলৈ উদ্যত হৈছে। আৰু প্ৰত্যেকজনক নিজৰ নিজৰ কৰ্ম্ম অনুসাৰে পুৰস্কাৰ দিব। ২৮তোমালোকক মই সচাঁকৈ কওঁ ইয়াত এনে কিছুমান লোক আছে যিসকল মানৱপুত্ৰক নিজৰ ৰাজ্যলৈ অহা নেদেখেমানে মৃত্যুভোগ নকৰিব।"

## যীচুক মোচি আৰু এলিয়াৰ লগত দেখা

*(মাৰ্ক ৯:২–১৩; লূক ৯:২৮–৩৬)*

**১৭** ১তাৰ ছদিনৰ পাছত, যীচুৱে পিতৰ, যাকোব আৰু তেওঁৰ ভায়েক যোহনক লগত লৈ নিৰৱে ওখ পৰ্ব্বতলৈ উঠিলে ২তাত তেওঁ তেওঁলোকৰ সম্মুখত অন্য ৰূপ ধৰিলে। তেওঁৰ মুখমণ্ডল সূৰ্য্যৰ দৰে দিপ্তিময় আৰু তেওঁৰ কাপোৰ পোহৰৰ নিচিনা শুক্ল হল। ৩তেতিয়া অকস্মাতে মোচি আৰু এলিয়া দেখা দিলে আৰু যীচুৰ সৈতে কথোপকথন আৰম্ভ কৰিলে।

৪তাকে চাই পিতৰে যীচুক কলে, "প্ৰভু, আমি ইয়াত থকাটো ভাল। আপোনাৰ ইচ্ছা হলে, মই ইয়াত তিনিটা পজাঁ সাজো, এটা আপোনালৈ, এটা মোচিলৈ আৰু এটা এলিয়ালৈ।"

৫পিতৰে এই কথা কৈ থাকোতেই এটুকুৰা উজ্জ্বল মেঘে তেওঁলোকক ছাঁ দি ধৰিলে; আৰু সেই মেঘ টুকুৰাৰ পৰা এই মাত শুনা গল, "এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট, এওঁৰ কথা শুনা!"

৬যেতিয়া শিষ্যসকলে এই কথা শুনিলে, তেওঁলোকে ভয়ত কম্পমান হৈ উবুৰি খাই মাটিত পৰিল , ৭কিন্তু যীচুৱে তেওঁলোকৰ ওচৰলৈ গৈ তেওঁলোকক স্পৰ্শ কৰি কলে, "ভয় নকৰিবা, উঠা" ৮যেতিয়া শিষ্যসকলে ওপৰলৈ চালে তেওঁলোকে কেৱল যীচুৰ বাহিৰে কাকো দেখা নাপালে।

৯পাচে তেওঁলোকে পৰ্ব্বতৰ পৰা নামোতে যীচুৱে তেওঁলোকক আজ্ঞা দিলে, "তোমালোকে যি দেখিলা এই দৰ্শনৰ কথা তেতিয়ালৈকে কাকো নকবা যেতিয়ালৈকে মানৱপুত্ৰই মৃত্যুৰ পৰা পুনৰুত্থিত নহয়।"

১০আকৌ তেওঁৰ শিষ্যসকলে তেওঁক সুধিলে, "যিহুদী বিধান পণ্ডিত সকলে কিয় কয়, এলিয়া, খ্ৰীষ্টৰ আগমণতকৈ প্ৰথমে আহিব লাগে বুলি?"

১১তেওঁ উত্তৰ দি তেওঁলোকক কলে, "সঁচা, এলিয়া আহি আছে, তেওঁ সকলোকে পুনৰ স্থাপিত কৰিব হয়। ১২কিন্তু মই তোমালোকক কওঁ, "এলিয়া কেতিয়াবাই আহিল। কিন্তু লোকসমূহে তেওঁক চিনি নাপালে আৰু তেওঁলোকে যেনেদৰে বিচাৰিলে তেওঁৰ প্ৰতি তেনে ব্যৱহাৰ কৰিলে। মই মানৱপুত্ৰ ও তেওঁলোকৰ পৰা একেদৰে দুঃখ যাতনা ভোগ কৰিব গৈছো।" ১৩তেতিয়া তেওঁৰ শিষ্যবিলাকে যোহন বাপ্তাইজকৰ কথা কৈছে বুলি বুজি পালে।

## অশুচি আত্মাৰ পৰা এজন ল'ৰাক সুস্থ কৰা

*(মাৰ্ক ৯:১৪–২৯; লূক ৯:৩৭–৪৩)*

১৪পাচে যীচু আৰু তেওঁৰ শিষ্যসকলে লোকসমূহৰ ওচৰলৈ আহিলত এজন লোকে আহি যীচুক ওচৰলৈ আহি আঠুকাঢ়ি প্ৰণাম কৰি কলে, ১৫"হে প্ৰভু মোৰ লৰাক দয়া কৰক, সি দুষ্ট আত্মাৰ দ্বাৰা যাতনা পাই আছে। তেওঁ বাৰে বাৰে জুই আৰু পানীত পৰে। ১৬মই তাক আপোনাৰ শিষ্যসকলৰ ওচৰলৈ আনিছিলো কিন্তু তেওঁলোকে তাক সুস্থ কৰিব নোৱাৰিলে।"

১৭যীচুৱে উত্তৰ দি কলে, "হে পথভ্ৰষ্ট আৰু অবিশ্বাসী বিলাক! মই কিমান কাল তোমালোকৰ লগত থাকিম? কিমান সময়নো তোমালোকক সহিম? লৰাটোক ইয়ালৈ মোৰ ওচৰত আনা।" ১৮তাতে যীচুৱে সেই অশুচি আত্মাক বাহিৰ ওলাই আহিবলৈ আজ্ঞা দিলে। আৰু ততালিকে লৰাটোৰ পৰা অশুচি আত্মা বাহিৰ ওলাল আৰু লৰাটো সুস্হ হল।

১৯পিচে তেওঁৰ শিষ্যবিলাকে যীচু অকলশৰে থকাত ওচৰলৈ আহি সুধিলে, "আমি এই অশুচি আত্মাক কিয় খেদাব নোৱাৰিলো?"

২০যীচুৱে তেওঁলোকক কলে, "কিয়নো তোমালোকক বিশ্বাসৰ অভাৱ আছে মই তোমালোকক সঁচাকৈ কৈছোঁ. যদি তোমালোকত এটি সৰিযহ গুটিৰ সমানো বিশ্বাস থাকে তেন্তে এই পৰ্বতটোকে যদি ইয়াৰ পৰা উঠি তালৈ যা বুলি কলেও সি গুচি যাব। তোমালোকৰ নিমিত্তে একো অসম্ভৱ নহব।" ২১[a]

## যীচুৱে নিজৰ মৃত্যুৰ বিষয়ে জনোৱা

*(মাৰ্ক ৯:৩০–৩২; লূক ৯:৪৩–৪৫)*

২২যেতিয়া যীচুৰ শিষ্যসকল আহি তেওঁৰ সৈতে গালীল প্ৰদেশত গোট খালত যীচুৱে তেওঁলোকক কলে, "মানৱপুত্ৰক আন মানুহৰ হাতত শোধাই দিয়া হব। ২৩আৰু তেওঁলোকে তেওঁক বধ কৰিব। কিন্তু তৃতীয় দিনা মৃত্যুৰ পৰা তেওঁ জী উঠিব!" এনেতে যীচুৰ শিষ্যবিলাকে এইসকলো শুনি বৰ দুঃখিত হল।

## কৰ দিয়াৰ বিষয়ে যীচুৰ শিক্ষা

২৪পাচে যীচু আৰু তেওঁৰ শিষ্যবিলাকে কফৰনাহূমলৈ আহিলত, মন্দিৰৰ কৰতোলোতাবিলাকে যি সকলে দুটাকৈ ৰূপৰ মুদ্ৰা মন্দিৰৰ বছৰি কৰ হিচাপে সংগ্ৰহ কৰে পিতৰৰ ওচৰলৈ আহি সুধিলে, "তোমালোকৰ গুৰুৱে মন্দিৰৰ কৰ নিদিয়েনে?"

২৫পিতৰে উত্তৰ দিলে, "হয়, তেওঁ দিয়ে।" আৰু পিতৰ ঘৰলৈ গল।

পিতৰে কোৱাৰ আগেয়ে যীচুৱে কলে, "চিমোন, তুমি

[a] **১৭:২১** কিছুমান গ্ৰীক লিপিত ২১ পদ "কিন্তু তেনেধৰনৰ আত্মা কেৱল লঘোন প্ৰাৰ্থনাতহে ওলাই আহে।"

কি চিন্তা কৰা? পৃথিৱীৰ ৰজা সকলে কাৰ পৰা কৰ[a] সংগ্ৰহ কৰে? নিজৰ পৰিয়ালৰ সদস্য বিলাকৰ পৰানে? অন্যৰ পৰা?”

২৬পিতৰে উত্তৰ দিলে, “অন্য লোকবিলাকৰ পৰা।”

তেতিয়া যীচুৱে তেওঁক কলে, “তেনেহলে ৰজাৰ পৰিয়ালৰ সন্তান[b] বিলাক কৰ দিয়াৰ পৰা মুক্ত। ২৭কিন্তু আমি এই কৰতোলোতাবিলাকক নিৰাশ নকৰাঁও, সেয়ে সৰোবৰলৈ যোৱা আৰু প্ৰথম মাছটো ধৰাৰ পাছত তাৰ মুখখন মেলিবা। তুমি এটা আধলি পাবা যিটোৰ দ্বাৰা আমাৰ দুয়োজনৰ কৰ দিবা পাৰিবা। তাক লৈ মোৰ আৰু তোমাৰ কৰৰ বাবদ দিবা।”

## শ্ৰেষ্ঠ কোন?

*(মাৰ্ক ৯:৩৩–৩৭; লূক ৯:৪৬–৪৮)*

**১৮** ১পাচে যীচুৰ শিষ্যসকলে তেওঁৰ ওচৰলৈ আহি সুধিলে, “ঈশ্বৰৰ ৰাজ্যত সকলোতকৈ মহান কোন?”

২তেতিয়া যীচুৱে এটি শিশুক নিজৰ ওচৰলৈ মাতিলে আৰু শিষ্যসকলৰ ওচৰত থিয় কৰাই কলে, ৩“মই তোমালোকক সঁচাকৈ কওঁ, যেতিয়ালৈ তোমালোকৰ মন আৰু জীৱন পৰিবৰ্তন নকৰা আৰু শিশুবিলাকৰ নিচিনা নোহোৱা, ঈশ্বৰৰ ৰাজ্যত কেতিয়াও প্ৰৱেশ কৰিব নোৱাৰা। ৪সেয়ে যিকোনোৱে নিজকে এই শিশুবিলাকৰ দৰে নম্ৰ কৰিব তেওঁহে স্বৰ্গ ৰাজ্যত সকলোতকৈ মহান হব।

৫“আৰু যি কোনোৱে এই শিশুৰ নিচিনা নম্ৰ ব্যক্তিক মোৰ নামেৰে গ্ৰহণ কৰে তেওঁ মোকেই গ্ৰহণ কৰে।

## পাপৰ কাৰণৰ বিষয়ে সতৰ্ক কৰা

*(মাৰ্ক ৯:৪২–৪৮ ; লূক ১৭:১–২)*

৬“কিন্তু যি কোনোৱে মোত বিশ্বাস কৰা বিলাকৰ মোৰ এনে নম্ৰ বিলাকৰ কোনো এজনক হানি কৰে ঈশ্বৰে তেওঁক শাস্তি দিব। যদি কোনোবাই তেওঁলোকৰ কোনো এজনক পাপ কৰোৱাই কৰে তেন্তে তেওঁ ডিঙিত ডাঙৰ জাঁত আঁৰি গভীৰ সমুদ্ৰত ডুবি মৰাই ভাল। ৭বাধা-বিঘিনিৰ কাৰণে সংসাৰৰ মানুহ বিলাকলৈ মই দুঃখিত; অৱশ্যে এইবোৰ বিঘিনি হবই, কিন্তু মই দুখী সেই বিলাকলৈ যিবিলাকে বিঘিনি জন্মায় তেওঁলোক সন্তাপৰ পাত্ৰ।

৮“তোমাৰ হাত বা ভৰিয়ে যদি তোমালৈ বিঘিনি জন্মাই তেন্তে তাক কাটি পেলোৱা, কিয়নো কোঙা বা কোজা হৈ অনন্ত জীৱনত প্ৰৱেশ কৰাই ভাল। কিয়নো দুয়ো হাত বা দুয়ো ভৰিৰে সৈতে কেতিয়াও নুনুমূৰা অনন্ত জুইত পেলাই দিয়া হব। ৯যদি তোমাৰ চকুৱে তোমালৈ বিঘিনি জন্মাই তেন্তে তাক উলিয়াই পেলোৱা কাৰণ দুচকুৱা হৈ নৰকত পেলোৱা হোৱাতকৈ অন্ধহৈ অনন্ত জীৱনত প্ৰৱেশ কৰাই তোমাৰ বাবে ভাল।

## যীচুৱে হেৰুৱা মেৰৰ দৃষ্টান্ত দিয়া

*(লূক ১৫:৩–৭)*

১০“চোৱা মোৰ এই সৰু সকলৰ মাজৰ কাকো হেয়জ্ঞান নকৰিবা। মই তোমালোকক কওঁ তেওঁবিলাকৰ দূতবিলাকে মোৰ স্বৰ্গত থকা পৰম পিতৃৰ লগত সদায় থাকে। ১১[c]

১২“তোমালোকে কি ভাবা? যদি কোনো মানুহৰ যদি এশটা মেৰ ছাগ থাকে, তাৰে যদি এটা হেৰাই যায় তেন্তে তেওঁ কি কৰিব? সেই নিৰানব্বৈটা মেৰ ছাগক পাহাৰত এৰি থৈ হেৰোৱা মেৰ ছাগক বিচাৰি নাযাব নে? ১৩তেওঁ নিশ্চয় যাব, যেতিয়া তাক পায়, মই তোমালোকক সত্য কওঁ, সেই নিৰানব্বৈটা মেৰ ছাগত কৈ এই এটা মেৰ ছাগৰ বাবে অধিক আনন্দিত হব। ১৪এই দৰেই, স্বৰ্গত থকা তোমালোকৰ পিতৃয়ে এই নম্ৰ বিলাকৰ কোনো এজনো হেৰুৱাটো নিবিচাৰে।”

## কোনোৱে যেতিয়া আঘাত কৰে

*(লূক ১৭:৩)*

১৫“যদি ঈশ্বৰৰ পৰিয়ালৰ তোমাৰ সহভাগী ভায়েৰা বা ভনীয়ে কিবা ভুল কৰে, তেন্তে তুমি তেওঁ অকলশৰে থাকোতে তেওঁৰ ওচৰলৈ গৈ তেওঁ কৰা ভুলৰ কথা জনাই অনুযোগ[d] কৰিবা। যদি তেওঁ তোমাৰ কথা শুনে তেনে হলে তুমি তেওঁক পুনৰায় তোমাৰ বন্ধু হবলৈ সহায় কৰিলা। ১৬কিন্তু যদি তোমাৰ কথা নুশুনে তেন্তে শাস্ত্ৰত কোৱাৰ দৰে, এজন বা দুজনলোকক সাক্ষীৰ মুখে যেন সকলো কথা মীমাংসা কৰিব পৰা যায় তাৰ বাবে এজন বা দুজন লোকক লগত লৈ[e] যাবা। ১৭তেওঁলোকৰ কথাও যদি নুশুনে তেন্তে মণ্ডলীৰ আগত জনাবা। আৰু যদি মণ্ডলীৰ কথাও নুশুনে বা নামানে তেন্তে তেওঁক অবিশ্বাসী নতুবা কৰতোলা বিলাকৰ দৰে ব্যৱহাৰ কৰিবা।

১৮“মই তোমালোক কওঁ যে পৃথিৱীত তোমালোকে যিহকে বন্ধ কৰা সেয়া স্বৰ্গতো ঈশ্বৰৰ দ্বাৰা বন্ধ কৰা হব, আৰু পৃথিৱীত যিহকে মুকলি কৰা স্বৰ্গতো ঈশ্বৰৰ দ্বাৰা মুকলি কৰা হব। ১৯মই তোমালোকক আৰু কওঁ, এই পৃথিৱীত তোমালোকৰ দুজনে যদি একমত হৈ স্বৰ্গস্থিত ঈশ্বৰক খোজে তেন্তে স্বৰ্গত থকা পিতৃয়ে পূৰ্ণ কৰিব। ২০কিয়নো যি ঠাইত দুজন বা তিনিজন মোৰ ৰ দৰে একত্ৰিত হয় (মোত বিশ্বাসকাৰী হিচাপে একত্ৰিত হয়), সেই ঠাইত ময়ো তেওঁলোকৰ মাজত থাকো।”

[a] **১৭:২৫ কৰ** আজিকালি বহুত চৰকাৰে কৰ আৰু মাছুল নিজৰ মানুহৰ পৰাও সংগ্ৰহ কৰে। সেই সময়ত সাধাৰনতে তেওঁলোকে জয় কৰি অনা লোকৰ পৰাহে কৰ তুলিছিল, নিজৰ নাগৰিকৰ পৰা নহয়।

[b] **১৭:২৬ পৰিয়ালৰ সন্তান** আৰু আনলোক বিলাক নাইবা আন অনুবাদ-নাগৰিক আৰু বিদেশী।

[c] **১৮:১১** কিছুমান গ্ৰীক লিপিত মানৱ পুত্ৰই হেৰুৱা লোকসকলক উদ্ধাৰ কৰিবলৈ আহিল। লূক ১৯:১০ চাওক।

[d] **১৮:১৫** কিছু পুৰনি লিপিত যোগ কৰা শব্দ “তোমাৰ বিৰুদ্ধে।”

[e] **১৮:১৬ দুজন লোকক লগত** দ্বি. বি. ১৯:১৫ চাওক।

### ক্ষমা বিষয়ৰ কাহিনী

২১পাচে পিতৰে যীচুৰ ওচৰলৈ গৈ সুধিলে, “প্ৰভু, মোৰ
অহিতে কোনোবাই যদি অপৰাধ কৰে, তেন্তে তেওঁক
কিমান বাৰলৈকে ক্ষমা কৰিম? সাতবাৰলৈকে কৰিম নে?”
২২যীচুৱে কলে, “মই সাত বাৰ বুলি নকওঁ; কিন্তু সত্তৰগুণ
সাতবাৰলৈকে[a] ক্ষমা কৰিবা।
২৩“ঈশ্বৰৰ ৰাজ্যৰ তুলনা সেই জন ৰজাৰ লগত কৰা হয়
যিজনে নিজৰ দাস বিলাকৰ সৈতে লেখ বুজ কৰিব খোজাৰ
দৰে। ২৪যেতিয়া তেওঁ লেখ-বুজ লবলৈ আৰম্ভ কৰিলত
তেওঁৰ ওচৰলৈ কোটি কোটি পৰিমান ৰূপৰ (দহ হাজাৰ
ৰূপৰ) ধৰুৱা এজনক অনা হল। ২৫কিন্তু ধাৰ পৰিশোধ
কৰিবলৈ তাৰ একো উপায় নথকাত, ৰজাই তাক তাৰ
দাসৰ তিৰোতা, লৰা ছোৱালী আৰু ঘৰৰ সৰ্ব্বোস্ব বেচি ধাৰ
পৰিশোধ কৰিবলৈ কলে।
২৬“তেতিয়া দাসজনে তেওঁৰ চৰণত আঁঠু লৈ অনুনয়
বিনয় কৰি কলে, ‘ধৈৰ্য্য ধৰক, মই সকলো পৰিশোধ
কৰিম।’ ২৭এনেতে তাৰ প্ৰতি ৰজাৰ দয়া উপজিল আৰু
তাৰ সকলো ধাৰ ক্ষমা কৰি এৰি দিলে।
২৮“পাচে যেতিয়া সেই দাসে তাৰ পৰা যাওঁতে বাটত
তেওঁৰ সহদাস এজনক লগ পালে সেই দাসজনে তেওঁক
এশ ৰূপৰ মুদ্ৰা পৰিশোধ কৰিব লগা আছিল। তাতে তেওঁ
সেই দাসজনৰ ডিঙি চেপি কলে মোক দিবলগীয়া খিনি দে!”
২৯“এনেতে তেওঁৰ সহদাস জনে তেওঁৰ ভৰিত আঁঠুলৈ
বিনয় কৰি কলে, ‘ধৈৰ্য্য ধৰক, মই সকলো পৰিশোধ
কৰিম।’
৩০“কিন্তু তেওঁ তাৰ কথা নুশুনি তেওঁক, ধাৰ পৰিশোধ
নকৰালৈকে কাৰাগাৰত সুমুৱাই ৰাখিলে। ৩১এনেতে আন
সহদাস সকলে এই ঘটনাৰ বিষয়ে দুঃখিত হৈ ৰজাক গৈ
সকলো কথা জনালে।
৩২“তেতিয়া ৰজাই সেই প্ৰথম দাসক মতাই আনি কলে,
‘হেৰ দুষ্ট দাস, তুমি মোক মিনতি কৰাত মই তোমাৰ
সকলো ধাৰ ক্ষমা কৰি দিলো। ৩৩তুমিও তোমাৰ সহদাসক
একেদৰেই কৰাটো উচিত আছিল, যেনেকৈ তোমালৈ
কৰা হৈছিল।’ ৩৪এনেতে ৰজাই বহুত ক্ৰোধিত হৈ
যেতিয়ালৈকে ধাৰ পৰিশোধ নকৰে কঠোৰ শাস্তি বিহিবলৈ
কাৰাগাৰত সুমুৱাই থলে।”
৩৫“সেই দৰে তোমালোকে তোমালোকৰ ভায়েৰাক বা
ভনীক অন্তৰৰ পৰা ক্ষমা নকৰিলে, তোমালোকক মোৰ
স্বৰ্গীয় পিতৃয়েও একেদৰেই ব্যৱহাৰ কৰিব।”

### বিবাহবিচ্ছেদৰ বিষয়ে যীচুৰ শিক্ষা

*(মাৰ্ক ১০:১–১২)*

**১৯** ১যীচুৱে এইবোৰ কৈ এটালঁত গালীলৰ পৰা
উভতি যৰ্দন নদীৰ সিপাৰে যিহুদীয়াৰ অঞ্চললৈ
গল। ২এক বিৰাট মানুহৰ জুম তেওঁৰ পাছে পাছে গলত,
তেওঁ বিলাকৰ ৰোগীয়া সকলক তেওঁ সুস্থ কৰিল।
৩তেওঁক পৰীক্ষা কৰিবৰ উদ্দেশ্যে কেইজনমান
ফৰীচীলোকে তেওঁৰ ওচৰলৈ আহি সুধিলে, “কোনাবাই
কিবা কাৰণত নিজৰ ভাৰ্য্যাক ত্যাগ কৰাটো আমাৰ বিধানে
অনুমতি দিয়েনে?”
৪যীচুৱে উত্তৰ দি কলে, “তোমালোকে শাস্ত্ৰত পঢ়া
নাইনে?যেতিয়া সৃষ্টিকতাই জগত সৃষ্টি কৰিলে তেওঁ
মানুহক ‘পুৰুষ আৰু স্ত্ৰী ৰূপত সৃষ্টি কৰিলে।’[b] ৫আৰু ঈশ্বৰে
কলে, ‘এই হেতুকে পুৰুষে নিজৰ পিতৃ-মাতৃক এৰি নিজ
ভাৰ্য্যাত আসক্ত হব, আৰু দুয়ো এক দেহ হব।’[c] ৬গতিকে
তেওঁলোক আৰু দুজন নহয়, এজনহে ঈশ্বৰে যাক যোগ
কৰিলে তাক মানুহে পৃথক নকৰক।”
৭ফৰীচীবিলাকে কলে, “তেন্তে মোচিয়ে, ত্যাগ পত্ৰ
লিখিত দি ভাৰ্য্যাক ত্যাগ দিবলৈ কিয় দিলে?”[d]
৮যীচুৱে তেওঁলোকক কলে, “তোমালোকৰ মনৰ
কঠিনতাৰে ঈশ্বৰৰ ব্যৱস্থাক অগ্ৰাহ্য কৰাৰ কাৰণে মোচিয়ে
ত্যাগ পত্ৰ লিখি দি ভাৰ্য্যাক ত্যাগ দিবলৈ অনুমতি দিলে,
কিন্তু আৰম্ভণিত ত্যাগ কৰাৰ অনুমতি নাছিল। ৯মই
তোমালোকক কওঁ যে ব্যাভিচাৰৰ বাদে অন্য কিবা
কাৰণত যদি নিজস্ব ভাৰ্য্যাক যি কোনোৱে ত্যাগ পত্ৰ দি
অন্য কাৰোবাক বিয়া কৰায় তেতে তেওঁ ব্যাভিচাৰ কৰে।”
১০তেওঁৰ শিষ্যবিলাকে তেওঁক কলে, যদি এজন মানুহৰ
তেওঁৰ ভাৰ্য্যাক ত্যাগ দিয়াৰ সেইটোৱেই একমাত্ৰ কাৰন
হয়, তেন্তে বিয়া নকৰোৱাই ভাল।
১১যীচুৱে তেওঁলোকক কলে, “যিবিলাক লোকক ঈশ্বৰৰ
পৰা অকলে থাকিবলৈ বৰ দিয়া হৈছে তেওঁলোকেহে এই
শিক্ষা গ্ৰহণ কৰিব পাৰে আন বিলাকে এই শিক্ষা গ্ৰহণ কৰিব
নোৱাৰে। ১২কিয়নো, বিয়া নকৰাৰ বিভিন্ন কাৰণ, কিয়নো
কিছুমান জন্মৰ পৰাই নুপুংসক, কিছুমান মানুহে ইচ্ছা কৰি
নপুংসক হৈছে[e] আৰু কিছুমানে ঈশ্বৰৰ ৰাজ্যৰ কাৰণে বিয়া
নকৰিবলৈ নিশ্চয়তা কৰে। যি কোনোৱে এই শিক্ষা গ্ৰহণ
কৰিবলৈ পাৰিব তেওঁলোকে গ্ৰহণ কৰা উচিত।”

### শিশুবিলাকক আশীৰ্বাদ কৰা

*(মাৰ্ক ১০:১৩–১৬; লূক ১৮:১৫–১৭)*

১৩তেতিয়া কিছুমান লোকে শিশুসকলক যীচুৰ ওচৰলৈ
আনিলে, যাতে তেওঁ শিশুবিলাকৰ মুৰৰ ওপৰত হাত দি
তেওঁবিলাকৰ কাৰণে প্ৰাৰ্থনা কৰি আশীৰ্বাদ দিয়ে। কিন্তু
তেওঁৰ শিষ্যবিলাকে লোকসমূহক শিশুবিলাকক অনাৰ
কাৰনে ডবিয়ালে। ১৪এনেতে যীচুৱে কলে, “শিশুবিলাকক
মোৰ ওচৰলৈ আহিবলৈ দিয়া, নিষেধ নকৰিবা, কিয়নো
ঈশ্বৰৰ ৰাজ্য এনেকোৱা বিলাকৰহে।” ১৫তেতিয়া যীচুৱে

[a] **১৮:২২ সত্তৰ গুনবাৰলৈকে** সত্তৰগুন সাতবাৰ বৃহৎ সংখ্যা। এইয়াৰ অৰ্থ হল ক্ষমাৰ কোনো সীমা হোৱা উচিত নহয়।

[b] **১৯:৪** উদ্ধৃত আদি ১:২৭
[c] **১৯:৫** উদ্ধৃত আদি ২:২৪
[d] **১৯:৭ ত্যাগ পত্ৰ ... দিলে** দ্বি. বি. ২৪:১ চাওক।
[e] **১৯:১২** আক্ষৰিকভাবে নপুংসক বিলাক আছে।

শিশুবিলাকৰ ওপৰত হাত দি আশীৰ্বাদ কৰি তাৰ পৰা গুচি গল।

## ধনী মানুহে যীচুক অনুসৰণ নকৰে

*(মাৰ্ক ১০:১৭–৩১; লূক ১৮:১৮–৩০)*

১৬তাত এজন মানুহ আছিল, তেওঁ যীচুৰ ওচৰলৈ আহি কলে, “গুৰু, অনন্ত জীৱন পাবলৈ মই কেনে ভাল কৰ্ম কৰিব লাগে?”

১৭যীচুৱে তেওঁক কলে, “ভাল কি? তাৰ বিষয়ে মোক কিয় সুধিছা ভাল তো কেৱল এজনাইহে! তথাপিত যদি তুমি অনন্ত জীৱনত প্ৰৱেশ কৰিব বিচৰা তেন্তে আজ্ঞাবোৰ পালন কৰা।”

১৮তেওঁ সুধিলে, “কোনটো আজ্ঞা?”

তেতিয়া যীচুৱে কলে, “‘নৰবধ নকৰিবা, ব্যভিচাৰ নকৰিবা, চুৰ নকৰিবা, মিছা সাক্ষ্য নিদিবা। ১৯নিজৰ পিতৃ-মাতৃক সন্মান কৰিবা’ আৰু ‘নিজৰ চুবুৰীয়াক নিজৰ দৰেই প্ৰেম কৰিবা।’”

২০ডেকাজনে যীচুক কলে, “মই এই সকলো বোৰ পালন কৰি আহিছো। মোৰ আৰ কৰিবলৈ কি বাকী আছে?”

২১যীচুৱে তেওঁক কলে, “তুমি যদি সিদ্ধ হবলৈ বিচৰা তেন্তে যোৱা আৰু তোমাৰ সকলোবোৰ বেচি আৰু সেই ধন দৰিদ্ৰ বিলাকক বিলাই দিয়া তেতিয়া স্বৰ্গত তোমাৰ ধন হব আৰু আহি মোৰ অনুগামী হোৱা!”

২২যেতিয়া ডেকাজনে এই কথা শুনিলে সি বেজাৰ মনেৰে তাৰ পৰা গুচি গল। কিয়নো তেওঁৰ অজস্ৰ ধনসম্পতি আছিল।

২৩যীচুৱে তেওঁৰ শিষ্যসকলক কলে, “মই তোমালোকক সঁচাকৈ কওঁ, ধনী মানুহবিলাক স্বৰ্গ ৰাজ্যত প্ৰৱেশ কৰাটো দুঃসাধ্য। ২৪মই পুনৰাই তোমালোকক কওঁ ধনী মানুহ ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰাতকৈ বেজীৰ বিন্ধাইদি উট সৰকি যোৱাটো সহজ।”

২৫যেতিয়া তেওঁৰ শিষ্যসকলে এই কথা শুনিলে তেওঁবিলাকে বিস্ময় হৈ সুধিলে, “তেন্তে কোনে পৰিত্ৰাণ পাব পাৰে?”

২৬যীচুৱে তেওঁবিলাকলৈ চাই কলে, “মানুহৰ কাৰণে এইটো অসম্ভৱ কিন্তু ঈশ্বৰৰ কাৰণে সম্ভৱ।”

২৭পিতৰে উত্তৰ দি যীচুক কলে, “চাওঁক আমি সকলো এৰি থৈ আপোনাৰ পাছত আহিলো তেন্তে আমি কি পাম?”

২৮যীচুৱে তেওঁলোকক কলে, “মই তোমালোকক সঁচাকৈ কওঁ নতুন সৃষ্টিত যেতিয়া মানৱপুত্ৰই নিজৰ মহিমাময় সিংহাসনত বহিব, তেতিয়া তোমালোকেও বাৰখন সিংহাসনত বহি ইস্ৰায়েল জাতিৰ বাৰফৈদৰ ন্যায় বিচাৰ কৰিবা। ২৯আৰু যিবিলাকে মোৰ নামৰ বাবে নিজৰ ঘৰ বাৰী, ভাই-ভনী আৰু পিতৃ-মাতৃক, সন্তান বিলাকক, খেতিবাৰী আদিক ত্যাগ কৰে, তেওঁলোক এশ গুনতকৈ অধিক পাব আৰু অনন্ত জীৱনৰো অধিকাৰী হব। ৩০কিন্তু অনেক যিসকল প্ৰথমবুলি গণ্য হৈছে তেওঁলোক পাচ হব আৰু যিসকল পাচত আছে তেওঁলোক আগ হব।

## বনুৱাৰ দৃষ্টান্ত

**২০** ১“ঈশ্বৰৰ ৰাজ্য এনে এজন জমীদাৰৰ নিচিনা, যিজনে ৰাতিপুৱাতেই তেওঁৰ দ্ৰাক্ষাবাৰীত কাম কৰিবলৈ বনুৱা বিচাৰি ওলাই গল। ২তেওঁ সিহঁতক ৰূপৰ এটকা মুদ্ৰা [a] বনুৱা সকলক দি এদিনৰ হাজিৰা দিবলৈ বন্দৱস্ত কৰি দ্ৰাক্ষাবাৰীত কাম কৰিবলৈ পঠাই দিলে।

৩“পাছে আকৌ নটা মান বজাত জমীদাৰে বাহিৰলৈ গৈ কিছুমান লোকক একো কাম নকৰাকৈ বজাৰত ইফালে-সিফালে থিয় হৈ থকা দেখা পালে ৪তেতিয়া তেওঁ, তেওঁলোকক কলে, ‘তোমালোকেও মোৰ দ্ৰাক্ষাবাৰীলৈ গৈ কাম কৰা আৰু যি উচিত হব মই তোমালোকক দিম।’ ৫তাতে তেওঁবিলাকেও দ্ৰাক্ষাবাৰীত কাম কৰিবলৈ গল।

“তাৰ পাছত বাৰ আৰু তিনি বজাত একেদৰেই বনুৱা বিলাকক কাম কৰিবলৈ পঠালে। ৬আকৌ প্ৰায় পাঁচ মান বজাত তেওঁ ঘৰৰ পৰা ওলাই গৈ কিছুমান লোকক বজাৰত ইফালে-সিফালে থিয় হৈ থকা দেখা পালে। তেওঁ সিহঁতক সুধিলে, ‘তোমালোকে ইয়াত গোটেই দিন অকাৰণে কিয় থিয় হৈ আছা?’

৭তেওঁলোকে তেওঁক কলে, ‘কিয়নো আমাক কোনেও কামত লগোৱা নাই।’

তেওঁ তেওঁলোকক কলে, “তোমালোকেও মোৰ দ্ৰাক্ষাবাৰীলৈ গৈ কাম কৰা।”

৮“পাছে গধূলি হলত দ্ৰাক্ষাবাৰীৰ গৰাকীয়ে নিজৰ প্ৰধান কৰ্মচাৰীক কলে, ‘বনুৱা সকলক মাতি শেষত লগোৱা বনুৱাৰ পৰা আৰম্ভ কৰি প্ৰথমে লগোৱা বনুৱাসকলক হাজিৰা দি দিয়া।’

৯“যিবিলাক বনুৱাই পাচ বজাত কাম আৰম্ভ কৰিছিল সিহঁতক প্ৰত্যেককে ৰূপৰ এটকাকৈ পালে। ১০আৰু যিসকলে প্ৰথমে কামত লাগিছিল তেওঁবিলাকে ভাবিছিল যে বেছিকৈ সিহঁতক দিয়া হব; কিন্তু সিহঁতেও প্ৰত্যেকেই একেই হাজিৰা এটাকৈ ৰূপৰ মুদ্ৰা পালে। ১১তেওঁলোকে তাকে পাই গৰাকীৰ বিৰুদ্ধে আপত্তি কৰিলে। ১২আৰু কলে, ‘আমাতকৈ পিচত কামত অহা বিলাকে মাত্ৰ এঘন্টাহে কাম কৰিলে; আৰু আমি গোটেই দিনটো ৰ’দতে আগত কাম কৰিলোঁ তথাপি আপুনি সিহঁতক আমাৰ সমানে দিলে।’

১৩“তেতিয়া তেওঁ সিহঁতৰ এটাক কলে, ‘বন্ধু মই তোমালোকক একো অন্যায় কৰা নাই, তোমালোকৰ লগত এদিনৰ হাজিৰা ৰূপৰ এটকাতে বন্দৱস্ত কৰা নাছিলো জানো? ১৪সেয়ে তোমাৰ পাব লগীয়াটো লৈ যোৱা। শেষৰ লগুৱাজনকো মোৰ সিমানেই দিবৰ ইচ্ছা। ১৫মোৰ নিজৰ ধন, মোৰ নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰিবলৈ মোৰ অধিকাৰ

[a] **২০:২ ৰূপৰ এটকাত মুদ্ৰা** অথবা ডেনাৰিয়াচ এটা ৰোমান ডেনাৰিয়াচ এটা মুদ্ৰা এটা দিনৰ কামৰ মজুৰি।

নাইনে? আনবিলাককৈ দয়া কৰালৈ তোমালোক হিংসা
কৰানে?’
১৬“এইদৰে শেষত থকাবিলাকে প্ৰথম হব আৰু প্ৰথম
হোৱাবিলাকে শেষত থাকিব।”

## যীচুৱে নিজৰ মৃত্যুৰ বিষয়ে জনোৱা

*(মাৰ্ক ১০:৩২–৩৪; লূক ১৮:৩১–৩৪)*

১৭যীচুৱে যেতিয়া তেওঁ বাৰ জন শিষ্যৰ সৈতে যিৰুচালেমলৈ
যাত্ৰা কৰোঁতে বাটত তেওঁলোকক এফলীয়াকৈ মাতি কলে,
১৮“শুনা, আমি জেৰুচালেমলৈ যাত্ৰা কৰিছোঁ, তাত মানৰ
পুত্ৰক মুখ্য পুৰোহিত আৰু যিহুদী বিধান পণ্ডিত সকলৰ
হাতত শোধাই দিয়া হব। তেওঁলোকে তেওঁক প্ৰানদণ্ডৰ
আজ্ঞা দিব ১৯আৰু ঠাট্টাবিদ্ৰূপ কৰি চাবুকোৰে কোবাই
অ-যিহুদী বিলাক হাতত সমৰ্পণ কৰি দিব। আৰু ক্ৰুচত তুলি
দিয়া হব কিন্তু তৃতীয় দিনা তেওঁ মৃত্যুৰ পৰা জী উঠিব।”

## চিবদিয়ৰ দুজন পুত্ৰৰ বাবে মাকৰ নিবেদন

*(মাৰ্ক ১০:৩৫–৪৫)*

২০তেতিয়া চিবদিয়ৰ ভাৰ্য্যাই তেওঁৰ পুতেক দুজনকলৈ
যীচুৰ ওচৰলৈ আহি তেওঁক প্ৰণিপাত কৰি এটি অনুৰোধ
জানালে।
২১যীচুৱে তেওঁক সুধিলে, “আপুনি কি বিচাৰিছে?”
তেওঁ কলে, “মোক কথা দিয়ক যে আপোনাৰ ৰাজ্যত
মোৰ এই পুত্ৰ দুজনক আপোনাৰ সোহাঁতে এজনক আৰু
বাওঁহাতে এজনক বাহিবলৈ দিয়ে।”
২২যীচুৱে উত্তৰ দিলে, “তোমালোকে কি খুজিছা তাক
নাজানা। মই যি দুখ ভোগৰ পানপাত্ৰ[a] গ্ৰহণ কৰিবলৈ
ওলাইছো তাকে তোমালোকে পান কৰিব পাৰিবানে?”
তেওঁলোকে কলে, “হয় আমি পাৰিম!”
২৩যীচুৱে তেওঁলোকক কলে, “নিশ্চয় তোমালোকে
সেই পান পাত্ৰত পান কৰিবা। কিন্তু মোৰ সোঁহাতে আৰু
বাওঁহাতে বহিবলৈ দিবৰ বাবে মোৰ অধিকাৰ নাই। তাত
বহিবলৈ দিয়া অধিকাৰ মোৰ পিতৃৰহে, যি সকলৰ বাবে তেওঁ
সেই ঠাই নিৰূপিত কৰি থৈছে।”
২৪যেতিয়া বাকী দহজন শিষ্যই এই কথা শুনি
সেই দুজন ভায়েকক খণ্ড কৰিলে। ২৫তেতিয়া যীচুৱে
শিষ্যসকলোকে ওচৰলৈ মাতি কলে, “তোমালোকে জানা
যে, অযিহুদীবিলাকৰ (শাসনকৰ্তা) ৰজা সকলে লোকসমূহৰ
ওপৰত প্ৰভুত্ব চলায় আৰু তেওঁবিলাকৰ বিশেষ নেতা
বিলাকে ক্ষমতাৰ প্ৰয়োগ কৰে। ২৬কিন্তু তোমালোকৰ
মাজত এনে হব নালাগে আৰু প্ৰথম হবলৈ বিচৰাজন দাস
হওক ২৭আৰু প্ৰথম হবলৈ বিচৰাজনে দাস হওক তাৰ সলনি
একে দৰে তোমালোকৰ ভিতৰত কোনোবাই যদি মহান হব
বিচাৰে তেন্তে তেওঁ প্ৰথমে তোমালোকৰ সেৱক হওক।
২৮তোমালোকে মানৰ পুত্ৰৰ দৰে হোৱা, যিজনে সেৱা
শুশ্ৰূষা পাবলৈ নহয়, কিন্তু সেৱা শুশ্ৰূষা কৰিবলৈ আৰু
অনেক লোকৰ মুক্তিৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল।”

## দুজন অন্ধক চকু দিয়া

*(মাৰ্ক ১০:৪৬–৫২; লূক ১৮:৩৫–৪৩)*

২৯যীচু আৰু তেওঁৰ শিষ্যসকলে যিৰিহো নগৰৰ পৰা ওলাই
যাওঁতে বহু মানুহৰ দল এটা তেওঁলোকৰ পাছে পাছে গল।
৩০তেতিয়া বাটৰ কাষত দুজন অন্ধ লোক বহি আছিল। যীচু
সেই ফালেদি গৈছে বুলি শুনা পাই চিঞৰি কলে, “হে প্ৰভু,
দায়ূদৰ সন্তান আমাক দয়া কৰক।”
৩১তাতে মানুহবিলাকে তেওঁলোকক ডাবি দি মনে মনে
থাকিবলৈ কলে। কিন্তু তেওঁলোকে আৰু বেচিজোৰকৈ
চিঞৰি কৰলৈ ধৰিলে, “হে প্ৰভু দায়ূদৰ সন্তান আমাক
দয়া কৰক!”
৩২তেতিয়া যীচুৱে থমকি ৰৈ, তেওঁলোকক কলে, “মই
তোমালোকক কি কৰিবলৈ ইচ্ছা কৰা?”
৩৩সিহঁতে তেওঁক কলে, “হে প্ৰভু আমাৰ চকু যেন
মুকলি হয়।”
৩৪তাতে যীচুৰ সিহঁতৰ প্ৰতি মৰম লগাত তেওঁ সিহঁতৰ
চকু স্পৰ্শ কৰিলত তেওঁলোকে দৃষ্টি শক্তি পালে, আৰু
তেতিয়া তেওঁলোকে যীচুৰ পাছে পাছে গল।

## যীচুৰ জয়-যাত্ৰা

*(মাৰ্ক ১১:১–১১; লূক ১৯:২৮–৩৮; যোহন ১২:১২–১৯)*

**২১** ১যীচু আৰু তেওঁৰ শিষ্যসকলে যেতিয়া
জেৰুচালেমৰ ওচৰত জৈতুন পৰ্বতৰ কাষৰ
বৈৎফগী পালত, যীচুৱে নিজৰ দুজন শিষ্যক কৈ পঠালে
২যে তোমালোকে সন্মুখৰ গাৱঁলৈ যোৱা আৰু যেতিয়া
প্ৰবেশ কৰিবা তাত এজনী গাধ পোৱালিৰে সৈতে বান্ধি
থোৱা পাবা। সিহঁতক খুলি মোৰ ওচৰলৈ আনা। ৩আৰু
যদি কোনোৱাই তোমালোকক কি কৰিছা বুলি কয়, তেন্তে
তেওঁলোকক কবা, “প্ৰভুৰ ইয়াৰ আৱশ্যকতা আছে। তেওঁ
সোনকালেই ইহঁতক উভতাই পঠাব।”
৪এইবোৰ এইধৰণে ঘটিল যে ভাৱবাদীৰ দ্বাৰা যি কোৱা
হৈছিল সেয়া সিদ্ধ হ’ল:

৫ “চিয়োনৰ জীয়াৰীক কোৱা,
‘চোৱা তোমাৰ ৰজা নম্ৰ আৰু গাধৰ ওপৰত উঠি
তোমাৰ ওচৰত আহিছে।’” *জখৰিয়া ৯:৯*

৬তেতিয়া শিষ্যকেইজনে গৈ যীচুৱে দিয়াৰ (কোৱাৰ)
দৰেই কৰিলে। ৭তেওঁলোকে গাধজনী আৰু পোৱালিটোক
লৈ আহিলে, আৰু সিহঁতৰ ওপৰত কাপোৰ দলিচাৰ দৰে
পাৰি দিলত যীচুৱে বহিল। ৮লোকসমূহৰ অধিক লোকে
নিজৰ নিজৰ কাপোৰ বাটত পাৰি দিলে, আৰু আনবিলাকে
গছৰ ডাল কাটি আনি বাটত পাৰি সজাই যীচুক আদৰি

[a] **২০:২২ দুখ ভোগৰ পানপাত্ৰ** ইয়াত যীচুৱে পাত্ৰ পান কৰা মানে যাতনা গ্ৰহন কৰা যিটো ভয়ানক ধৰনৰ বিষয়সমূহক সন্মুখীন হব যিবিলাক আহিব লগীয়া আছে।

নিলে। ৯তেওঁৰ আগে পিছে যোৱা লোকসমূহে ডাঙৰ
মাতেৰে ৰিঙিয়াই কলে,

"জয়! জয়! [a] দায়ূদৰ সন্তান!
'যি জন প্ৰভুৰ নামেৰে আহিছে, তেওঁ ধন্য!'
*গীতমালা ১১৮:২৫–২৬*

স্বৰ্গত ঈশ্বৰৰ জয়ধ্বনি হওক!"

১০পাচে তেওঁ জেৰুচালেমত সোমালত গোটেই নগৰত
হলস্থূল লাগিল।
১১লোকসমূহে সুধিলে, "এওঁ কোন?" লোকসমূহেই
উত্তৰ দি কলে, "এওঁ গালীলৰ নাচৰতৰ ভাৱবাদী যীচু।"

## যীচুৱে ধৰ্মধামলৈ যোৱা

*(মাৰ্ক ১১:১৫–১৯; লূক ১৯:৪৫–৪৮; যোহন ২:১৩–২২)*

১২পাচে যীচুৱে ধৰ্মধামত সোমাই তাত বেচা-কিনা
কৰাবোৰক বাহিৰ কৰি দিলে আৰু ধন সলোৱা বিলাকৰ
মেজ আৰু কপৌ বেচা বিলাকৰ আসন লুটিয়াই পেলালে।
১৩তেওঁ তেওঁবিলাকক কলে, "শাস্ত্ৰত লিখা আছে, 'মোৰ
গৃহ প্ৰাৰ্থনাৰ গৃহ' [b] বোলা হব। কিন্তু তোমালোকে ইয়াক
'ডকাইতৰ গুহা কৰিছাঁহক।'" [c]
১৪তেতিয়া কিছুমান অন্ধ আৰু খোৱাবিলাক ধৰ্ম্মধামত
তেওঁৰ ওচৰলৈ আহিলত তেওঁ তেওঁবিলাকক সুস্থ কৰিলে।
১৫প্ৰধান পুৰোহিত আৰু যিহুদী বিধান পণ্ডিত সকলে তেওঁ
কথা আচৰিত কৰ্মবোৰ দেখি আৰু শিশুবিলাকে মন্দিৰত জয়!
জয়! দায়ুদৰ সন্তান ধন্য।" বুলি চিঞৰি জয়ধ্বনি কৰা শুনিলে।
১৬আৰু তেওঁলোকে তেওঁক সুধিলে, "তেওঁলোকে কি
কৈছে তুমি শুনিছানে?"
যীচুৱে তেওঁলোকক কলে, "হয় মই শুনিছো,
শাস্ত্ৰত তোমালোকে পঢ়া নাইনে, 'তুমি শিশু আৰু
কেচুৱাবিলাককো মুখৰ পৰাও তোমাৰ স্তুতি প্ৰশংসা সম্পূৰ্ণ
কৰিলা।'" [d]
১৭তেতিয়া যীচুৱে নগৰ এৰিলে আৰু বৈথানীযালৈ গ'ল
আৰু ৰাতিটো তাতে কটালে।

## যীচুৱে বিশ্বাসৰ শক্তি প্ৰকাশ কৰে

*(মাৰ্ক ১১:১২–১৪; ২০–২৪)*

১৮পিচদিনা অতি ৰাতিপুৱাতেই নগৰলৈ উভতি যাওঁতে
যীচুৰ ভোক লাগিল। ১৯তেওঁ বাটৰ কাষতে এজোপা ডিমৰু
গছ দেখা পাই ওচৰলৈ গৈ তাত পাতৰ বাহিৰে একো
নাপালে। তেতিয়া তেওঁ গছক কলে, "তোত ভৱিষ্যতে
আৰু কোনো কালে ফল নধৰক!" আৰু সেই ডিমৰু গছ
জোপা তৎক্ষণাত শুকাই গল।
২০শিষ্যসকলে এই ঘটনা দেখি আচৰিত হল আৰু সুধিলে,
"এই ডিমৰু গছ জোপা ইমান সোনকালে কেনেকৈ শুকাই
গল?"
২১যীচুৱে উত্তৰ দি তেওঁলোকক কলে, "মই তোমালোকক
সঁচাকৈ কওঁ, "যদি তোমালোক সন্দেহ নকৰি বিশ্বাস কৰা,
তেন্তে মই ডিমৰু গছজোপাক যি কৰিছিলো তোমালোকেও
কৰিব পাৰিবা। অকল এয়াই নহয়। তোমালোকে যদি এই
পৰ্বতটোকো কোৱা ইয়াৰ পৰা গৈ সাগৰত পৰগৈ সিও
হব। ২২আৰু প্ৰাৰ্থনাৰে যিহকে খুজিবা, তাকে পাবা যদিহে
তোমালোকৰ মনত বিশ্বাস থাকে।"

## যীচুৰ অধিকাৰক যিহুদী নেতাসকলে সন্দেহ কৰা

*(মাৰ্ক ১১:২৭–৩৩; লূক ২০:১–৮)*

২৩পাছত যীচুৱে ধৰ্ম্মধামত সোমাই উপদেশ দি থকা সময়ত,
প্ৰধান পুৰোহিত আৰু বৃদ্ধ সকলে তেওঁৰ ওচৰলৈ আহি
সুধিলে, "এইবোৰ তুমি কি ক্ষমতাৰে কৰিছা? আৰু এই
অধিকাৰ তোমাক কোনে দিছে?"
২৪যীচুৱে তেওঁলোকক উত্তৰ দি কলে, "ময়ো
তোমালোকক এটা প্ৰশ্ন সোধো, যদিহে তোমালোকে মোক
উত্তৰ দিয়া তেন্তে ময়ো তোমালোকক কম য়ে মই এইবোৰ
কি ক্ষমতাৰে কৰিছোঁ। ২৫কোৱাচোন যোহনে লোকসমূহক
বাপ্তিস্ম দিব পৰা অধিকাৰ কাৰ পৰা পাইছিল? ঈশ্বৰৰ পৰা
নে মানুহৰ পৰা?"
তেওঁলোকে পৰস্পৰে আলোচনা কৰিবলৈ ধৰিলে, যদি
আমি ঈশ্বৰৰ পৰা বুলি কওঁ তেন্তে তেওঁ আমাক কব কিয়
তেওঁক বিশ্বাস নকৰিলা? ২৬আৰু যদি মানুহৰ পৰা বুলি কওঁ
তেন্তে লোকসমূহৰ পৰা আমাৰ ভয় কিয়নো লোকসমূহে
তেওঁক এজন ভাৱবাদী বুলি মান্য কৰে।"
২৭সেয়েহে তেওঁলোকে উত্তৰ দি যীচুক কলে, "আমি
নাজানো।"
তেতিয়া যীচুৱে তেওঁলোকক কলে, "তেনেহলে ময়ো
তোমালোকক নকওঁ এইবোৰ কৰিবলৈ মোক কোনে
ক্ষমতা দিলে।"

## দুজন পুত্ৰৰ দৃষ্টান্ত

২৮"মোক কোৱাচোন! তোমালোকৰ মনে কি ধৰে?
কোনোবা এজন ব্যক্তিৰ দুজন পুত্ৰ আছিল: তেওঁ ডাঙৰ
জন পুতেকৰ ওচৰলৈ গৈ কলে, 'বোপা, তুমি আজি
দ্ৰাক্ষাবাৰীলৈ গৈ কাম কৰাগৈ।'
২৯"তেতিয়া পুতেকে উত্তৰ দিলে, 'মোৰ ইচ্ছা নাই;
কিন্তু পাচত মন সলনি কৰি দ্ৰাক্ষাবাৰীলৈ গল।
৩০"আকৌ দ্বিতীয়জন পুতেকৰ ওচৰলৈ গৈ তাকো
একেদৰেই কলে, পুতেকে উত্তৰত কলে, যাম পিতৃ, কিন্তু
তেওঁ নগল।

[a] **২১:৯ জয় জয়** আক্ষৰিকভাবে 'হচানা' ইব্ৰী ভাষাত সহায়ৰ বাবে ঈশ্বৰলৈ কৰা প্ৰাৰ্থনা বুজায়। ইয়াত হয়তো ঈশ্বৰৰ প্ৰশংসা বা মচীহৰ জয়ধ্বনি কাৰনে ব্যৱহাৰ কৰিছে।
[b] **২১:১৩** উদ্ধৃত যিচয়া ৫৬:৭
[c] **২১:১৩** উদ্ধৃত যিৰি. ৭:১১
[d] **২১:১৬** উদ্ধৃত গীতিমালা ৮:২ (গ্ৰীক অনুবাদ)।

৩১“কোৰাচোন এই দুয়োজনৰ ভিতৰত কোনজনে পিতৃৰ
ইচ্ছা পালন কৰিলে?”
যিহুদীনেতা সকলে কলে, “ডাঙৰ জন পুতেকে।”
যীচুৱে তেওঁলোকক কলে, “মই তোমালোকক
সঁচাকৈ কওঁ, কৰতোলা আৰু বেশ্যাবোৰে ঈশ্বৰৰ ৰাজ্যত
তোমালোকৰ আগতেই প্ৰৱেশ কৰিব। ৩২মই এই কাৰণেই
কৈছোঁ, যে বাপ্তিস্মদাতা যোহনে তোমালোকক জীৱনৰ
সত্য পথ দেখুৱাবলৈ আহিল কিন্তু তোমালোকে তেওঁক
বিশ্বাস নকৰিলা। কিন্তু কৰতোলা আৰু বেশ্যাবোৰে তেওঁক
বিশ্বাস কৰিলে, তোমালোকে এইবোৰ দেখাৰ পাছতো মন
পৰিবৰ্তন নকৰিলা।

## দুষ্ট খেতিয়ক সকলৰ দৃষ্টান্ত

*(মাৰ্ক ১২:১–১২; লূক ২০:৯–১৯)*

৩৩“আৰু এটা দৃষ্টান্ত শুনা: এজন গৃহস্থ আছিল; এখন
দ্ৰাক্ষাবাৰী পাতি চাৰিওফালে বেৰা দি, ৰস উলিয়াবলৈ
পেৰাশাল পাতিলে আৰু চোৰা চিতা কৰিবলৈ টঙিৰ ঘৰো
সাজিলে। এই সকলো বোৰ তেওঁ খেতিয়ক সকলক
ভাড়াত দি আন দেশলৈ গল। ৩৪যেতিয়া ফলৰ বতৰ হল
গৃহস্থই নিজৰ অংশ লবলৈ কেইজনমান দাসক খেতিয়ক
সকলৰ ওচৰলৈ পঠিয়ালে।
৩৫“কিন্তু খেতিয়ক সকলে তেওঁৰ সেই দাসবোৰক ধৰি
এজনক কোবালে, এজনক শিল দলিয়াই মাৰিলে আনকি
আৰু এজনক বধ কৰিলে। ৩৬পুনৰায় গৃহস্থই আগতকৈ
অধিক দাসক পঠিয়ালে, খেতিয়ক সকলে তেওঁলোকৰ
লগতো একেই ব্যৱহাৰ কৰিলে। ৩৭এইবাৰ গৃহস্থই তেওঁৰ
পুত্ৰক পঠিয়ালে। তেওঁ ভাৱিলে যে তেওঁলোকে নিশ্চয়
মোৰ পুত্ৰক সন্মান কৰিব।
৩৮“কিন্তু সেই খেতিয়ক সকলে তেওঁৰ পুত্ৰক দেখা
পাই পৰস্পৰে আলোচনা কৰি কলে, “এওঁৱেই গৃহস্থৰ
উত্তৰাধিকাৰী আঁহা এওঁক বধ কৰোঁ, তেতিয়া এওঁৰ
সকলোবোৰ আমাৰ হব।” ৩৯সেয়ে তেওঁলোকে তেওঁক
ধৰি দ্ৰাক্ষাবাৰীৰ বাহিৰলৈ নি বধ কৰিলে।
৪০“এতেকে দ্ৰাক্ষাবাৰীৰ গৃহস্থই আহি সেই খেতিয়ক
বিলাকক কি কৰিব্ বুলি তোমালোকে ভাৱা?”
৪১তেওঁলোকে তেওঁক কলে, “তেওঁ সেই দুষ্ট খেতিয়ক
সকলক নিষ্ঠুৰ ভাৱে মাৰি পেলাব, আৰু দ্ৰাক্ষাবাৰীক
যিবিলাকে বতৰত ফলৰ অংশ দিব এনে অন্য খেতিয়কক
গতাই দিব।”
৪২যীচুৱে তেওঁলোকক কলে, “এইবাক্য তোমালোকে
ধৰ্মশাস্ত্ৰত পঢ়া নাইনে:

‘ঘৰ সজা বিলাকে যি শিল অগ্ৰাহ্য কৰিলে
সেয়ে চুকৰ প্ৰধান শিল হল
আৰু আমাৰ দৃষ্টিত আচৰিত
কাৰণ এইয়া ঈশ্বৰে বনাইছিল।’

*গীতমালা ১১৮:২২–২৩*

৪৩“এই কাৰণেই মই তোমালোকক কওঁ যে ঈশ্বৰৰ
ৰাজ্য তোমালোকৰ পৰা কাঢ়ি নিয়া হব। ৪৪যদি এই শিলৰ
ওপৰত কোনোবা পৰে তেওঁ ডোখৰ ডোখৰ কৈ ভাগি যাব
আৰু যাৰ ওপৰত এই শিল পৰিব তেওঁ ধূলিৰ দৰে গুড়ি
হৈ যাব।”[a]
৪৫তেতিয়া প্ৰধান পুৰোহিত আৰু ফৰীচী সকলে যীচুৰ
এই কথা শুনি বুজি পালে যে তেওঁ তেওঁলোকৰ বিষয়েই
কৈছে। ৪৬সেয়ে তেওঁলোকে যীচুক ধৰিবলৈ উপায়
বিচাৰিলে কিন্তু লোকসমূহলৈ ভয় কৰিলে, কিয়নো
লোকসমূহে যীচুক এজন ভাৱবাদী বুলি মান্য কৰিছিল।

## মানুহক নিমন্ত্ৰণ কৰাৰ দৃষ্টান্ত

*(লূক ১৪:১৫–২৪)*

২২ ১যীচুৱে লোকসমূহক পুনৰ দৃষ্টান্তৰে কথা
কলে, ২“ঈশ্বৰৰ ৰাজ্য এনেকুৱা; এজন ৰজাই
তেওঁৰ পুত্ৰৰ বিয়াৰ ভোজ আয়োজন কৰিলে। ৩ভোজলৈ
নিমন্ত্ৰিতসকলক মাতিবলৈ তেওঁৰ দাসবিলাকক পঠাই
দিলে। কিন্তু লোকসমূহে আহিবলৈ ইচ্ছা নকৰিলে।
৪“আকৌ ৰজাই আন দাসবিলাকক পঠাই কলে,
‘নিমন্ত্ৰিত বিলাকক গৈ কোৱাগৈ, চোৱা মই ভোজ যুগুত
কৰি থৈছোঁ; বলধ, আৰু হৃষ্ট পুষ্ট পশুও মৰা হৈছে। সকলো
যুগুত আছে, বিয়াৰ ভোজলৈ আহাঁহক।’
৫“কিন্তু লোকসমূহে দাসবিলাকৰ কথাক আওকাণ কৰি
কোনোবাই খেতি পথাৰলৈ আৰু কোনোবাই নিজৰ বেহা-
বেপাৰলৈ বুলি ওলাই গল। ৬বাকী কিছুমানে ৰজাৰ দাস
বিলাকক ধৰি তেওঁবিলাকক মাৰ পিট কৰি বধ কৰিলে।
৭ৰজাৰ বৰ খং উঠিল, আৰু সৈন্যবিলাকক পঠিয়াই সেই
হত্যাকাৰী বিলাকক মাৰি পেলালে আৰু সিহঁতৰ নগৰখন
জুই লগাই পুৰি পেলালে।
৮“পাছত ৰজাই দাস বিলাকক কলে, ‘বিয়াৰ ভোজ
যুগুত আছে কিন্তু নিমন্ত্ৰিত সকল ইয়াৰ অযোগ্য আছিল।
৯এই হেতুকে নগৰৰ ৰাজপথৰ আলিবাটৰ মুৰলৈকে গৈ
যাকে পোৱা বিয়াৰ ভোজলৈ নিমন্ত্ৰণ কৰাগৈ।’ ১০দাস
বিলাকে আলিবাটলৈ গৈ ভাল বেয়া যিমানকে পালে
সকলোকে মাতি আনিলে আৰু বিয়া ঘৰ আলহীৰে ভৰি
পৰিল।
১১“তেতিয়া ৰজাই ভিতৰলৈ সোমাই আলহী বিলাকক
চাই দেখিলে যে এজন ব্যক্তিয়ে বিয়াৰ কাপোৰ পিন্ধা নাই।
১২ৰজাই সেই ব্যক্তিজনক কলে, ‘হে বন্ধু বিয়াৰ কাপোৰ
নিপিন্ধাকৈ তুমি ভিতৰলৈ কেনেকৈ আহিলা? কিন্তু ব্যক্তি
জন নিৰুত্তৰ হৈ থাকিল। ১৩তেতিয়া ৰজাই দাসসকলক
কলে, এওঁৰ হাত ভৰি বান্ধি বাহিৰৰ আন্ধাৰত পেলাই দিয়া
তাতে তেওঁৰ ক্ৰন্দন আৰু দাঁত কৰচনি হব।
১৪“যদিও নিমন্ত্ৰিত লোক অনেক কিন্তু মনোনীত লোক
তাকৰ।”

[a] **২১:৪৪** কিছুমান গ্ৰীক প্ৰতিলিপিত ৪৪ পদটি নাই।

### যিহুদী নেতাসকলে যীচুৰ বিৰুদ্ধে চক্রান্ত কৰা

*(মাৰ্ক ১২:১৩–১৭; লূক ২০:২০–২৬)*

১৫তেতিয়া ফৰীচী বিলাকে গৈ কেনেকৈ যীচুক তেওঁৰ
বাক্যৰ দ্বাৰা ফান্দত পেলাব পাৰি তাৰ বিষয়ে পৰস্পৰে
আলোচনা কৰিব ধৰিলে। ১৬তেওঁলোকে নিজৰ
শিষ্যসকলক হেৰোদিয়া বিলাকৰে সৈতে যীচুৰ ওচৰলৈ
পঠাই দিলে। তেওঁবিলাকে যীচুক কলে, “হে গুৰু আমি
জানো যে আপুনি সত্য কথা কয় আৰু সত্যতাৰে ঈশ্বৰৰ
পথ দেখুৱাই, আপুনি মানুহৰ মতামতলৈ মন নিদিয়ে কাৰণ
আপুনি কাৰো মুখলৈ নাচায়। ১৭গতিকে আমাক কওকচোন
আমাৰ বিধান অনুসৰি কৈচৰক কৰ দিয়াটো উচিত নে
অনুচিত?”

১৮যীচুৱে তেওঁলোকৰ মনৰ দুৰ্মতি বুজি তেওঁবিলাকক
কলে, “হে কপটীয়া বিলাক! মোক কিয় পৰীক্ষা কৰিছাহঁক?
১৯খাজানাৰ মুদ্ৰা এটা মোক দেখুউৱা।” তেওঁলোকে
তেওঁক এটা ৰূপৰ মুদ্ৰা আনি দিলত ২০তেওঁ তেওঁবিলাকক
সুধিলে, “ইয়াত কাৰ প্ৰতিমূৰ্তি আৰু নাম আছে?”

২১তেওঁলোকে উত্তৰ দিলে, “মহাৰাজ কৈচৰৰ।”

তেতিয়া তেওঁ তেওঁবিলাকক কলে, “যিটো কৈচৰৰ
তাক কৈচৰক দিয়া আৰু যি ঈশ্বৰৰ তাক ঈশ্বৰক দিয়া।”

২২এই কথা শুনি তেওঁলোকে বিস্ময় মানিলে।
তেওঁলোকে তেওঁৰ এৰি গুচি গল।

### চদ্দূকীবিলাকে যীচুক প্ৰশ্ন কৰা

*(মাৰ্ক ১২:১৮–২৭; লূক ২০:২৭–৪০)*

২৩সেই দিনাই চদ্দূকীবিলাকে যিবিলাকে পুনৰুত্থানত
বিশ্বাস নকৰে, যীচুৰ ওচৰলৈ আহিলে আৰু তেওঁক প্ৰশ্ন
কৰিলে, ২৪“হে গুৰু, মোচিয়ে আমাক আজ্ঞা দিয়া অনুসাৰে,
কোনো এজন লোকে যদি সন্তান নোহোৱাকৈ মৰি যায়
তেন্তে তেওঁৰ ভায়েকে নিজৰ হোৱা হেতুকে সেই বিধৱা
গৰাকীক বিয়া কৰাই ককায়েকৰ বংশ ৰক্ষা কৰিব লাগে।[a]
২৫বাৰু, আমাৰ মাজত যেনিবা সাতজন ককাই ভাই আছিল,
প্ৰথম জনে বিয়া কৰাই সন্তান নোহোৱাকৈ মৰিল, আৰু
তেওঁৰ ভাৰ্য্যাক ভায়েকলৈ এৰি গল। ২৬এইদৰে দ্বিতীয়,
তৃতীয় আৰু সপ্তম জনলৈকে ঘটিল। ২৭আৰু সকলোৰে
শেষত তিৰোতাজনীও মৰিল। ২৮এতিয়া আমাৰ প্ৰশ্ন
এই যে পুনৰুত্থানত তেওঁ কাৰ ভাৰ্য্যা হব? কাৰণ সেই
তিৰোতাজনীক সাতোজনে বিয়া কৰিছিল।”

২৯যীচুৱে উত্তৰত তেওঁলোকক কলে, “ধৰ্মশাস্ত্ৰ আৰু
ঈশ্বৰৰ শক্তিক নজনাৰ বাবে তোমালোকে ভ্ৰান্ত হৈছা।
৩০পুনৰুত্থানত মানুহে বিয়া নকৰে আৰু মহিলাসকলকো
বিয়া দিয়া নহয় কিন্তু তেওঁলোকে স্বৰ্গদূতৰ দৰে হয়। ৩১এই
সন্দৰ্ভত তোমালোকৰ লাভৰ অৰ্থে ঈশ্বৰে মৃতবিলাকৰ
পুনৰুত্থানৰ বিষয়ে যি কৈছে তাক তোমালোকে কেতিয়াও
পঢ়া নাইনে? তেওঁ কৈছিল, ৩২“মই আব্ৰাহামৰ ঈশ্বৰ,
ইচাহাকৰ ঈশ্বৰ আৰু যাকোবৰ ঈশ্বৰ।[b] তেওঁ মৰা বিলাকৰ
নহয় কিন্তু জীৱিত বিলাকৰহে ঈশ্বৰ।

৩৩যেতিয়া লোকসমূহে এই কথা শুনিলে তেওঁলোকে
তেওঁৰ শিক্ষাত বিস্ময় মানিলে।

### আটাইতকৈ প্ৰয়োজনীয় কোনটো?

*(মাৰ্ক ১২:২৮–৩৪; লূক ১০:২৫–২৮)*

৩৪যেতিয়া ফৰীচীবিলাকে শুনিবলৈ পালে যে যীচুৱে উত্তৰ
দি চদ্দূকী বিলাকক নিৰুত্তৰ কৰি দিলে, তেতিয়া ফৰীচী
বিলাক একত্ৰিত হৈ সভা পাতিলে। ৩৫তেওঁবিলাকৰ
এজন যিহুদী বিধান পণ্ডিতে যীচুক ফান্দত পেলোৱাৰ
উদ্দেশ্যৰে তেওঁক সুধিলে, ৩৬“গুৰু মোচিৰ বিধান অনুসাৰে
সকলোতকৈ মহান আজ্ঞা কোনটো?”

৩৭যীচুৱে তেওঁক কলে, “ ‘তুমি তোমাৰ প্ৰভু পৰমেশ্বৰক
সমস্ত হৃদয়, সমস্ত মন-প্ৰাণ আৰু সমস্ত চিত্তেৰে প্ৰেম
কৰিবা।’ ৩৮এইটোৱেই প্ৰথম আৰু মহান আজ্ঞা। ৩৯আৰু
এইদৰেই দ্বিতীয়টোও: ‘তুমি তোমাৰ চুবুৰীয়াক নিজৰ
নিচিনাকৈ প্ৰেম কৰিবা।’[c] ৪০সকলো বিধান আৰু ভাৱবাদী
সকলৰ ভাষ্য এই দুটা আজ্ঞাৰ ওপৰতে নিৰ্ভৰ কৰি আছে।”

### যীচুৱে ফৰীচীসকলক প্ৰশ্ন কৰা

*(মাৰ্ক ১২:৩৫–৩৭; লূক ২০:৪১–৪৪)*

৪১ফৰীচী সকল গোট খাই থকা সময়তে যীচুৱে তেওঁলোকক
এটা প্ৰশ্ন সুধিলে, ৪২“খ্ৰীষ্টৰ বিষয়ে তোমালোকৰ কি ভাৱ?
তেওঁ কাৰ পুত্ৰ?”

তেওঁলোকে উত্তৰ দিলে, “দায়ূদৰ পুত্ৰ।”

৪৩যীচুৱে তেওঁবিলাকক সুধিলে, “তেন্তে দায়ূদে পবিত্ৰ
আত্মাৰ প্ৰেৰণাত তেওঁক প্ৰভু বুলি কিয় কৈছিল যে:

৪৪ ‘প্ৰভুৱে মোৰ প্ৰভুক কলে:
মই তোমাৰে শত্ৰু বোৰক তোমাৰ ভৰিৰ পীৰা
নকৰো মানে,
তুমি মোৰ সোঁ হাতে বহি থাকা।’ *গীতমালা ১১০:১*

৪৫তেন্তে যদি দায়ূদে তেওঁক ‘প্ৰভু’ বুলি কলে তেনেহলে
খ্ৰীষ্টনো কেনেকৈ তেওঁৰ পুত্ৰ হব পাৰে?”

৪৬তেওঁবিলাকৰ কোনেও তেওঁক উত্তৰ দিব নোৱাৰিলে
আৰু সেইদিনাৰ পৰা কোনেও তেওঁক একো সুধিবলৈ সাহ
নকৰিলে।

### ধৰ্মগুৰুসকললৈ যীচুৰ সৰ্তক বাণী

*(মাৰ্ক ১২:৩৮–৪০; লূক ১১:৩৭–৫২; ২০:৪৫–৪৭)*

২৩ ১যীচুৱে আকৌ নিজৰ শিষ্যবিলাকক আৰু
লোকবিলাকক কলে, ২“বিধান পণ্ডিত আৰু
ফৰীচী বিলাকৰহে মোচিৰ বিধান বুজাই দিয়াৰ অধিকাৰ

[a] **২২:২৪ কোনো এজন … কৰিব লাগে** দ্বি. বি. ২৫:৫,৬ চাওক।

[b] **২২:৩২** উদ্ধৃত যাত্ৰা ৩:৬

[c] **২২:৩৯** উদ্ধৃত লেবীয়া ১৯:১৮

আছে। ৩সেইকাৰণেই তেওঁবিলাকে যি কৰিবলৈ কয়
তাকে পালন কৰিবা। কিন্তু তেওঁবিলাকে যি কৰে তাক
নকৰিবা। মই এইকাৰণেই কৈছো, কিয়নো তেওঁবিলাকে
কয় মাথোন, কিন্তু কাৰ্য্য নকৰে। ৪তেওঁলোকে লোকসমূহক
বলে নোৱাৰা বোজা বান্ধি দিয়ে আৰু ববলৈ কয়। কিন্তু
তেওঁবিলাকে সেইমতে চলিবলৈ ভৰি পৰ্য্যন্ত লৰচৰ নকৰে।

৫“তেওঁলোকে মানুহক দেখুৱাবলৈহে সকলো কাম
কৰে; তেওঁলোকে ডাঙৰ কৈ তাবিজ লয় আৰু পোচাকৰ
দহি দীঘলকৈ আৰু সকলোৱে দেখাকৈ ৰাখে যাতে
লোকসমূহে তেওঁলোকক ধাৰ্মিক বুলি গম পায়। ৬উৎসৱত
প্ৰধান আসন আৰু নামঘৰত সৰ্ব্বোত্তম আসন ভাল পায়।
৭হাট বজাৰত নমস্কাৰ কৰা আৰু লোকসমূহে তেওঁলোকক
গুৰু[a] বুলি সম্বোধন কৰাটো ভাল পায়।

৮“কিন্তু তোমালোকে নিজে নিজক গুৰু নুবুলিবা
কিয়নো তোমালোকৰ এজনাই গুৰু আছে। তোমালোক
সকলো ভাই ভনীৰ দৰে সমান। ৯পৃথিৱীত তোমালোকে
নিজক কেতিয়াও কাকো পিতৃ বুলিবলৈ নকবা, কিয়নো
তোমালোকৰ মাত্ৰ এজনাই পিতৃ আছে আৰু তেওঁ স্বৰ্গত
আছে। ১০লোকসমূহে তোমালোকক আচাৰ্য্য নুবুলক
কিয়নো তোমালোকৰ মাত্ৰ এজনাই আচাৰ্য্য আছে আৰু
তেওঁ হৈছে খ্ৰীষ্ট। ১১তোমালোকৰ সকলোতকৈ মহান
শ্ৰেষ্ঠ ব্যক্তি সেইজনেই হব, যি জন তোমালোকৰ দাস হব।
১২সেয়ে যিজন মহান হব বিচাৰে তেওঁ নম্ৰ হব আৰু যিজন
নম্ৰ হব তেওঁৱেই মহান হব।

১৩“হে কপটীয়া বিধান পণ্ডিতসকল আৰু ফৰীচী সকল
তোমালোক সন্তাপৰ পাত্ৰ: তোমালোকে মানুহৰ বাবে
ঈশ্বৰৰ ৰাজ্যৰ দুৱাৰ বন্ধ কৰিছা: তোমালোকে নিজেও
নোসোমোৱা আৰু সোমাবলৈ চেষ্টা কৰা বিলাককো
সোমাবলৈ নিদিয়া। ১৪[b]

১৫“হে বিধান পণ্ডিতবিলাক তোমালোক সন্তাপৰ পাত্ৰ;
তোমালোকে কোনো এজনক যিহুদী ধৰ্ম লোৱাবলৈ জলে-
স্থলে অনাই বনাই ঘুৰি ফুৰা, আৰু যেতিয়া এজনে যিহুদী ধৰ্ম
গ্ৰহণ কৰে তাক তোমালোকে নিজতকৈয়ো দুগুণে নৰকৰ
পাত্ৰ কৰি তোলা।

১৬“হে অন্ধ পথ-প্ৰদৰ্শক বিলাক তোমালোক সন্তাপৰ
পাত্ৰ; কিয়নো যদি কোনোবাই ধৰ্মধামৰ নামত শপত খাই
তেন্তে সেই শপতৰ কোনো অৰ্থ নাই, কিন্তু যদি কোনোবাই
ধৰ্মধামৰ সোণৰ নামত শপত খাই তেওঁহে শপত ৰক্ষা
কৰিব পাৰিব বুলি তোমালোকে কোৱা। ১৭হে অন্ধ মূৰ্খবিলাক
শ্ৰেষ্ঠ কোনটো? ধৰ্মধামৰ সোণ নে সেই ধৰ্মধাম? যিটোৱে
সোণক পবিত্ৰ কৰিছে?

১৮“তোমালোকে এইটোও কোৱা যে যদি কোনোৱে
বেদীৰ নামত শপত খাই তেন্তে সেই শপতৰ অৰ্থ
নাই, কিন্তু বেদীত উৎসৰ্গ কৰা নৈবেদ্যৰ নামত শপত
খোৱাজনৰ শপতহে মূল্যৱান। ১৯হে অন্ধ বিলাক! কোনটো
শ্ৰেষ্ঠ? নৈবেদ্য নে নৈবেদ্যক পবিত্ৰ কৰা বেদী? ২০যিজনে
বেদীৰ নামত শপত খাই তেওঁ বেদী আৰু বেদীৰ ওপৰত
থকা সকলোৰে নামত শপত খায়; ২১আৰু যি জনে মন্দিৰৰ
নামত শপত খায় তেওঁ মন্দিৰৰ লগতে মন্দিৰৰ ভিতৰত
থকা সকলোৰে শপত খায়। ২২আৰু যি জনে স্বৰ্গৰ শপত
খায় তেওঁ ঈশ্বৰৰ সিংহাসনৰ লগতে যি সেই সিংহাসনত
বিৰাজমান আছে তেওঁৰো শপত খায়।

২৩“হে কপটীয়া যিহুদী বিধান পণ্ডিত আৰু ফৰীচী
সকল! তোমালোক সন্তাপৰ পাত্ৰ! তোমালোকে পদিনা,
গুৱামৰি, আৰু জিৰাৰ দশম ভাগ ঈশ্বৰক দান কৰা। কিন্তু
তোমালোকে বিধানৰ যি উত্তম ভাগ ন্যায়, দয়া, বিশ্বাসৰ
অস্বীকাৰ কৰা। তোমালোকে এইবোৰক নাপাহৰাকৈ
সেইবোৰ পালন কৰাটো উচিত নাছিল জানোঁ? ২৪হে অন্ধ
পথ-প্ৰদৰ্শক সকল তোমালোকে পানীৰ পৰা মাখিক ছেকি
ৰাখা কিন্তু উটক গিলি পেলোৱা।

২৫“হে কপটীয়া যিহুদী বিধান-পণ্ডিত আৰু ফৰীচীসকল!
তোমালোক সন্তাপৰ পাত্ৰ! তোমালোকে তোমালোকৰ
কাঁহি-বাতিৰ বাহিৰৰ ফাল ভালকৈ ধূই নিকা কৰা কিন্তু
ভিতৰ ফাল নিজৰ সন্তুষ্টতাৰে ছল, কপট আৰু লাঞ্চনাৰে
যি লাভ কৰিছা পৰিপূৰ্ণ কৰা। ২৬হে অন্ধ পথ-প্ৰদৰ্শক ফৰীচী
সকল; প্ৰথমে কাঁহি-বাতিৰ ভিতৰ ফাল ধুই নিকা কৰা
তেহে বাহিৰ ফালো নিকা হব।

২৭“হে কপটীয়া যিহুদী বিধান-পণ্ডিত আৰু ফৰীচী সকল!
তোমালোক সন্তাপৰ পাত্ৰ! তোমালোকে বগাকৈ লিপা
মৈদামৰ নিচিনা; বাহিৰৰ পৰা দেখাত অতি সুন্দৰ কিন্তু
ভিতৰত মৰা লোকৰ হাড় আৰু সকলো প্ৰকাৰৰ অপবিত্ৰ
বস্তুৰে পৰিপূৰ্ণ। ২৮এনেদৰেই তোমালোকে বাহিৰৰ পৰা
দেখাত ধাৰ্মিক কিন্তু ভিতৰি ছল-কপট আৰু অ-ধাৰ্মিকতাৰে
পুৰিপূৰ্ণ।

২৯“হে কপটীয়া, যিহুদী বিধান-পণ্ডিত আৰু ফৰীচী
সকল! তোমালোক সন্তাপৰ পাত্ৰ! তোমালোকে ভাৱবাদী
সকলৰ স্মৃতি-স্তম্ভ সাঁজা আৰু ধাৰ্মিক লোকৰ মৈদাম বান্ধা।
৩০আৰু তোমালোকে কোৱা, “যদি আমি আমাৰ পূৰ্ব্ব-পুৰুষ
সকলৰ সময়ত থকা হলে ভাৱবাদী সকলক বধ কৰাত
তেওঁবিলাকৰ লগত সহভাগী নহলোহেঁতেন। ৩১এতেকে
তোমালোকে নিজেই সাক্ষী দিছা যে তোমালোক ভাৱবাদী
সকলক বধ কৰা বিলাকৰ সন্তান বুলি। ৩২এই কাৰণে
তোমালোকৰ পূৰ্ব্ব-পুৰুষ সকলে যিহক আৰম্ভ কৰিছিল
তাক তোমালোকেই পূৰ্ণ কৰিবা।

৩৩“হে, সৰ্পগণ! আৰু কালসৰ্পৰ সন্তান বিলাক!
ঈশ্বৰৰ পৰা সাৰিব পাৰিম বুলি ভাৱানে? ৩৪এইকাৰণে মই
তোমালোকক কওঁ মই তোমালোকৰ মাজলৈ ভাৱবাদী
জ্ঞানীলোক, আৰু গুৰু সকলক পঠাইছোঁ! তেওঁলোকৰ
কিছুমানক তোমালোকে বধ কৰিবা আৰু কিছুমানক ক্ৰুচত

[a] **২৩:৭ গুৰু** আক্ষৰিকভাৱে “ৰব্বি।”
[b] **২৩:১৪** কিছুমান গ্ৰীক লিপিত ১৪ পদটো যোগ কৰা হৈছে: “এইটো তোমালোকৰ কাৰনে মন্দ হয়, হে বিধান পণ্ডিত আৰু ফৰিচীসকল। তোমালোক ভণ্ড, তোমালোক বিধৱা বিলাকক ঠগা আৰু তেওঁলোকৰ ঘৰলোৱা।

আঁৰিবা, কিছুমানক তোমালোকৰ নাম-ঘৰত কোবাবা আৰু
চহৰে নগৰে তেওঁলোকক তাড়না কৰি খেদি ফুৰিবা।
৩৫“নির্দোষী হাবিলৰ ৰক্তপাতৰ পৰা আৰম্ভ কৰি বৰখিয়াৰ
পুত্র জখৰিয়াৰ ৰক্তপাতলৈকে যাক তোমালোকে মন্দিৰৰ
পবিত্র স্থান আৰু বেদীৰ মজত হত্যা কৰিলা প্রত্যেক নির্দোষী
ব্যক্তি সকলৰ ৰক্তপাতৰ দোষ তোমালোকৰ ওপৰত পৰিব।
৩৬মই তোমালোকক সত্য কওঁ এই সকলোৰে দণ্ড এই
যুগৰ লোকসমূহে ভুগিব লাগিব।”

## জেৰুজালেমৰ লোকলৈ সতর্কবাণী

*(লূক ১৩:৩৪–৩৫)*

৩৭“হে জেৰুচালেম হে জেৰুচালেম, তুমি ভাৱবাদী সকলক
হত্যা কৰিছা, আৰু ঈশ্বৰে পঠোৱা বিলাকক শিল দলিয়াই
বধ কৰিছা। কুকুৰাই যেনেকৈ পোৱালি বিলাকক ডেউকাৰ
তলত চপাই লয়, তেনেকৈ কিমান বাৰ মই তোমাৰ সন্তান
বিলাকক চপাবলৈ ইচ্ছা কৰিলো কিন্তু তুমি সন্মত নহলা।
৩৮এতিয়া তোমাৰ ঘৰ সম্পূর্ণৰূপে পৰিত্যক্ত হৈ যাব।
৩৯সচঁকৈয়ে মই তোমালোকক কওঁ, ‘প্রভুৰ নামেৰে যিজন
আহিছে তেওঁ ধন্য; এই বুলি নোকোৱামানে এতিয়াৰ পৰা
আৰু মোক দেখিবলৈ নোপোৱা।’”

## শেষ বিচাৰৰ সতর্কবাণী

*(মার্ক ১৩:১–৩১; লূক ২১:৫–৩৩)*

**২৪** ১যেতিয়া যীচুৰে মন্দিৰৰ পৰা ওলাই যাওঁতে,
তেওঁৰ শিষ্যসকলে মন্দিৰৰ ভৱন দেখুৱাবলৈ
তেওঁৰ ওচৰলৈ আহিল। ২যীচুৰে তেওঁলোকক কলে,
“তোমালোকে এই ভৱনটো থিয়কৈ দেখিছানে? মই
তোমালোকক সঁচাকৈ কৈ কৈছো, ইয়াৰ এটা শিলো
আনটো শিলৰ ওপৰত নাথাকিব, সকলো শিলবোৰ বগৰাই
দিয়া হব।”
৩যীচুৰে জৈতুন পর্বতৰ ওপৰত বহি থাকোতে তেওঁৰ
শিষ্যসকলে তেওঁৰ ওচৰলৈ আহি কলে, “আমাক কওক
এইবোৰ কেতিয়া ঘটিব? আপুনি যেতিয়া পুনৰায় আহিব
আৰু এই সংসাৰৰ শেষ হোৱা সময়ৰ চিন কি?”
৪উত্তৰত যীচুৰে তেওঁলোকক কলে, “সাৱধান হোৱা;
কোনেও যেন তোমালোকক নুভুলাই। ৫মই এইবোৰ
এই কাৰণেই কৈছো যে বহুতে মোৰ নামেৰে আহি কব,
‘মইয়েই খ্রীষ্ট’ আৰু তেওঁলোকে বহুতকে ভূলাব।
৬তোমালোকে চলি থকা যুদ্ধ আৰু দূৰৈত যুদ্ধ সংঘটিত
হোৱাৰ বাতৰি শুনিবলৈ পাবা কিন্তু তোমালোকে ভয়
নকৰিবা! কিয়নো এইবোৰ ঘটিবই, কিন্তু ইয়াৰ পাচতো অন্ত
সোনকালে নহয়। ৭কাৰণ জাতিৰ বিৰোদ্ধে জাতি, ৰাজ্যৰ
বিৰোদ্ধে ৰাজ্য উঠিব, আকাল আৰু ভূমিকম্প হব। ৮কিন্তু
এইবোৰ ঘটনা কেৱল ঘটনাৰ তাড়নাৰ আৰম্ভনহে সন্তান
জন্ম দিয়াৰ প্রথম বেদনাৰ দৰে।
৯“তেতিয়া লোকসমূহে তোমালোকক ধৰি বন্দি কৰি
যাতনা দিবলৈ শোধাই দিব আৰু তোমালোকক শাস্তি দি
বধ কৰিব। তোমালোকে মোক বিশ্বাস কৰা হেতুকে সকলো
জাতিৰ লোকে তোমালোকক ঘৃণা কৰিব। ১০তেতিয়া
অনেকে বিশ্বাসৰ পৰা খহি পৰিব, এজনে আনজনক
বিশ্বাসঘাটকতা কৰিব, আৰু পৰস্পৰে ঘৃণা কৰিব। ১১বহুতো
ভূৱা ভাৱবাদী ওলাব আৰু বহুতো লোকক প্রৱঞ্চনা কৰিব।
১২কিয়নো পাপ বৃদ্ধি হৈ যোৱাত অনেকৰ প্রেম চেচা হৈ
যাব। ১৩কিন্তু যি জনে শেষলৈকে বিশ্বাসেৰে ধৈর্য্য ধৰি
থাকিব তেওঁহে পৰিত্রাণ পাব। ১৪আৰু ঈশ্বৰৰ ৰাজ্যৰ এই
শুভবার্তা সমগ্র পৃথিৱীত সকলো জাতিৰ সাক্ষ্যৰ হেতুকে
প্রচাৰ কৰা হব, আৰু তেতিয়াহে শেষৰ সময় আহি পৰিব।
১৫“যেতিয়া তোমালোকে দানিয়েল ভাৱবাদীয়ে উল্লেখ
কৰা ‘ভয়ংকৰ বিনাশকাৰী বস্তুবিলাক’ মন্দিৰৰ পবিত্রস্থানত
থিয় হৈ দেখা পাবা।” (পঢ়া জনে বুজি লওক ইয়াৰ অর্থ
কি?) ১৬“তেতিয়া যিহুদীয়াৰ লোকসমূহে পর্বতলৈ পলাই
যাওক; ১৭যদি কোনোৱাই ঘৰৰ ওপৰত আছে সেই জনে
ঘৰৰ ভিতৰৰ পৰা কিবা বস্তু নিবলৈ নানামক। ১৮আৰু যি
জনে পথাৰত কাম কৰে তেওঁ নিজৰ চোলাটো লবলৈ
উভতি নাযাওক।
১৯“সেই সময়ত গর্ভৱতী স্ত্রী আৰু কেচুৱা থকা
মাতৃসকলৰ বহুত কষ্ট হব। ২০প্রার্থনা কৰা যাতে জাৰ
কালি বা বিশ্রামবাৰৰ দিনা পলাব লগীয়া নহয়। ২১সেই
সময়ত যেনেকোৱা মহা-ক্লেশ হব, পৃথিৱীৰ সৃষ্টিৰ পৰা
এতিয়ালৈকে তেনে মহা-ক্লেশ কেতিয়াও হোৱা নাই আৰু
আগলৈ কোনো দিনেই নহব।
২২“আৰু যদিহে ঈশ্বৰে সেই যাতনা-ক্লেশৰ দিনবোৰ
কম কৰাৰ সময় নির্ধাৰিত নকৰা হলে কোনো লোকেই বাচি
নাথাকিলে হেতেন। কিন্তু ঈশ্বৰৰ মনোনীত লোকসকলৰ
বাবে এই ক্লেশৰ দিনবোৰ কমোৱা হব।
২৩“সেই সময়ত যদি কোনোবাই তোমালোকক কয়,
চোৱা খ্রীষ্ট ইয়াত আছে আৰু কোনোৱাই কয় খ্রীষ্ট তাত
আছে, তথাপি তোমালোকে বিশ্বাস নকৰিবা। ২৪মই কওঁ
কিয়নো ভূৱা খ্রীষ্ট আৰু ভূৱা ভাৱবাদী ওলাব আৰু আচৰিত
চিন আৰু মহত্ কাম কৰি দেখুৱাব, আনকি মনোনীত
লোকবিলাককো পথভ্রষ্ট কৰিবলৈ চেষ্টা কৰিব। ২৫চোৱা
মই তোমালোকক আগতীয়াকৈ কৈ দিলো।
২৬“সেই কাৰণে, তেওঁলোকে যদি কয়, চোৱা খ্রীষ্ট
অৰন্যত আছে, তেন্তে তেওঁক বিচাৰি ওলাই নায়াবা
আৰু যদি কয় চোৱা ভিতৰ কোঠালিত আছে, তেন্তে
তোমালোকে বিশ্বাস নকৰিবা। ২৭কাৰন যেতিয়া মানৱপুত্র
আহিব, প্রতিজনেই তেওঁক দেখা পাব। যেনেকৈ বিজুলী
মাৰিলে পুবৰ পৰা পশ্চিম ফাললৈকে গোটেই আকাশ
পোহৰ হয়, একেদৰেই মানুহৰ পুত্রৰ আগমন হব! ২৮যত
মৰা শ থাকে তাতে শগুনো গোট খাব।
২৯“সেই ভয়ঙ্কৰ সময়ৰ পাছতেই:

‘সূর্য্য অন্ধকাৰময় হব
চন্দ্রয়ো পোহৰ নিদিব;

আকাশৰ পৰা তৰাবোৰ খহি পৰিব,
আৰু আকাশৰ শক্তিবোৰ লৰোৱা হব।”

*যিচয়া ১৩:১০; ৩৪:৪*

৩০“সেই সময়ত মানৱ-পুত্ৰৰ আগমনৰ চিন আকাশত দেখা যাব; আৰু পৃথিৱীৰ সকলো জাতিৰ লোকসমূহে হিয়া ভূকুৱাব, ক্ৰন্দন, কৰিব আৰু তেওঁলোকে মানৱ-পুত্ৰক পৰাক্ৰম আৰু মহা-প্ৰতাপেৰে ডাৱৰত অহা দেখিব। ৩১তেতিয়া তেওঁ তুৰীৰ উচ্চ ধ্বনিৰে নিজৰ দূতবিলাকক পঠাব, আৰু তেওঁলোকে আকাশৰ ইমূৰৰ পৰা সিমূৰলৈকে পৃথিৱীৰ চাৰিওসীমাৰ পৰা তেওঁৰ মনোনীত লোকসমূহক একত্ৰিত কৰিব।

৩২“ডিমৰু গছৰ পৰা শিক্ষা লোৱা, যেতিয়া ইয়াৰ ঠালবিলাক কোমল হৈ কুঁহিপাত মেলে তোমালোকে তেতিয়া জহ কাল ওচৰ চাপিছে বুলি জানা। ৩৩এইদৰেই তোমালোকে এইবোৰ যেতিয়া ঘটা দেখিবলৈ পোৱা জানিবা যে সেই সময় ওচৰ চাপি দুৱাৰ মুখ পালেহি। ৩৪মই তোমালোকক সঁচাকৈ কওঁ, “এই কালৰ লোকসমূহে জীৱিত থাকোতেই এইবোৰ ঘটিব। ৩৫পৃথিৱী আৰু আকাশ লুপ্ত হব, কিন্তু মোৰ বাক্য কেতিয়াও লুপ্ত নহব।”

### কেৱল ঈশ্বৰেহে জানে সেই সময় কেতিয়া আহিব

*(মাৰ্ক ১৩:৩২–৩৭; লূক ১৭:২৬–৩০, ৩৪–৩৬)*

৩৬“সেই দিন আৰু সময়ৰ বিষয়ে কোনোৱে একোৱে নাজানে, স্বৰ্গদূত বিলাক আৰু পুত্ৰও নাজানে, কেৱল পিতৃহে জানে।

৩৭“নোহৰ সময়ত যিদৰে হৈছিল; মানৱ পুত্ৰৰ আগমনো সেই একেদৰেই হব। ৩৮জল-প্লাৱন হোৱাৰ আগেয়ে, নোহে জাহাজত উঠাৰ সময়লৈকে ভোজন-পান কৰিছিল, বিয়া কৰাইছিল আৰু জীয়ৰীসকলক বিয়া দিছিল; ৩৯তথাপি জল-প্লাৱনে আহি উটুৱাই নিনিয়ালৈকে কি হৈছে সেয়া কোনেও গম নাপালে।

মানৱ-পুত্ৰৰ আগমনতো তেনেদৰেই অৱস্থা হব। ৪০সেই সময়ত একেলগে পথাৰত কাম কৰি থকা বিলাকৰ এজনক নিয়া হব আৰু আনজনক তাতে এৰি দিয়া হব। ৪১জাঁতত কাম কৰি থকা দুজনী তিৰোতাৰ এজনীক থৈ আনজনীক নিয়া হব।

৪২“এতেকে তোমালোকে সাৱধানে থাকিবা কিয়নো কোন পৰত তোমালোকৰ প্ৰভু আহিব তাক তোমালোকে নাজানা। ৪৩মনত ৰাখা, ৰাতি কোন সময়ত চুৰ আহিব তাক গৃহস্থই জনা হলে উজাগৰে থাকি চুৰক সিন্ধি খানি ঘৰত সোমাবলৈ নিদিলেহেতেন। ৪৪সেই কাৰণে তোমালোকেও সজাগ হৈ থাকা কিয়নো যি সময়ত তোমালোকে নাভাবা সেই সময়তেই মানৱ-পুত্ৰ আহিব।

### ভাল আৰু বেয়া দাস

*(লূক ১২:৪১–৪৮)*

৪৫“এতেকে ভাৱা বিশ্বাসী দাস কোন? গৃহস্থই যি জন দাসক আন দাসবিলাকৰ ওপৰত বিষয়া পাতি তেওঁবিলাকক উচিত সময়ত আহাৰ পানী যোগাবলৈ দায়িত্ব দিয়ে। ৪৬ধন্য সেইজন দাস যি জনক গৃহস্থই ঘৰলৈ অহা সময়ত কাম কৰি থকা দেখা পায়। ৪৭মই তোমালোকক সঁচাকৈ কওঁ, গৃহস্থই সেইজন দাসক সৰ্ব্বোচ্চ সম্পত্তিৰ গৰাকী পাতিব।

৪৮“কিন্তু তেওঁ যদি এজন দুষ্ট দাস হয়, তেওঁ মোৰ প্ৰভু বহুত দিনলৈকে নাহে এইবুলি যদি ভাৱি ৪৯তেওঁৰ সহদাসবিলাকক কোবাই আৰু মদপী বিলাকৰ সৈতে ভোজন-পান কৰি মতলীয়া হৈ থাকে। ৫০তেতিয়া দাসজনে নভবা, নজনা দিনত তেওঁৰ প্ৰভু আহিব, ৫১আৰু তেওঁৰ প্ৰভুৱে তেওঁক কঠোৰ শাস্তি বিহিব, কপটীয়া বিলাকৰে সৈতে তেওঁৰ একে দুৰ্দশা হব, যত ক্ৰন্দন আৰু দাঁত কৰচনি হব।

### দহজনী যুৱতীৰ দৃষ্টান্ত

**২৫** ১“তেতিয়া দহ গৰাকী যুৱতীয়ে চাকি লৈ দৰাক আদৰিবলৈ যোৱা বিলাকৰ লগত ঈশ্বৰৰ ৰাজ্যৰ তুলনা কৰা হব। ২তেওঁ বিলাকৰ পাঁচজনী নিৰ্ব্বুদ্ধি আৰু পাঁচ জনী সুবুদ্ধি আছিল। ৩পাঁচজনী নিৰ্ব্বুদ্ধি যুৱতীয়ে চাকি ললে কিন্তু লগত বেলেগে তেল নললে। ৪আনহাতে সুবুদ্ধি যুৱতীকেইজনীয়ে চাকি লোৱাৰ লগতে বেলেগ পাত্ৰত তেল ভৰাই ললে। ৫দৰা অহা পলম হোৱাত যুৱতীসকলে টোপনিয়াই আছিল।

৬“মাজনিশা সৌৱা দৰা আহিল, তেওঁক আদৰিবলৈ ওলোৱাহঁক এইবুলি ৰিঙিওৱা হল।

৭“তেতিয়া আটাই কেইজনী যুৱতীয়ে নিজৰ নিজৰ চাকিবোৰ ঠিক কৰি ললে। ৮নিৰ্ব্বুদ্ধি কেইগৰাকীয়ে সুবুদ্ধিকেইজনীক কলে, ‘তোমালোকৰ তেলৰ পৰা আমাক অলপ দিয়া, কিয়নো আমাৰ চাকি নুমাও নুমাও হৈছে।’

৯“উত্তৰত সুবুদ্ধিয়ক কেইগৰাকীয়ে কলে, ‘তোমালোকলৈ আৰু আমালৈয়ো নুজুৰিব তাতকৈ দোকানৰ পৰা তোমালোকলৈ কিনি লোৱা।’

১০“তেতিয়া নিৰ্ব্বুদ্ধি কেই গৰাকীয়ে তেল কিনিবলৈ যাওঁতেই দৰা আহি পালে। তেতিয়া সাজু হৈ থকা পাঁচ গৰাকী যুৱতীয়ে দৰাৰ লগত বিয়াৰ ভোজৰ ঠাইত সোমাল আৰু দুৱাৰ বন্ধ কৰা হল।

১১“ক্ষন্তেক পাছত আন পাঁচগৰাকী যুৱতীয়ো আহিল আৰু চিঞঁৰি চিঞঁৰি কবলৈ ধৰিলে, ‘হে প্ৰভু আমালৈ দুৱাৰ মেলি দিয়ক।’

১২“কিন্তু দৰাই তেতিয়া উত্তৰ দিলে, ‘মই সঁচাকে কৈছোঁ! মই তোমালোকক চিনি নাপাও।’

১৩“সেয়ে সাজু হৈ থাকা কিয়নো মানৱ পুত্ৰ কেতিয়া আহিব তাক তোমালোকে নাজানা।

### তিনিজন দাসৰ দৃষ্টান্ত

*(লূক ১৯:১১–২৭)*

১৪“ঈশ্বৰৰ ৰাজ্যক এজন দূৰ দেশলৈ যাত্ৰা কৰিবলৈ ওলোৱা ব্যক্তিৰ লগত তুলনা কৰা হব। তেওঁ যোৱাৰ সময়ত দাসবিলাকক মাতি আনি তেওঁৰ সম্পতিৰ দায়িত্ব

দিলে। ১৫প্ৰথমজনক পাঁচ হাজাৰ দ্বিতীয়জনক দুই হাজাৰ
আৰু তৃতীয়জনক একহাজাৰ ৰূপৰ মুদ্ৰা, সিহঁতৰ যোগ্যতা
অনুসাৰে ভগাই দি যাত্ৰা আৰম্ভ কৰিলে। ১৬যি জন দাসে
পাঁচ হাজাৰ ৰূপৰ মুদ্ৰা পাইছিল, সেই জনে লগে লগে সেই
ধন ব্যৱসায়ত খটুৱাই আৰু পাঁচ হাজাৰ উপাৰ্জন কৰিলে।
১৭একেদৰেই যি জনে দুই হাজাৰ পাইছিল তেওঁ আৰু
দুই হাজাৰ উপাৰ্জন কৰিলে। ১৮কিন্তু যি জনে এহেজাৰ
পাইছিল তেওঁ গৈ মাটিত গাত খান্দি তেওঁৰ প্ৰভুৰ ধন পুতি
থলে।

১৯"বহুত দিনৰ পাচত সেই দাসবিলাকৰ প্ৰভুৱে ঘূৰি
আহি প্ৰত্যেকৰে হিচাপ-নিকাচ লবলৈ ললে। ২০যি জনে
পাঁচ হাজাৰ ৰূপৰ মুদ্ৰা পাইছিল, সেইজন দাসে তেওঁ প্ৰভুৰ
ওচৰলৈ আহি কলে, 'প্ৰভু আপুনি মোক পাঁচ হাজাৰ ৰূপৰ
মুদ্ৰা দিছিল তাৰে মই আৰু পাঁচ হাজাৰ ৰূপৰ মুদ্ৰা উপাৰ্জন
কৰিলো।'

২১"তেওঁৰ প্ৰভুৱে তেওঁকে কলে, 'চাবাইচ, তুমি উত্তম
বিশ্বাসী দাস, অলপ ধনৰ বিষয়ত তুমি বিশ্বাসী আছিলা,
মই তোমাক আৰু অনেক বিষয়ৰ ওপৰত গৰাকী পাতিম।
মোৰ ভোজলৈ আহাঁ আৰু মোৰে সৈতে আনন্দৰ ভাগী
হোৱা।'

২২"যি জনক দুহেজাৰ ৰূপৰ মুদ্ৰা দিয়া হৈছিল তেওঁও
তেওঁৰ প্ৰভুৰ ওচৰত আহি কলে, 'প্ৰভু আপুনি মোক
দুহেজাৰ ৰূপৰ মুদ্ৰা দিছিল তাৰে মই আৰু দুহেজাৰ ৰূপৰ
মুদ্ৰা উপাৰ্জন কৰিলো।'

২৩"তেওঁৰ প্ৰভুৱে তেওঁক কলে, 'চাবাইছ! তুমি উত্তম
বিশ্বাসী দাস, অলপ ধনৰ বিষয়ত তুমি বিশ্বাসী আছিলা,
মই তোমাক আৰু অনেক বিষয়ৰ গৰাকী পাতিম। মোৰ
ভোজলৈ আহাঁ আৰু মোৰে সৈতে আনন্দত ভাগ লোৱা।'

২৪"পাচে যি জনক এহেজাৰ ৰূপৰ মুদ্ৰা দিয়া হৈছিল,
তেওঁ তেওঁৰ প্ৰভুৰ ওচৰত আহি কলে, 'প্ৰভু মই জানো
আপুনি কঠিন মানুহ, আপুনি যত ৰোৱা নাই তাতে দায়,
আৰু যত সিঁচা নাই তাতে শস্য চপাই ২৫সেই কাৰণে মই
ভয়তে ৰূপৰ মুদ্ৰাক মাটিত পুতি থলো। চাওক এইয়া
আপোনাৰ ধন।'

২৬"উত্তৰত প্ৰভুৱে তেওঁক কলে, 'তুমি দুষ্ট আৰু
এলেহুৱা দাস, তুমি কৈছা ,তুমি জানিছিলা যে যতে মই
ৰোৱা নাই তাতে দাওঁ আৰু যত মই সিঁচা নাই তাতে
চপাওঁ। ২৭তুমি যদি জানিছিলাই তেন্তে মোৰ ধন তুমি
বেঙ্কত থৈ দিব লাগিছিল, তেতিয়া মই ঘূৰি আহি সূতে
মূলে মোৰ ধন পালোহেতেন।'

২৮"সেইয়ে এই এহেজাৰ মুদ্ৰা লৈ যোৱা আৰু যাৰ
ওচৰত পাঁচ হাজাৰ মুদ্ৰা আছে তাক দিয়া। ২৯কিয়নো যাৰ
আছে সি সেইখিনিৰ যদি সত্ ব্যৱহাৰ কৰে তাকেই আৰু
দিয়া হব, কিন্তু যাৰ নাই তাৰ যি আছে তাৰো সত্ ব্যৱহাৰ
যদি নকৰে তাৰ সকলো কাঢ়ি লোৱা হব। ৩০আৰু এই
অযোগ্য দাসক বাহিৰলৈ পেলাই দিয়া, যত ক্ৰন্দন আৰু
দাঁত কৰচনি হব।"

## মানৱ পুত্ৰই সকলোৰে বিচাৰ কৰিব

৩১"মানৱ পুত্ৰ যেতিয়া ঘূৰি আহিব তেতিয়া স্বৰ্গীয় মহা-
প্ৰতাপেৰে নিজৰ দূতবিলাকৰ সৈতে গৌৰৱৰ সিংহাসনত
বহিব। ৩২সকলো জাতিৰ লোকক তেওঁৰ আগত একত্ৰিত
কৰা হব,আৰু যেনেকৈ মেৰৰখীয়াই মেৰ-ছাগবোৰক
ছাগলীৰ পৰা পৃথক কৰে তেনেকৈয়ে এজনক আনজনৰ
পৰা পৃথক কৰা হব। ৩৩তেওঁ মেৰ ছাগ বোৰক তেওঁৰ
সোঁ-ফালে আৰু ছাগলী বিলাকক বাওঁফালে ৰাখিব।

৩৪"তেতিয়া ৰজাই সোঁ-ফালে থকা ধাৰ্মিক লোকবিলাকক
কব, "মোৰ পিতৃৰ আৰ্শীবাদৰ পাত্ৰবিলাক আঁহা জগতৰ সৃষ্টিৰে
পৰা যুগুত কৰি থোৱা ৰাজ্যৰ অধিকাৰী হোৱা। ৩৫এই ৰাজ্য
তোমালোকৰ কিয়নো মই ভোকত থকা সময়ত তোমালোকে
মোক খাবলৈ দিছিলা, মোৰ পিয়াহ লগাত তোমালোকে মোক
পানী খাবলৈ দিছিলা। মই অতিথি হৈছিলো তোমালোকে
মোক আশ্ৰয় দিছিলা। ৩৬মই নগ্ন আছিলো তোমালোকে
মোক কাপোৰ পিন্ধাইছিলা, মই নৰিয়াত পৰিছিলো
তোমালোকে মোক শুশ্ৰূষা কৰিছিলা, মই বন্দীশালাত
আছিলো তোমালোকে মোৰ ওচৰলৈ গৈছিলা।

৩৭"তেতিয়া ধাৰ্মিক সকলে উত্তৰ দি কব, প্ৰভু আমিনো
কেতিয়া আপোনাক ভোকত দেখা পাই আহাৰ খুৱাইছিলো
বা পিয়াহ লগা দেখি পানী দিছিলো? ৩৮আমিনো কেতিয়া
আপোনাক অতিথি হোৱা দেখি আশ্ৰয় দিছিলো আৰু নগ্ন
দেখা পাই কাপোৰ পিন্ধাইছিলো? ৩৯আমিনো কেতিয়া
আপোনাক নৰিয়াত পৰা দেখা পাই শুশ্ৰূষা কৰিছিলো
আৰু বন্দীশালত আপোনাৰ ওচৰত গৈছিলো?

৪০"তেতিয়া ৰজাই তেওঁলোকক উত্তৰ দি কব, "মই
তোমালোকক সঁচাকৈ কৈছো মোৰ এই ভাই বিলাকৰ মাজৰ
সৰু এজনলৈকো যি কৰিছিলা, তেওঁক মোলৈহে কৰিছিলা।

৪১"পাচত ৰজাই বাওঁফালে থকা অধৰ্মী সকলক কব,
'হেৰৌ দুষ্টাত্মা বিলাক মোৰ ওচৰৰ পৰা দূৰ হোৱা, আৰু
চয়তান আৰু তেওঁৰ বিলাকৰ কাৰণে যুগুত কৰা অনন্ত
জুইত পৰি থাকা। ৪২এইটোৱেই তোমালোকৰ দণ্ড,
কিয়নো মই ভোকত থকাত তোমালোকে মোক আহাৰ
নোখোৱালা। ৪৩মই অতিথি হৈছিলো তোমালোকে মোক
ঘৰলৈ নিনিলা, মই বিবস্ত্ৰ আছিলো, কাপোৰ নিপিন্ধালা আৰু
যেতিয়া মই নৰিয়াত পৰিছিলো আৰু বন্দী অৱস্থাত আছিলো
তোমালোকে মোলৈ চিন্তা নকৰিলা।'

৪৪"তেতিয়া তেওঁলোকে উত্তৰ দি কব, 'প্ৰভু আমিনো
কেতিয়া ভোকত বা পিয়াহত, অতিথি হোৱাত, নগ্ন থকাত,
নৰিয়া পৰাত, বন্দীশালত থকা সময়ত আপোনাৰ সেৱা
শুশ্ৰূষা নকৰিলো।'

৪৫"তেতিয়া ৰজাই উত্তৰত তেওঁলোকক কব, 'মই
তোমালোকক সত্য কৈছো যেতিয়াই তোমালোকে
মোৰ এই পৰিয়ালৰ যি কোনো এজনকো নকৰিলা তাক
মোলৈকেহে নকৰিলা।'

৪৬"তেতিয়া এই দুষ্ট লোক বিলাকে অনন্ত-দণ্ড পাব আৰু
ধাৰ্মিক লোকসকল অনন্ত জীৱনলৈ গুচি যাব।"

### যিহুদী নেতাসকলে যীচুক হত্যা কৰিবলৈ পৰিকল্পনা কৰা

*(মাৰ্ক ১৪:১–২; লূক ২২:১–২; যোহন ১১:৪৫–৫৩)*

**২৬** ১এই সকলোবোৰ কৈ এটালত যীচুৱে নিজৰ
শিষ্যসকলক কলে, ২“তোমালোকে জানা যে
দুদিনৰ পাচত নিস্তাৰ পৰ্ব আৰম্ভ হব। আৰু সেই দিনাই
মানৱ পুত্ৰক ক্ৰুচত দিবলৈ শোধাই দিয়া হব।”
৩তেতিয়া মূখ্য পুৰোহিত আৰু বৃদ্ধ-ইহুদী নেতা বিলাকে
কায়ফা নামৰ মূখ্য পুৰোহিতৰ চোতালত গোটা খালে।
৪আৰু তেওঁবিলাকে যীচুক ছলেৰে ধৰি বধ কৰিবলৈ
কু-মন্ত্ৰণা কৰিলে। ৫পিচে তেওঁলোকে কলে, “আমি পৰ্ব্বৰ
সময়ত এই কাম কৰাটো উচিত নহব; কাৰণ লোকসমূহৰ
মাজত হলস্থূল হব পাৰে।”

### এগৰাকী তিৰোতাই যীচুক অভিষেক কৰা

*(মাৰ্ক ১৪:৩–৯; যোহন ১২:১–৮)*

৬যীচুৱে যেতিয়া বৈথনিয়াত চিমোন কুষ্ঠৰোগীৰ ঘৰত আছিল
৭তেতিয়া এগৰাকী মহিলাই শুভ্ৰ ফটিকৰ বটলত বহুমূলীয়া
তেল ভৰাই আনি সেই তেল তেওঁৰ মূৰত বাকি দিলে।
৮তাকে দেখি তেওঁৰ শিষ্যসকলৰ খং উঠিল আৰু কলে,
“এই তেলৰ এনে লোকচান কিয়? ৯এই সুগন্ধি তেল ভাল
দামত বিক্ৰী কৰি সেই ধন দৰিদ্ৰবিলাকক দান কৰিব পৰা
গল হয়।”
১০যীচুৱে তেওঁলোকে কি কৈছে জানি, শিষ্যসসকলক
কলে, “তেওঁ মোলৈ উত্তম কৰ্ম্মকে কৰিলে। ১১কিয়নো
দৰিদ্ৰ বিলাক তোমালোকৰ লগত সদায় আছে আৰু থাকিব
কিন্তু মই তোমালোকৰ লগত সদায় নাথাকো। ১২তেওঁ যে
মোৰ শৰীৰত সুগন্ধি তেল বাকি দিলে, মোক মৈদামত
থবলৈ যুগুত কৰিবৰ নিমিত্তেহে এনে কৰিলে। ১৩মই
তোমালোকক সঁচাকৈ কওঁ সমস্থ পৃথিৱীৰ যি যি ঠাইত
শুভবাৰ্তা প্ৰচাৰ কৰা হব, সেই সকলো ঠাইত তেওঁৰ
সোঁৱৰনৰ অৰ্থে তেওঁ কৰা কৰ্ম্মৰ বিষয়েও ঘোষণা কৰা হব।”

### যীচুৰ বিৰোধিবিলাকক যিহুদাই সহায় কৰা

*(মাৰ্ক ১৪:১০–১১; লূক ২২:৩–৬)*

১৪তেতিয়া বাৰজন শিষ্যৰ মাজৰ ইস্কাৰিয়োতীয়া যিহুদাই
প্ৰধান পুৰোহিত সকলৰ ওচৰলৈ গৈ ১৫তেওঁলোকক
সুধিলে, “যদি মই যীচুক আপোনালোকক শোধাই দিওঁ
আপোনালোকে মোক কি দিব?” তেতিয়া তেওঁবিলাকে
যিহুদাক ত্ৰিশটা ৰূপৰ মুদ্ৰা দিবলৈ বন্দবস্ত কৰিলে। ১৬সেই
সময়ৰ পৰাই যিহুদাই যীচুক বন্দীকৰাই শোধাই দিবলৈ
সুযোগ বিচাৰিবলৈ ধৰিলে।

### নিস্তাৰপৰ্ব্বৰ ভোজ

*(মাৰ্ক ১৪:১২–২১; লূক ২২:৭–১৪, ২১–২৩; যোহন ১৩:২১–৩০)*

১৭খমিৰ নোহোৱা পিঠাৰ পৰ্ব্বৰ আগদিনা, যীচুৰ শিষ্যবিলাকে
আহি সুধিলে, “আপোনাৰ বাবে আমি নিস্তাৰ পৰ্ব্বৰ ভোজ
কত যুগুত কৰাটো আপুনি ইচ্ছা কৰে?”
১৮নগৰলৈ গৈ মই গাৱৰ পৰা চিনি পোৱা এজন মানুহক
কোৱা, “গুৰুৱে কৈছে, ‘মোৰ সময় নিচেই ওচৰত মই
মোৰ শিষ্যসকলৰ লগত তোমাৰ ঘৰত নিস্তাৰ পৰ্ব্ব পালন
কৰিম।’” ১৯শিষ্যসকলে যীচুৰ মতে নিস্তাৰ পৰ্ব্বৰ ভোজৰ
আয়োজন কৰিলে।
২০সন্ধ্যা হলত যীচুৱে তেওঁৰ বাৰজন শিষ্যৰ লগত
ভোজনৰ মেজত ঠাই গ্ৰহন কৰিলে। ২১ভোজন কৰি
থাকোতেই তেওঁলোকক কলে, “মই সঁচাকৈ কওঁ,
তোমালোকৰ এজনে মোক শত্ৰুৰ হাতত শোধাই দিব।”
২২এই কথা শুনি শিষ্যসকল অতিশয় দূখিত হল, আৰু
প্ৰত্যেকেই তেওঁক সুধিবলৈ ধৰিলে, “প্ৰভু সেইজন মইনে?”
২৩তেতিয়া যীচুৱে উত্তৰ দি কলে, “যি জনে মোৰে সৈতে
একেটা থালত হাত জুবুৰিয়ালে তেৱেঁই মোক শোধাই দিব।”
২৪মানৱ পুত্ৰৰ বিষয়ে যিদৰে লিখা আছে সেয়া ঘটিবই, কিন্তু
যি জন ব্যক্তিৰ দ্বাৰা শোধাই দিয়া হব, তেওঁ সন্তাপৰ পাত্ৰ;
তেওঁৰ জন্ম নোহোৱা হলেই তেওঁৰ পক্ষে ভাল আছিল।”
২৫তেতিয়া তেওঁক শোধাই দিয়া যিহুদাই মাত লগাই
কলে, “হে প্ৰভু সেইজন মইনে?”
যীচুৱে তেওঁক কলে, “হয় তুমি ঠিকেই কৈছা।”

### প্ৰভুৰ ভোজ

*(মাৰ্ক ১৪:২২–২৬; লূক ২২:১৫–২০; ১ কৰিন্থিয়া ১১:২৩–২৫)*

২৬তেওঁলোকে ভোজন কৰি থাকোতে যীচুৱে এটুকুৰা
পিঠা হাতত লৈ ঈশ্বৰক ধন্যবাদ জনালে আৰু টুকুৰা কৰি
শিষ্যসকলক দি কলে, “লোৱা আৰু খোৱা এয়াই মোৰ শৰীৰ।”
২৭আকৌ তেওঁ পানপাত্ৰলৈ ধন্যবাদ জনাই তেওঁলোকক
দি কলে, “তোমালোকে প্ৰতিজনেই ইয়াক অলপ অলপ
পান কৰা ২৮কিয়নো এই দ্ৰাক্ষাৰস মোৰ তেজ অৰ্থাৎ নতুন
নিয়মৰ তেজ, অনেকৰ পাপ মোচনৰ অৰ্থে ইয়াক উলিওৱা
হৈছে। ২৯মই তোমালোকক কওঁ তোমালোকৰ সৈতে
পিতৃৰ ৰাজ্যত ন-ৰস পান নকৰা দিনলৈকে এতিয়াৰ পৰা
আৰু মই দ্ৰাক্ষাৰস কেতিয়াও পান নকৰো।”
৩০তেতিয়া তেওঁলোকে নিস্তাৰ পৰ্ব্বৰ স্তুতি গীত গালে
আৰু জৈতুন পৰ্ব্বতলৈ গল।

### শিষ্যবিলাকে যীচুক ত্যাগ কৰিব বুলি জনোৱা

*(মাৰ্ক ১৪:২৭–৩১; লূক ২২:৩১–৩৪; যোহন ১৩:৩৬–৩৮)*

৩১তেতিয়া যীচুৱে তেওঁলোকক কলে, “আজি ৰাতিয়েই
তোমালোকৰ মোৰ পৰা বিশ্বাস খহি যাব। কিয়নো শাস্ত্ৰত
লিখা আছে:

‘মই মেৰ-ৰখীয়াক বধ কৰিম
আৰু জাকৰ মেৰ-ছাগবোৰ ছিন্ন-ভিন্ন হব।’

*জখৰীয়া ১৩:৭*

৩২কিন্তু মোৰ পুনৰুত্থানৰ পাচত মই তোমালোকৰ আগেয়ে
গালীললৈ যাম।”

৩৩পিতৰে উত্তৰ দি কলে, “আপোনাক সকলোৱে ত্যাগ
কৰিলেও মই কেতিয়াও আপোনাক ত্যাগ নকৰো।”
৩৪যীচুৱে তেওঁক কলে, “মই তোমাক সঁচাকৈ কৈছো,
‘আজি ৰাতি কুকুৰাই ডাক দিয়াৰ আগতে তুমি মোক
তিনিবাৰ অস্বীকাৰ কৰিবা।”
৩৫কিন্তু পিতৰে কলে, “যদি আপোনাৰ লগত মই মৰিবও
লাগে: তথাপিও মই আপোনাক অস্বীকাৰ নকৰোঁ।” আন
শিষ্যবিলাকেও সেই দৰেই কলে।

## যীচুৱে অকলশৰে প্ৰাৰ্থনা কৰা

*(মাৰ্ক ১৪:৩২–৪২; লূক ২২:৩৯–৪৬)*

৩৬তেতিয়া যীচুৱে তেওঁৰ শিষ্যবিলাকৰ সৈতে গেৎচিমানী
নামৰ ঠাইলৈ গল। আৰু তেওঁ বিলাকক কলে, “মই তালৈ
গৈ প্ৰাৰ্থনা নকৰোঁ মানে তোমালোকে ইয়াতে বহি থাকা।”
৩৭পাচে তেওঁ পিতৰ আৰু চিবদিয়ৰ পুতেক দুজনক লগত
নিলে, আৰু তেওঁ শোকাকুল আৰু ব্যাকুল হবলৈ ধৰিলে।
৩৮যীচুৱে পিতৰ আৰু চিবদিয়ৰ পুতেক দুজনক কলে,
“মোৰ প্ৰাণ মৰণৰ তুল্য শোকাতুৰ হৈছে; তোমালোকে
ইয়াতে থাকি মোৰে সৈত্যে পৰ দি থাকা!”
৩৯আৰু তেওঁ অলপ মান আগুৱাই গৈ উবুৰি হৈ প্ৰাৰ্থনা
কৰি কলে, “হে মোৰ পৰম পিতৃ, যদি সম্ভৱ হয় তেন্তে এই
যাতনাৰ পান পাত্ৰ মোৰ পৰা দূৰ কৰক; তথাপি মোৰ ইচ্ছাৰ
দৰে নহয় আপোনাৰ ইচ্ছাৰ দৰেই হওক।” ৪০কিন্তু তেওঁ
শিষ্যকেইজনৰ ওচৰলৈ ঘূৰি আহি তেওঁলোকক টোপনি
যোৱা দেখা পাই তেওঁ পিতৰক কলে, “তোমালোকে
এঘন্টাও নো মোৰে সৈতে সাৰ পাই থাকিব নোৱাৰিলানে?
৪১প্ৰলোভনৰ পৰা আতঁৰি থাকিবৰ বাবে সাৰে থাকি প্ৰাৰ্থনা
কৰা। তোমাৰ আত্মা ইচ্ছুক কিন্তু শৰীৰ দুৰ্বল।”
৪২তেতিয়া যীচুৱে দ্বিতীয় বাৰ আঁতৰি গৈ প্ৰাৰ্থনা কৰি
কলে, “হে মোৰ পিতৃ মই পান নকৰাকৈ যদি এই পান
পাত্ৰ দূৰ হব নোৱাৰে তেন্তে আপোনাৰ ইচ্ছাই পূৰ্ণ হওক।”
৪৩তেওঁ পুনৰ ঘূৰি আহি শিষ্যসকলক টোপনিয়াই থকা
পালে। কাৰণ তেওঁলোকৰ চকু টোপনিয়ে টানি ধৰিছিল।
৪৪সেয়ে তেওঁ তেওঁলোকক এৰি তৃতীয়বাৰ গৈ একে
প্ৰাৰ্থনা কৰিলে।
৪৫তাৰ পাছত যীচুৱে নিজৰ শিষ্যবিলাকৰ ওচৰলৈ
আহি কলে, “তোমালোকে এতিয়াও টোপনিয়াই বিশ্ৰাম
কৰিছানে? চোৱা সময় আহি পালে, আৰু মানৱ-পুত্ৰক পাপী
বিলাকৰ হাতত সৰ্মপণ কৰা হব। ৪৬উঠা আমি যাওঁহক
চোৱা শোধাই দিওঁতাজন ওচৰ পালেহি।”

## যীচুক ধৰা হ’ল

*(মাৰ্ক ১৪:৪৩–৫০; লূক ২২:৪৭–৫৩; যোহন ১৮:৩–১২)*

৪৭যীচুৱে কথা কৈ থাকোতেই যিহুদা আহিল, যি বাৰজন
শিষ্যৰ এজন আছিল। আৰু তেওঁৰ লগত প্ৰধান পুৰোহিত
আৰু লোকসমূহৰ বৃদ্ধ সকলে পঠোৱা মানুহৰ এটা ডাঙৰ
দল তৰোৱাল আৰু টাঙুন লৈ আহিল। ৪৮বিশ্বাসঘাতক
যিহুদাই তেওঁবিলাকক সংকেত দি থৈছিল যে মই যিজনক
চুমা খাম তেৱেঁই যীচু তেওঁকেই ধৰিবা। ৪৯তেওঁ যীচুৰ
ওচৰলৈ গৈ “গুৰু প্ৰণাম;” এই বুলি কৈ তেওঁক চুমা খালে
৫০যীচুৱে তেওঁক কলে, “বন্ধু যি কৰিবলৈ আহিছা তাক
সোনকালে কৰা।”
তেতিয়া লোকসমূহে আগবাঢ়ি আহি যীচুক ধৰিলে।
৫১তেতিয়া যীচুৰ লগত থকা বিলাকৰ শিষ্য এজনে তেওঁৰ
তৰোৱাল উলিয়াই মহাপুৰোহিতৰ এজন দাসৰ কাণ এখন
কাটি পেলালে।
৫২যীচুৱে তেওঁক কলে, “তুনি তৰোৱাল খন খাপত
থৈ দিয়া, কাৰন যিবিলাকে তৰোৱাল ধৰে তেওঁবিলাক
তৰোৱালেৰেই বিনষ্ট হব। ৫৩তোমালোকে নাজানা নে, যে
মই পিতৃৰ আগত নিবেদন কৰিলে, এই মূৰ্হততে তেওঁ মোৰ
ওচৰলৈ বাৰ সৈন্যতকৈয়ো অধিক স্বৰ্গদূতক মোৰ উদ্ধাৰৰ
কাৰনে পঠাই দিব? ৫৪কিন্তু সেয়ে হলে, শাস্ত্ৰত যি লিখা
আছে সেই সকলো কেনেকৈ সিদ্ধ হব?
৫৫তেতিয়া যীচুৱে তেওঁক ধৰিবলৈ অহা মানুহৰ দলটোক
কলে, “ডকাইত ধৰিবলৈ অহাৰ দৰে তোমালোকে তৰোৱাল,
টাঙুন লৈ মোক ধৰিবলৈ আহিছা নে? মই নিতৌ মন্দিৰত বহি
শিক্ষা দিছিলো কিন্তু তেতিয়া তোমালোকে মোক নধৰিলা।
৫৬ভাৱবাদী সকলে লিখা শাস্ত্ৰীয় কথা সিদ্ধ হবলৈ এইবোৰ
ঘটিল।” তেওঁৰ সকলো শিষ্যই তেওঁক এৰি পলাই গল।

## যিহুদী নেতাসকলৰ আগত যীচু

*(মাৰ্ক ১৪:৫৩–৬৫; লূক ২২:৫৪–৫৫, ৬৩–৭১;*
*যোহন ১৮:১৩–১৪, ১৯–২৪)*

৫৭যিবিলাকে যীচুক ধৰিছিল, তেওঁলোকে, কায়ফা
মহাপুৰোহিতৰ চৌতালত যত যিহুদী-বিধান পণ্ডিত আৰু বৃদ্ধ
যিহুদী নেতা সকলো একগোট হৈছিল তেওঁলোকৰ ওচৰলৈ
লৈ গল। ৫৮পিতৰে, আঁৰে আঁৰে তেওঁলোকৰ পাচে পাচে
মহাপুৰোহিতৰ চোতাললৈকে গল, আৰু ভিতৰত সোমাই
যীচুৰ কি নো হয় তাকে চাবলৈ চন্তৰীবিলাকৰ লগত বহিল।
৫৯মহাপুৰোহিত আৰু সমূহ যিহুদী মহাসভাই যীচুক
মৃত্যু দণ্ড বিহিবলৈ তেওঁৰ বিৰুদ্ধে অভিযোগ কৰি সাক্ষী
বিচাৰিবলৈ ধৰিলে। ৬০কিন্তু নাপালে, যদিও বহুতে মিছা
সাক্ষ্য দিবলৈ আহিল কিন্তু তেওঁলোকে একো নাপালে।
অৱশেষত দুজন ব্যক্তি আহিল ৬১আৰু কলে, “এওঁ কৈছিল,
‘মই ঈশ্বৰৰ মন্দিৰ নষ্ট কৰি তিনি দিনৰ ভিতৰত সাজিম।’”
৬২তেতিয়া মহাপুৰোহিতে উঠি যীচুক সুধিলে, “এই
মানুহবোৰে তোমাৰ বিৰুদ্ধে যিবোৰ সাক্ষ্য দিছে তাৰ
বিপৰীতে তোমাৰ একো কব লগা নাইনে?” ৬৩কিন্তু যীচুৱে
মনে মনে থাকিল।
পুনৰাই মহাপুৰোহিতে সুধিলে, “মই তোমাক জীৱন্ত
ঈশ্বৰৰ শপত দি কৈছো যদি তুমিয়েই ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট
হোৱা আমাক কোৱা?”
৬৪যীচুৱে উত্তৰ দিলে, “তোমালোকে নিজে তাক কৈছা!
কিন্তু মই তোমালোকক কওঁ: এতিয়াৰ পৰা তোমালোকে

মানৱ পুত্ৰক সৰ্ব্বশক্তিমান ঈশ্বৰৰ সোঁহাতে বহি থকা আৰু আকাশৰ মেঘৰ ওপৰৰ পৰা আহা দেখিবা।”

৬৫তেতিয়া মহাপুৰোহিতে এই কথা শুনি নিজৰ কাপোৰ ফালি কলে, “এওঁ ঈশ্বৰৰ নিন্দা কৰিছে: আমাৰ আৰু সাক্ষীৰ কি প্ৰয়োজন? তোমালোকে সকলোৱেই নিজ কাণেৰে ঈশ্বৰৰ নিন্দা কৰা শুনিলা। ৬৬তোমালোকে কি ভাৱা?”

উত্তৰত লোকসমূহে কলে, “সি অপৰাধী সি প্ৰাণদণ্ড পোৱাৰ যোগ্য।”

৬৭তেতিয়া তেওঁলোকে যীচুৰ মূখত থুই পেলাই তেওঁক ভূকুৱালে, কিছুমানে চৰিয়ালে আৰু সুধিলে, ৬৮“হেৰা খ্ৰীষ্ট, ভাবোক্তি কৰি কোৱাচোন আমাক, কোনে মাৰিলে তোমাক?”

## পিতৰৰ ভয় ও অস্বীকাৰ

*(মাৰ্ক ১৪:৬৬–৭২; লূক ২২:৫৬–৬২; যোহন ১৮:১৫–১৮, ২৫–২৭)*

৬৯পিতৰে যেতিয়া বাহিৰৰ চোঁতালত বহি আছিল তেতিয়া এজনী দাসীয়ে আহি কলে, “তুমিওতো গালীলীয়া যীচুৰ লগত আছিলা।”

৭০কিন্তু সকলোৰে আগত পিতৰে অস্বীকাৰ কৰি কলে, “তুমি কি কৈছা মই বুজা নাই।”

৭১পাচে তেওঁ বাটচৰালৈ যাওঁতে আন এজনী দাসীয়ে তেওঁক দেখা পাই তাত থকা বিলাকক কলে, “এইজন মানুহ নাচৰতীয়া যীচুৰ লগত আছিল।”

৭২পুনৰায় পিতৰে অস্বীকাৰ কৰি কলে মই ঈশ্বৰৰ নামত শপত খাই কৈছো, “মই সেই মানুহজনক চিনিয়েই নাপাওঁ।”

৭৩অলপ সময়ৰ পাচত তাত থিয় হৈ থকা লোকসকলে তেওঁৰ ওচৰলৈ আহি কলে, “তুমিও নিশ্চয় তেওঁলোকৰ মাজৰ এজন, কাৰণ তোমাৰ মাত-কথাই তুমি যে গালীলৰ আন সকলৰ নিচিনা তাৰ চিনাকি দিছে।”

৭৪তেতিয়া পিতৰে নিজকে অভিশপ্ত কৰি শপত খাই কলে, “মই সেই মানুহজনক নিচিনোৱেই, তেতিয়াই কুকুৰাই ডাক দিলে। ৭৫তেতিয়া পিতৰৰ মনত পৰিল, যীচুৱে তেওঁক কৈছিল, “কুকুৰাই ডাক দিয়াৰ আগেয়ে তুমি মোক তিনিবাৰ অস্বীকাৰ কৰিবা।” তেতিয়া পিতৰে বাহিৰলৈ গৈ অতি দুখেৰে শোক শোকাই কান্দিবলৈ ধৰিলে।

## যীচুক পীলাতৰ ওচৰলৈ নিয়া

*(মাৰ্ক ১৫:১; লূক ২৩:১–২; যোহন ১৮:২৮–৩২)*

**২৭** ১পিচদিনা অতি ৰাতিপুৱাই সকলো প্ৰধান পুৰোহিত আৰু বৃদ্ধ যিহুদী নেতা সকলে যীচুক মৃত্যুৰ দণ্ড দিবলৈ কু-মন্ত্ৰণা কৰিলে। ২তেওঁলোকে তেওঁক শিকলিৰে বান্ধি শাসনকৰ্তা পীলাতৰ হাতত শোধাই দিলে।

## যিহুদাই আত্মহত্যা কৰা

*(পাঁচনি কৰ্ম ১:১৮–১৯)*

৩যীচুক শোধাই দিয়া যিহুদাই দেখিলে যে, যীচুক দণ্ডাজ্ঞা দিয়া হৈছে, তেতিয়া তেওঁ অনুতপ্ত হল; আৰু প্ৰধান পুৰোহিত আৰু বৃদ্ধ যিহুদী নেতা সকলক সেই ত্ৰিশটা ৰূপৰ মুদ্ৰা উভতাই দিলে। ৪যিহুদাই কলে, “মই এজন নিৰ্দেষী ব্যক্তিক বধ কৰিবলৈ শোধাই দি পাপ কৰিলো।”

তেওঁবিলাকে উত্তৰ দিলে, “আমাৰনো কি হল; এইটো তোমাৰ ব্যক্তিগত সমস্যা, আমাৰ নহয়।”

৫তেতিয়া যিহুদাই সেই ৰূপৰ মুদ্ৰাক মন্দিৰৰ ভিতৰৰ মজিয়াত পেলাই দি তাৰ পৰা গৈ নিজে নিজৰ ডিঙিত ফাঁচ লগাই মৰিল।

৬প্ৰধান পুৰোহিতসকলে সেই ধনখিনি লৈ কলে, “এই ধন তেজৰ মূল্য হোৱা হেতুকে ইয়াক আমাৰ নিয়ম অনুসাৰে মন্দিৰৰ ভৰাঁলত থব নাপায়।” ৭তেওঁলোকে আলোচনা কৰি যি বিলাক বিদেশী জেৰুচালেমলৈ আহি মৰি যায় তেওঁবিলাকক মৈদাম দিবলৈ সেই ধনেৰে কুমাৰৰ পৰা এডোখৰ মাটি কিনিলে। ৮সেই কাৰণে সেই মাটি ডোখৰক আজিলৈকে “তেজৰ মাটি” বুলি কোৱা হয়। ৯যিৰিমিয়া ভাৱবাদীয়ে যি কথা কৈছিল:

“তেওঁবিলাকে ইস্ৰায়েলৰ সন্তান বিলাকৰ পৰা
ত্ৰিশটা ৰূপৰ মুদ্ৰা ললে, আৰু তেওঁক শোধাই
দিবলৈ বন্দবস্ত কৰিলে। ১০আৰু প্ৰভুৱে মোক দিয়া
অনুসৰি, সেই ধনেৰে কুমাৰৰ পৰা মাটি কিনা হল।”

## ৰাজ্যপাল পীলাতে যীচুক প্ৰশ্ন কৰা

*(মাৰ্ক ১৫:২–৫; লূক ২৩:৩–৫; যোহন ১৮:৩৩–৩৮)*

১১যীচু শাসনকৰ্তা পীলাতৰ আগত হাজিৰ কৰা হলত, পীলাতে তেওঁক সুধিলে, “তুমি যিহুদী বিলাকৰ ৰজা হোৱানে?”

উত্তৰত যীচুৱে কলে, “হয়, এইটো আপুনি নিজেই কৈছে। মই তাক অস্বীকাৰ নকৰো।”

১২কিন্তু যেতিয়া প্ৰধান পুৰোহিত আৰু বৃদ্ধ যিহুদী নেতা বিলাকে তেওঁৰ বিৰুদ্ধে অভিযোগ কৰিলে তেতিয়া তেওঁ একো উত্তৰ নিদিলে।

১৩তেতিয়া পীলাতে তেওঁক সুধিলে, “তোমাৰ বিৰুদ্ধে এওঁলোকে অনা এই অভিযোগবোৰ তুমি শুনা নাইনে?”

১৪কিন্তু যীচুৱে পীলাতক কোনো এটা অভিযোগৰ উত্তৰ নিদিলে। তেতিয়া পীলাতে অতিশয় বিস্ময় মানিলে।

## যীচুক মুকলি কৰিবলৈ চেষ্টা কৰি পীলাতে ব্যৰ্থ হোৱা

*(মাৰ্ক ১৫:৬–১৫; লূক ২৩:১৩–২৫; যোহন ১৮:৩৯–১৯:১৬)*

১৫নিস্তাৰ পৰ্ব্বৰ সময়ত শাসনকৰ্তাই ৰাইজৰ ইচ্ছা অনুসৰি কোনো এজন বন্দীক মুকলি কৰি দিয়াটো নিয়ম আছিল। ১৬সেই সময়ত বাৰব্বা নামৰ এজন কু-খ্যাত বন্দী আছিল।

১৭যেতিয়া লোকসমূহ গোট খালে পীলাতে তেওঁবিলাকক সুধিলে, “তোমালোকৰ কাৰণে মই কাক মুকলি কৰি দিয়াটো তোমালোকে বিচৰা, বাৰব্বাকনে যীচুক যাক খ্ৰীষ্ট বোলা হয়? ১৮পীলাতে জানিছিল যে তেওঁলোকে যীচুক ইৰ্ষাতহে শোধাই দিছে।

১৯পীলাতে বিচাৰৰ আসনত বহি থকা সময়তেই তেওঁৰ
পত্নীয়ে তেওঁলৈ এটা বাৰ্তা পঠিয়ালে, সেই নিৰ্দোষী জনাৰ
ওপৰত হাত নিদিব কাৰণ যোৱা ৰাতি তেওঁৰ বিষয়ে সপোন
দেখি বহুত কষ্ট পালোঁ।
২০কিন্তু প্ৰধান পুৰোহিত আৰু বৃদ্ধ যিহুদী নেতা সকলে
লোকসমূহক উচটনি দিলে তেওঁলোকে যাতে বাৰব্বাক
মুকলি কৰিবলৈ আৰু যীচুক প্ৰাণদণ্ড দিবলৈ পীলাতৰ
ওচৰত দাবী জনায়।
২১পীলাতে লোকসমূহক সুধিলে, “এই দুজনৰ ভিতৰত
কোন জনক তোমালোকৰ কাৰণে মোকোলাই দিম?”
তেওঁলোকে উত্তৰত কলে, “বাৰব্বাক।”
২২তেতিয়া পীলাতে তেওঁলোকক সুধিলে, “তেনেহলে
খ্ৰীষ্ট বোলা যীচুক মই কি কৰিম?”
লোকসমূহে তেওঁক উত্তৰ দিলে, “তেওঁক ক্ৰুচত
দিয়ক!”
২৩পীলাতে সুধিলে, “কিয়? তেওঁনো কি অপৰাধ কৰিলে?”
কিন্তু লোকসমূহে আৰু জোৰকৈ চিঞঁৰি কলে, “তেওঁক
ক্ৰুচত দিয়ক।”
২৪তেতিয়া পীলাতে দেখিলে যে তেওঁৰ চেষ্টাৰ শ্ৰম
ফলদায়ক নহব। বৰঞ্চ হুলস্থুলৰ উপক্ৰম হোৱা দেখি
তেতিয়া তেওঁ পানী লৈ সকলোৰে আগত হাত ধুই
কলে, “এই মানুহজনৰ মৃত্যুদণ্ডত মই নিৰ্দোষী। এইটো
তোমালোকৰ দায়িত্ব।”
২৫প্ৰত্যুত্তৰত লোকসমূহে একে লগে কলে, “এওঁৰ
মৃত্যুদণ্ডৰ দোষ আমাৰ আৰু আমাৰ সন্তান-সন্ততিৰ ওপৰত
পৰক।”
২৬তেতিয়া পীলাতে বাৰব্বাক মুকলি কৰি দি যীচুক
চাবুকেৰে কোবাই ক্ৰুচত আঁৰিবলৈ শোধাই দিলে।

## পীলাতৰ সৈন্যই যীচুক উপলুঙা কৰা

*(মাৰ্ক ১৫:১৬–২০; যোহন ১৯:২–৩)*

২৭তেতিয়া শাসনকৰ্তাৰ সৈন্যবিলাকে যীচুক শাসনকৰ্তাৰ
ভৱনৰ ভিতৰ-কক্ষলৈ নিলে আৰু তেওঁক গোটেই
সৈন্যবিলাকে আগুৰি ধৰিলে। ২৮সিহঁতে তেওঁৰ গাৰ কাপোৰ
সোলোকাই সেন্দুৰ বৰণীয়া বস্ত্ৰ পিন্ধালে। ২৯কাঁইটিয়া
ডালৰ এটা কিৰিটি সাজি তেওঁৰ মূৰত পিন্ধাই দিলে, আৰু
তেওঁৰ সোঁ হাতত এডাল নল দি তেওঁৰ আগত আঁঠু লৈ
ঠাট্টা কৰি কলে, “যিহুদী বিলাকৰ ৰজা দীৰ্ঘজীৱী হওক!”
৩০তেওঁলোকে তেওঁৰ মূখত থুই পেলাই তেওঁৰ পৰা নল
ডাল কাঢ়ি লৈ তেওঁৰ মূৰত কোবালে। ৩১এনেদৰে বিদ্ৰূপ
কৰাৰ পাচত তেওঁৰ গাৰ পৰা সেই বস্ত্ৰ সোলোকাই তেওঁৰ
নিজৰ কাপোৰ পিন্ধালে আৰু ক্ৰুচত তুলিবলৈ লৈ গল।

## যীচুক ক্ৰুছবিদ্ধ কৰা

*(মাৰ্ক ১৫:২১–৩২; লূক ২৩:২৬–৩৯; যোহন ১৯:১৭–১৯)*

৩২তেওঁলোকে ওলাই যাওঁতে, চিমোন নামৰ কুৰীণীয়া
মানুহ এজনক লগ পাই তেওঁক যীচুৰ ক্ৰুচডাল বৈ নিবলৈ
বাধ্য কৰালে। ৩৩তেওঁলোকে যেতিয়া গলগথা নামৰ ঠাই
পালে। (অৰ্থাৎ “মূৰৰ লাওখোলা”) ৩৪তাতে তেওঁবিলাকে
যীচুক তিতা ৰস মিহলোৱা দ্ৰাক্ষাৰস পান কৰিবলৈ দিলে;
কিন্তু তেওঁ চাকি চাই পান নকৰিলে।
৩৫সৈন্য বিলাকে তেওঁক ক্ৰুচত তুলি দি, চিঠি খেলি
তেওঁৰ কাপোৰ ভগাই ললে, ৩৬আৰু তেওঁলোকে তাতে
পহৰা দি থাকিল। ৩৭তেওঁৰ মূৰৰ ওপৰত “এইজনা যীচু
যিহুদীবিলাকৰ ৰজা” বুলি তেওঁৰ বিৰুদ্ধে অপবাদ নামা
লিখি আঁৰি দিলে।
৩৮সেই সময়তে তেওঁৰ সোঁ-ফালে এজন আৰু বাওঁফালে
এজন ডকাইতক তেওঁৰ লগত ক্ৰুচত দিয়া হৈছিল।
৩৯তালৈ অহা যোৱা কৰা লোকসকলে তেওঁলোকৰ খূব
জোকাৰিছিল আৰু তেওঁক অপমান কৰিছিল। ৪০কৈছিল,
“তুমি কৈছিলা, তুমি মন্দিৰ ধ্বংস কৰিবা আৰু ইয়াক তিনি
দিনৰ ভিতৰত বনাবা। সেয়ে এতিয়া নিজকে ৰক্ষা কৰা।
যদি তুমি ঈশ্বৰৰ পুত্ৰ হোৱা, ক্ৰুচৰ পৰা নামি আহা।”
৪১একেধৰণেই প্ৰধান পুৰোহিত, বিধান-পন্ডিত আৰু বৃদ্ধ
যিহুদী নেতা সকলেও তেওঁক ঠাট্টা কৰি কৈছিল, ৪২“সি
আনক ৰক্ষা কৰিছিল; এতিয়া তেওঁ নিজকে ৰক্ষা কৰিব
নোৱাৰেনে? যদি তেওঁৱেই ইস্ৰায়েলবিলাকৰ ৰজা হয়
তেন্তে এতিয়া সি ক্ৰুচৰ পৰা নামি আহকচোন, তেতিয়াহে
আমি তেওঁক বিশ্বাস কৰিম। ৪৩সি ঈশ্বৰৰ ওপৰত ভাৰসা
কৰিছে যদি ঈশ্বৰে তাক ভাল পায় তেন্তে তেওঁ এতিয়া
তাক উদ্ধাৰ কৰক, কাৰণ সি কৈছিল, “মই ঈশ্বৰৰ পুত্ৰ।”
৪৪আনকি তেওঁৰ লগত একেলগে ক্ৰুচত দিয়া দুজন
ডকাইতেও একেদৰেই ঠাট্টা কৰিলে।

## যীচুৰ মৃত্যু

*(মাৰ্ক ১৫:৩৩–৪১; লূক ২৩:৪৪–৪৯; যোহন ১৯:২৮–৩০)*

৪৫পাচে দুপৰীয়া বাৰ মান বজাৰ পৰা তিনি বজালৈকে
পৃথিৱীত আন্ধাৰ হ’ল। ৪৬তিনিমান বজাত যীচুৱে বৰ মাতেৰে
চিঞঁৰি কলে, *“এলী, এলী লামাচবক্তানী?”* অৰ্থাৎ “হে মোৰ
ঈশ্বৰ হে মোৰ ঈশ্বৰ, তুমি মোক কিয় পৰিত্যাগ কৰিলা?”
৪৭তাত থিয় হৈ থকাবিলাকে তাকে শুনি কলে, ই
এলিয়াক মাতিছে।
৪৮পাচে তেওঁলোকৰ এজনে দৌৰি গৈ স্পঞ্জ এডোখৰ
লৈ চিৰিকাৰে পূৰ কৰি এডাল নলৰ মূৰত লগাই যীচুক পান
কৰিবলৈ দিলে। ৪৯অন্য বিলাকে কলে, “তেওঁক এৰি দিয়া
চাওঁচোন তাক বচাবলৈ এলিয়াই আহেনে নাহে।”
৫০যীচুৱে আকৌ এবাৰ বৰ মাতেৰে চিঞঁৰি প্ৰাণ ত্যাগ
কৰিলে।
৫১তেতিয়াই মন্দিৰৰ আঁৰ কাপোৰ ওপৰৰ পৰা তললৈকে
ফাটি দুছিটা হল, আৰু ভূমিকম্প হল, শিলবোৰ ফাটিল,
৫২আৰু মৈদাম বোৰ ফাটি মুকলি হোৱাত চিৰ নিদ্ৰিত
পবিত্ৰ লোকৰ পুনৰুত্থান হল। ৫৩আৰু যীচুৰ পুনৰুত্থানৰ
পাছত তেওঁলোকে মৈদাম এৰি, পবিত্ৰ নগৰলৈ গৈ বহুতো
লোকক দেখা দিলে।

৫৪ৰোমীয়া এশৰ সেনাপতি আৰু যীচুক পহৰা দিয়া
সৈন্যবিলাকে, ভূমিকম্প আৰু এই সকলোবোৰ ঘটনা
দেখি অতিশয় ভয় খালে আৰু কলে, “বাস্তৱত যীচু ঈশ্বৰৰ
পুত্ৰই আছিল।”
৫৫গালীলৰ পৰা অহা তিৰোতা বিলাকে যি সকলে তেওঁৰ
সেৱা-শুশ্ৰূষা কৰিছিল দূৰৈৰ পৰা চাই আছিল। ৫৬এওঁ
বিলাকৰ ভিতৰত মগ্দলীনী মৰিয়ম, যাকোৱ আৰু যোচেফৰ
মাক মৰিয়ম আৰু চিবিদিয়ৰ পত্নী আছিল।

## যীচুক কবৰ দিয়া

*(মাৰ্ক ১৫:৪২–৪৭; লূক ২৩:৫০–৫৬; যোহন ১৯:৩৮–৪২)*

৫৭সেইদিনাই সন্ধ্যা পৰত অৰিমাথিয়া নগৰৰ যোচেফ নামৰ
এজন ধনী লোক আহিল, তেওঁ যীচুৰ হৈছিল। ৫৮তেওঁ
পীলাতৰ ওচৰলৈ গৈ যীচুৰ মৃতদেহটো খুজিলে। পীলাতে
মৃত দেহটো দিবলৈ দিলে। ৫৯তেতিয়া যোচেফে যীচুৰ
দেহটো লৈ এখন শন সুতাৰ নতুন কাপোৰেৰে মেৰিয়াই,
৬০নিজৰ কাৰণে শিল কাটি নিৰ্মাণ কৰা মৈদামত শুৱাই
থলে। আৰু এচটা ডাঙৰ শিল বগৰাই নি মৈদামৰ দুৱাৰ
মুখত থৈ তাৰ পৰা গুচি গল। ৬১মগ্দলীনী মৰিয়ম আৰু
আন গৰাকী মৰিয়মে তাতে মৈদামৰ সন্মূখতে বহি থাকিল।

## যীচুৰ কবৰ পহৰা দিয়া

৬২পিচদিনা ৰাতিপুৱা বিশ্ৰাম বাৰ হোৱাত প্ৰধান পুৰোহিত আৰু
ফৰীচী সকলে পীলাতৰ ওচৰলৈ গৈ কলে, ৬৩“হে মহাশয়,
আমাৰ মনত পৰিছে সেই প্ৰৱঞ্চকে জীয়াই থাকোতে মই
তিনিদিনৰ পাচত পুনৰ উঠিম বুলি কৈছিল। ৬৪সেয়েহে তাৰ
শিষ্যবিলাকে গৈ তাৰ মৃত দেহ চুৰ কৰি নি তেওঁ জী উঠিল
বুলি যাতে লোকসমূহক কব নোৱাৰে এই হেতুকে মৈদামত
তিনি দিনলৈকে সাৱধানে পহৰা দিবলৈ আজ্ঞা দিয়ক। অন্যথা
প্ৰথম ভ্ৰান্তিতকৈ শেষৰ ভ্ৰান্তি অধিক অনিষ্টকৰ হব।
৬৫পীলাতে তেওঁলোকক কলে, তোমালোকে এদল
চন্তৰী লৈ: যোৱা আৰু মৈদামক সুৰক্ষিতভাবে পহৰা দি
ৰাখাগৈ। ৬৬তেতিয়া তেওঁলোকে গৈ মৈদামৰ শিলচটাৰ
ওপৰত মোহৰ মাৰিলে, আৰু চন্তৰীবিলাকক মৈদাম
নিৰাপদে পহৰা দি ৰাখিবলৈ কলে।

## যীচু মৃত্যুৰ পৰা জী উঠা

*(মাৰ্ক ১৬:১–৮; লূক ২৪:১–১২; যোহন ২০:১–১০)*

২৮
১বিশ্ৰাম-বাৰৰ পাছত সপ্তাহৰ প্ৰথম দিনা
ৰাতিপুৱাই, মৰিয়ম মগ্দলীনী আৰু আন গৰাকী
মৰিয়মে মৈদাম চাবলৈ আহিল।
২তেতিয়া অকস্মাতে এটা ডাঙৰ ভূমিকম্প হল; কাৰণ
প্ৰভুৰ দূত এজন স্বৰ্গৰ পৰা নামি আহি শিলচটা বগৰাই তাৰ
ওপৰত বহিল। ৩তেওঁৰ চেহেৰা বিজুলীৰ নিচিনা আৰু বস্ত্ৰ
হিমৰ দৰে শুক্ল আছিল। ৪কবৰত পহৰা দিয়া চন্তৰীবিলাক
ভয়ত কম্পমানহৈ মৰাৰ নিচিনা হল।
৫তেতিয়া দূতে মাত লগাই তিৰোতা কেইগৰাকীক কলে,
“তোমালোকে ভয় নকৰিবা; মই জানো! তোমালোকে
ক্ৰুচত হত হোৱা যীচুক বিচাৰিছা। ৬তেওঁ ইয়াত নাই: তেওঁ
যেনেকৈ কৈছিল তেনেকৈ জী উঠিল। আঁহা তেওঁক শুৱাই
থোৱা ঠাই চোৱাহি। ৭আৰু তোমালোকে বেগাই গৈ তেওঁৰ
শিষ্যসকলক কোৱাগৈ, ‘যে তেওঁ মৃত্যুৰ পৰা উঠিল। তেওঁ
তোমালোকৰ আগেয়ে গালীললৈ গৈছে; তোমালোকে
তেওঁক তাতে দেখা পাবা।’” মই যি কলো মনত ৰাখিবা।
৮তেতিয়া তিৰোতা কেইগৰাকীয়ে তৎক্ষণাত মৈদামৰ
ওচৰৰ পৰা ভয় আৰু মহা-আনন্দৰে, শিষ্যসকলক খবৰ
দিবলৈ দৌৰি গল। ৯অকস্মাতে যীচুৱে তেওঁবিলাকক লগ
ধৰিলে আৰু কলে, “তোমালোকৰ কুশল হওক” তেওঁলোক
তেওঁৰ ওচৰলৈ আহিল, তেওঁৰ চৰণত পৰিল আৰু তেওঁক
প্ৰণিপাত কৰিলে। ১০তেতিয়া যীচুৱে তেওঁলোকক কলে,
“ভয় নকৰিবা! প্ৰিয় বিলাক, যিবিলাক মোৰ ভাইবিলাকৰ
নিচিনা, তেওঁলোকৰ ওচৰলৈ গৈ তেওঁলোকক গালীললৈ
যাবলৈ কোৱা আৰু তাতে তেওঁলোকে মোক দেখা পাব।”

## যিহুদীসকলে খবৰ শুনিলে

১১সেই তিৰোতা কেইগৰাকী বাটত গৈ থাকোতেই
চন্তৰী বিলাকে যিবিলাকে মৈদামৰ পহৰা দিছিল, নগৰলৈ
দৌৰি গৈ প্ৰধান পুৰোহিত সকলক সকলো ঘটনাৰ
সংবাদ দিলে, ১২প্ৰধান পুৰোহিত আৰু বৃদ্ধ যিহুদী নেতা
সকলে একত্ৰিতহৈ মন্ত্ৰণা কৰি চন্তৰীবিলাকক বহুত ধন
দি কলে, ১৩তোমালোকে কবা, আমি শুই থাকোতে
যীচুৰ শিষ্যবিলাকে আহি তেওঁৰ দেহাটো চুৰ কৰি নিলে।
১৪যদি কেনেবাকৈ শাসনকৰ্তাই এই কথা শুনে, তেতিয়া
তোমালোকক
নিৰ্দোষী বুলি আমি বুজাই বঢ়াই কম, তালৈ চিন্তা নকৰিবা,
১৫চন্তৰী বিলাকে ধন লৈ তেওঁলোকে শিকোৱা দৰে কৰিলে,
আৰু এই কথা বিয়পি যিহুদীবিলাকৰ মাজত আজিলৈকে
চলিত আছে।

## যীচুৱে তেওঁৰ শিষ্যসকলৰ লগত কথা কোৱা

*(মাৰ্ক ১৬:১৪–১৮; লূক ২৪:৩৬–৪৯;
যোহন ২০:১৯–২৩; পাঁচনিৰ কৰ্ম ১:৬–৮)*

১৬এঘাৰ জন শিষ্যই যীচুৱে গালীলৰ যি পৰ্ব্বতলৈ
তেওঁলোকক যাবলৈ কৈছিল তালৈ গল। ১৭আৰু তাতে
তেওঁলোকে যীচুক দেখা পালত তেওঁক প্ৰণিপাত কৰিলে;
কিন্তু কোনো কোনোৱে সন্দেহ কৰিলে যে এয়াই যীচু
হয়। ১৮পাচে যীচুৱে তেওঁলোকৰ ওচৰলৈ আহি কলে,
“স্বৰ্গ আৰু পৃথিৱীৰ সকলো ক্ষমতা মোক দিয়া হল।
১৯এই হেতুকে তোমালোক যোৱা আৰু সকলো জাতিৰ
লোকবিলাকক মোৰ শিষ্যকৰি, পিতৃ, পুত্ৰ, আৰু পবিত্ৰ
আত্মাৰ নামেৰে বাপ্তিস্ম দিয়া। ২০আৰু মই যি যি আজ্ঞা
দিলোঁ সেই সকলোবোৰ পালন কৰিবলৈ তেওঁলোকক
শিক্ষা দিয়া। আৰু মনত ৰাখিবা যে, মই জগতৰ শেষলৈকে
সদায় তোমালোকৰ সঙ্গে সঙ্গে আছোঁ।”